● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in


## দিগ্‌দৰ্শন

তিনিটা লক্ষণেৰে মানুহ চিনা যায়, উদ্দেশ্যত উদাৰতা, কাৰ্য সম্পাদনাত মানৱতা আৰু কৃতকাৰ্যতাত আত্মসংযম।

বিচ্‌মাৰ্ক
জাৰ্মান ৰাষ্ট্ৰনায়ক




৭ মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ চাঞ্চল্যকৰ অভিযোগ
১১ টি-২০ বিশ্বকাপতো বেটিং মুকলি কৰিব ৰোহিত-বিৰাটে
৪ 'আগতে চাউলকঠা, পাছতহে হৰিকথা'



RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৬৩তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৮ চ'ত ১৪২৭ ভাস্কৰাব্দ ২২ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 22 March 2021 মূল্য ঃ ৭.০০ টকা







## কিমানদিনলৈ চলিব সংৰক্ষণ ?

■ প্ৰাঞ্জলসেন ডেকা

**ভাৰতবৰ্ষৰ** সমাজ জীৱনত সংৰক্ষণৰ ব্যৱস্থাটো একপ্ৰকাৰ ডিঙিত কাঁইট লগাৰ দৰে হৈছে। গিলিবও নোৱাৰি আৰু উলিয়াই পেলাবও নোৱাৰি। পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে স্বয়ং উচ্চতম ন্যায়ালয়েও প্ৰশ্ন কৰিবলৈ বাধ্য হৈছে,— আৰু কেইটা প্ৰজন্মলৈ এনেদৰে সংৰক্ষণ চলি থাকিব ? মহাৰাষ্ট্ৰ চৰকাৰে মাৰাঠাসকললৈ আগবঢ়োৱা ১০ শতাংশ সংৰক্ষণৰ সম্পৰ্কত চলিত গোচৰত যোৱা শুকুৰবাৰে এইদৰে প্ৰশ্ন কৰে সৰ্বোচ্চ ন্যায়ালয়ে। লগতে সংৰক্ষণৰ ক্ষেত্ৰত থকা আঠ পৃষ্ঠাত চাওক

■ কংগ্ৰেছ মানেই মিছা ঘোষণাপত্ৰৰ গেৰাণ্টী ঃ বোকাখাতৰ সমাৰোহত প্ৰধানমন্ত্ৰী মোদী

# পুনৰ ডবল ইঞ্জিন চৰকাৰ



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি অতুল বৰা-ৰঞ্জিত দাস-কেশৱ মহন্তৰ, দেওবাৰে।

অগ্ৰদূত বাৰ্তা

বোকাখাত/নুমলীগড়/খুমটাই, ২১ মাৰ্চ ঃ অসমত ইতিমধ্যে কে'বাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ মিত্ৰ দল অসম গণ পৰিষদ (অগপ)ৰ সভাপতি অতুল বৰাৰ হৈ বোকাখাতত প্ৰচাৰ চলায়। সমষ্টিটোৰ কমাৰগাঁৱৰ মহুৰাপথাৰত 'বিজয় সংকল্প সমাৰোহ' নামেৰে আঠ পৃষ্ঠাত চাওক

অসমত কৰ'নাৰ দ্বিতীয় লহৰৰ সকলো সম্ভাৱনা আছে ঃ লক্ষ্মণন

## নিৰ্বাচনৰ পাছতে পুনৰ কৰ'নাৰ সংহাৰৰ শংকা বৃদ্ধি

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ মাৰ্চ ঃ** নিৰ্বাচনৰ পাছতে কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অসম পুনৰ তলাবন্ধৰ গ্ৰাসত পৰিব নেকি? সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিয়ে সেই আশংকাই প্ৰকট কৰিছে। আজি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক এছ লক্ষ্মণনে সদৰী কৰে যে আঠ পৃষ্ঠাত চাওক

অস্ত্ৰৰ আঘাতত দেহৰক্ষীও আঘাতপ্ৰাপ্ত ■ আক্ৰমণ স্বীকাৰ দুৰ্ৱীৰ

## বিজেপি সমৰ্থকৰ আক্ৰমণত আহত কংগ্ৰেছ প্ৰাৰ্থী সুশান্ত বৰগোহাঁই

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২১ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ থাওৰা সমষ্টিত নিৰ্বাচনী হিংসাত লিপ্ত হ'ল একাংশ বিজেপি কৰ্মী-সমৰ্থক। আজি বিয়লি একাংশ বিজেপি কৰ্মী-সমৰ্থকে চোকা অস্ত্ৰৰে আক্ৰমণ কৰে সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সুশান্ত বৰগোহাঁইক। এই আক্ৰমণত প্ৰাৰ্থী বৰগোহাঁই আৰু তেওঁৰ দেহৰক্ষী আঘাতপ্ৰাপ্ত হয়। এই আক্ৰমণৰ ঘটনা স্বীকাৰ কৰিলেও এই ঘটনাৰ বাবে কংগ্ৰেছ প্ৰাৰ্থীজনকে জগৰীয়া কৰিছে থাওৰাৰ বিধায়ক তথা বিজেপি আঠ পৃষ্ঠাত চাওক

## নেতাৰ মৌ বৰষুণ মাত

### দিল্লী গণ পৰিষদ



**কংগ্ৰেছ** নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী ৰাণা গোস্বামীৰ হৈ জনসভাত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়ত কয়, 'অসম গণ পৰিষদৰ প্ৰতি বিজেপিয়ে অস্তিত্বৰ সংকট নমাই আনিছে। এতিয়া অসমৰ দলটোৱে দিল্লীৰ মতেহে চলে। অসম গণ পৰিষদ নহৈ এতিয়া অসমৰ দলটো হৈ পৰিছে দিল্লী গণ পৰিষদ। অগপৰ হাতীটো বিজেপিৰ আগত ভিজা মেকুৰী হৈ পৰিছে।'

### বিহালীৰ বৰালি

**বিহালীত** নিৰ্বাচনী সভাত চিপিআই (এম-এল)ৰ প্ৰাৰ্থী বিবেক দাসে প্ৰতিদ্বন্দ্বী বিজেপি প্ৰাৰ্থী মন্ত্ৰী ৰঞ্জিত দত্তক উদ্দেশি কয়, 'ৰঞ্জিত দত্ত বিহালীৰ বৰালি মাছ। এটা পুখুৰীত যেনেকৈ বৰালি মাছে আন মাছ খাই পেলায় সেইদৰে ৰঞ্জিত দত্তই বিহালীৰ উন্নয়নৰ টকা খাই খাই বৰালি মাছলৈ পৰিণত হৈছে। এইবাৰ ৰঞ্জিত দত্তৰূপী বৰালি মাছ কাটি মাঘ বিহু পাতিব বিহালীৰ ৰাইজে।'

### সপোনতো আজমল

**যমুনামুখৰ** মোৰাঝাৰত কংগ্ৰেছৰ হৈ প্ৰচাৰ চলাই বদৰুদ্দিন আজমলে কয়, 'এইবাৰ আমাৰ চৰকাৰ হ'লেই টোলগেট বিলোপ কৰা হ'ব, চৰকাৰে পাঁচ লাখক চাকৰি দিব, মই নিজাববীয়াকৈ পাঁচ লাখক চাকৰি দিম। নৰেন্দ্ৰ মোদী আৰু বিজেপিয়ে আজমলক ভয় খাই সপোনতো কেৱল আজমলক দেখে।'

কাক ক'লে প্ৰিয়ংকাই ঃ পলিটিক্স নকৰিবা বন্ধু

## কংগ্ৰেছেহে অসমক প্ৰকৃত অসমীয়াৰ চৰকাৰ দিব



ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

**যোৰহাট/পশ্চিম যোৰহাট/খুমটাই বামুণগাঁও/নাজিৰা, ২১ মাৰ্চ ঃ** 'সমাগত নিৰ্বাচনটো হ'ল অসমৰ ভৱিষ্যত সুৰক্ষাৰ যুদ্ধ। গতিকে এই আঠ পৃষ্ঠাত চাওক

## ভোটৰ লোভত চাহ শ্ৰমিকক মিছা কৈছে ৰাহুল গান্ধীয়ে

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২১ মাৰ্চ ঃ** অসমৰ সমাজখনক দুৰ্বল কৰাৰ বাবে কংগ্ৰেছে বদৰুদ্দিন আজমল নেতৃত্বাধীন আঠ পৃষ্ঠাত চাওক

## ভোট বিচাৰি চিপিএমৰ ২০ টা ন্যূনতম কৰ্মসূচী ঘোষণা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ মাৰ্চ ঃ** ৰাজ্যত গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ চৰকাৰ প্ৰতিষ্ঠাৰ হকে কংগ্ৰেছ নেতৃত্বাধীন আঠ পৃষ্ঠাত চাওক

## গো-মাংস ৰাষ্ট্ৰীয় খাদ্য, কেনেকৈ বন্ধ হ'ব ঃ মুছাহাৰী

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২১ মাৰ্চ ঃ** 'আজমলে গোকাট মিছা কথা কৈ সংখ্যালঘু লোকসকলক আভুৱা ভাৱিছে। আজমলে কোৱাৰ দৰে বিজেপিৰ কাৰ্যকালত আঠ পৃষ্ঠাত চাওক










# হিমন্ত বিশ্ব অসমৰ আটাইতকৈ সাম্প্ৰদায়িক ব্যক্তি

## মোৰাঝাৰত আজমলৰ নিৰ্বাচনী প্ৰচাৰ

অগ্ৰদূত বাৰ্তা
**হোজাই/যমুনামুখ, ২১ মাৰ্চ ঃ** ‘এইবাৰ বিজেপিক গতিয়াই বাহিৰ কৰি ৰাজ্যৰ শাসন ক্ষমতা ল’ব কংগ্ৰেছ মহাজোঁটে। আমাৰ কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ গঠন হ’লেই টোলগেট বিলোপ কৰা হ’ব, মাদ্ৰাছা শিক্ষা প্ৰতিষ্ঠান খোলা হ’ব। চৰকাৰে পাঁচ লাখক চাকৰি দিব। তাৰ সমান্তৰালকৈ মই নিজাববীয়াকৈ পাঁচ লাখক চাকৰি প্ৰদান কৰিম।’ এই ভাষ্য এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলৰ। আজি সমষ্টিটোৰ মোৰাঝাৰ খেলপথাৰত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে এইবাৰ অসমত মহাজোটৰ চৰকাৰ হোৱাটো নিশ্চিত হৈয়ে বিজেপিৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আনকি গৃহমন্ত্ৰী অমিত শ্বাহো শংকিত হৈ উঠিছে। পূৰ্বতে দেখুওৱা আস্থাৰ দৰে এইবাৰো আমাক ভোট দিয়ক বুলি আহ্বান জনাই তেওঁ কয় যে যমুনামুখৰ আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। দলীয় প্ৰাৰ্থী তথা ভ্ৰাতৃ চিৰাজুদ্দিন আজমলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই তেওঁ কয় যে মহাজোঁট বন্ধন চৰকাৰ হ’লে অসমৰ দুটা কাগজ কল পুনৰ মুকলি কৰা হ’ব। এ আই ইউ ডি এফৰ কাৰ্যকৰী সভাপতি তথা প্ৰাক্তন বিধায়ক ডাঃ আদিত্য লাংথাছা, দলীয় প্ৰাৰ্থী চিৰাজুদ্দিন আজমল, এআইইউডিএফৰ যুৱ মৰ্চাৰ সভাপতি জেহিৰুল ইছলাম প্ৰমুখ্যে দলীয় নেতাসকল উপস্থিত থকা সভাত আজমলে নতুনকৈ গঠিত ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদক ন বিজেপি বুলি আখ্যা দিয়ে। ইপিনে, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে নিৰ্বাচনী সভাত আজমল জিকিলে নামঘৰত মুছলমানে নামাজ পঢ়িব বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে তেওঁলোকে নামঘৰ-মন্দিৰ আদিৰ কথা কৈ ফুৰে আৰু আমি চিকিৎসা মহাবিদ্যালয়, বিদ্যালয়-মহাবিদ্যালয় খোলাৰ কথা কৈ আছো। আজমলে হিমন্ত বিশ্ব শৰ্মাক অসমৰ ভিতৰেত আটাইতকৈ সাম্প্ৰদায়িক ব্যক্তি বুলিও কয়। উল্লেখ্য যে হেলিপেট্ৰাৰে নিৰ্বাচনী সভাত উপস্থিত হোৱা আজমলে বিজেপি চৰকাৰৰ বিৰুদ্ধে মুখৰ হৈ পৰে।

**যুৱতী-মহিলাৰ প্ৰয়োজন**

ঘৰত চোৰা-চিতা কৰাৰ বাবে যুৱতী-মহিলাৰ আৰশ্যক। থকা-খোৱাৰ সুবিধা।
(M) 8811872924

**পদ খালী**

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা Free। দৰমহা ৩০,০০০/- টকালৈকে।
Perfect Jobsite
Dispur
98640 20419,
8011007148

**জ্যোতিষ**

১০০% Guarantee সহ আপোনাৰ সমস্যা যিমানে কঠিন নহওক কিয় বা যিমানে জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। D. Sarmah, (M) 80993-36044

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

## শুৱালকুছিৰ পানী যোগান আঁচনিৰ টেংকিত পৰি কিশোৰী ছাত্ৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২১ মাৰ্চ ঃ** ছেলফি উঠিবলৈ গৈ পানী যোগান আঁচনিৰ টেংকিত পৰি এগৰাকী কিশোৰী ছাত্ৰীৰ মৃত্যু হোৱাৰ ঘটনাই শোকৰ ছাঁ পেলাইছে বস্ত্ৰনগৰী শুৱালকুছিত। শুৱালকুছি বসন্তপুৰ নিবাসী নিৰেন কলিতা আৰু দীপালী কলিতাৰ দ্বিতীয় কন্যা তথা শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ উৰ্বশী কলিতা (১৬)ৰ আজি ছেলফি উঠিবলৈ যাওতে এইদৰে মৃত্যু হয়। তথ্য মতে, ছাত্ৰীগৰাকীয়ে আবেলি সমনীয়াৰ স’তে শুৱালকুছিস্থিত বৰলাহ পানী যোগান আঁচনি প্ৰত্যক্ষ কৰিবলৈ উপস্থিত হয়। বিশাল ব্ৰহ্মপুত্ৰৰ নান্দনিক দৃশ্যৰে সুশোভিত পানী যোগান আঁচনিৰ বিভিন্ন স্থানত ফটো উঠাৰ পাছত আঁচনিখনৰ পানীৰ টেংকিৰ ওচৰতো সমনীয়াক এৰি অকলে ছেলফি উঠিবলৈ লওঁতে কেনেবাকৈ পানীৰ টেংকিত পৰি ছাত্ৰীগৰাকীয়ে অকল মৃত্যুক আঁকোৱালি ল’বলগীয়া হয়। ঘটনাৰ পাছতে সমনীয়াই চিঞৰ-বাখৰ কৰাত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয়। লগে লগে শুৱালকুছি অগ্নিনিৰ্বাপক বাহিনী আৰু শুৱালকুছিৰ আৰক্ষীক খবৰ দিয়াত তেওঁলোকে ঘটনাস্থলীত উপস্থিত হৈ অগ্নিনিৰ্বাপক বাহিনীৰ সহযোগত কিশোৰীগৰাকীৰ মৃতদেহ টেংকিৰ পৰা উদ্ধাৰ কৰে। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

## গোৱালপাৰাৰ ৰাভা জাতীয় দদান মেলালৈ ভক্তৰ সোঁত

অগ্ৰদূত বাৰ্তা
**আগিয়া, ২১ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত বায়দাৰ দদান হাচু (পাহাৰ)ত ৰাভাসকলৰ বীৰ ৰজা দদানৰ স্মৰণাৰ্থে শ্ৰীশ্ৰীৰিছি (শিৱ) আশ্ৰিত ৫১ সংখ্যক সাৰ্বজনীন ৰাভা জাতীয় দদান মহামেলা কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। লোকবিশ্বাস অনুসৰি দদান হাচু (পাহাৰ)ত ভক্তি সহকাৰে সেৱা আগবঢ়ালে ভক্তৰ মনোবাঞ্ছা পূৰ্ণ হয়। ফলত বিভিন্ন জাতি জনগোষ্ঠীৰ লোকেৰে দদান মেলাথলি লোকাৰণ্য হৈ পৰে। আজি দ্বিতীয়দিনা অগণন ভক্তৰে দদান হাচু ঠাহ খাই পৰিছে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়, পশ্চিমবংগৰ পৰাও আগমন ঘটা ভক্তৰ উপস্থিতিয়ে দদান মেলাক সম্প্ৰীতি আৰু সমন্বয়ৰ মিলনভূমিত পৰিণত কৰা বুলি কয় দদান থান পৰিচালনা কমিটীৰ সভাপতি নিষ্টোমোহন ৰাভা আৰু উপদেষ্টা দুৰ্যোধন ৰাভাই। উল্লেখ্য যে দদান ৰজাৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে ১৯৭১তে বায়দাত অৱস্থিত উক্ত পাহাৰখনক দদান হাচু (পাহাৰ) বুলি নামকৰণৰ লগতে তেতিয়াৰে পৰা প্ৰতিবছৰে ফাগুনৰ শুক্লা অষ্টমীৰ পৰা পাঁচদিনীয়াকৈ দদান মহামেলা অনুষ্ঠিত হৈ আহিছে। ২০ মাৰ্চৰ পৰা আৰম্ভ হোৱা দদান মহামেলাৰ ২৪ মাৰ্চত সামৰণি পৰিব। প্ৰতিদিনে মাংগলিক পূজা অৰ্চনাৰ লগতে বিভিন্ন প্ৰতিযোগিতামূলক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

## বকোত পশ্চিম কামৰূপ আঞ্চলিক যোগী সন্মিলনৰ উদ্যোগত জাতীয় অভিৰ্ৱতন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**বকো, ২১ মাৰ্চ ঃ** জাতীয় ঐক্য, সংহতি আৰু সমাজৰ সামগ্ৰিক উত্তৰণৰ ক্ষেত্ৰত সু-শৃংখল তথা গঠনমূলক দৃষ্টিৰে আগুৱাই যোৱাৰ মানসেৰে জন্ম হোৱা পশ্চিম কামৰূপ আঞ্চলিক যোগী সন্মিলনৰ ‘জাতীয় অভিৰ্ৱতন’ৰ আজি সফল সামৰণি পৰে। কালিৰে পৰা আৰম্ভ হোৱা জাতীয় অভিৰ্ৱতনৰ আজি মুকলি সভাত সভাপতি মৃণাল কুমাৰ নাথে বক্তব্যত কয়, ‘২০০৪ত স্ব-জাতীয় কিছুসংখ্যক চিন্তাশীল, দূৰদৰ্শী, সমাজহিতৈষী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টা, ত্যাগ আৰু শ্ৰমৰ বিনিময়ত জন্ম হৈছিল। পশ্চিম কামৰূপ আঞ্চলিক যোগী সন্মিলনৰ জাতীয় অভিৰ্ৱতনৰ যোগেদি জাতিটোৰ সৰ্বাংগীণ উন্নয়ন ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, বৌদ্ধিক, শৈক্ষিক দিশত উত্তৰণ বিচাৰি জাতিটোৰ স্বাভিমান আৰু গৌৰৱ অক্ষুণ্ণ ৰখাৰ বাবে সৎভাৱ সন্মিলিতভাৱে আগবাঢ়ি যাব পাৰে।’ মুকলি সভাত সদৌ অসম নাথ যোগী ছাত্ৰী সন্থাৰ সম্পাদক যোগী অৰবিন্দ নাথ, যোগী সন্মিলনৰ সভাপতি মৃণাল কুমাৰ নাথ, জাতীয় অভিৰ্ৱতনৰ উদ্‌যাপন সমিতিৰ সভাপতি দিলীপ কুমাৰ নাথ, বিশিষ্ট অতিথি ধীৰেন নাথকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণ প্ৰদান কৰে। মুকলি সভাৰ পূৰ্বে শিক্ষকসকলক সম্বৰ্ধনা জনোৱা হয়। পশ্চিম কামৰূপ আঞ্চলিক যোগী সন্মিলনীৰ অন্তৰ্গত পৰীক্ষাৰ্থীসমূহৰ ২০২১ৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পৰীক্ষাৰ্থীক সম্বৰ্ধনাৰ বিশেষ কাৰ্যসূচীৰো আয়োজন কৰা হয়।

## পাটাছাৰকুছি সংকুলৰ পদাধিকাৰী সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা
**টিহু, ২১ মাৰ্চ ঃ** টিহুৰ আগশাৰীৰ অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান শংকৰদেৱ শিশু-বিদ্যা নিকেতনত আজি পাটাছাৰকুছি সংকুলৰ পদাধিকাৰী সন্মিলন সম্পন্ন হয়। পাটাছাৰকুছি সংকুলৰ সংকুল প্ৰমুখ ভূপেন কলিতাই সঞ্চালনা কৰা আৰু টিহুৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য প্ৰাণকৃষ্ণ পাঠকে উদ্দেশ্য ব্যাখ্যা কৰা, আঁত ধৰা সভাত জালাহ শংকৰদেৱ শিশু নিকেতন, পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতন, নিত্যানন্দ শিশু নিকেতন, চৌখুটি শিশু নিকেতন, টিহু শংকৰদেৱ শিশু নিকেতনৰ বিষয়ববীয়া-পদাধিকাৰীসকলে অংশগ্ৰহণ কৰা সন্মিলনখনত অসম শিশু শিক্ষা সমিতিৰ উপ-সভাপতি ড° ৰমানন্দ দাস, সাধাৰণ সম্পাদক কুলেন্দ্ৰ কুমাৰ ভাগৱতী, কাৰ্যালয় সহ সচিব মাধৱ কলিতা, পূৰ্ণকালীন সদস্য ৰিংকু কলিতা, বঙাইগাঁও বিভাগৰ বিভাগ নিৰীক্ষক ভাস্কৰ দাস, টিহু শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ প্ৰশাসনিক বিষয়া ভৱেশ চন্দ্ৰ দাসে নিকেতনৰ কাৰ্যপন্থা নিয়ম আদিৰ বিষয়ে বক্তব্য দিয়ে। নিকেতনৰ প্ৰাৰ্থনা আৰু ভক্তি বন্দনাৰে আৰম্ভ কৰা সন্মিলনৰ আৰম্ভণিতে নিকেতনৰ পতাকা উত্তোলন কৰে মুখ্য প্ৰশাসনিক বিষয়া ড° ৰমানন্দ দাসে আৰু বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী মুকলি কৰে প্ৰশাসনিক বিষয়া ভৱেশ চন্দ্ৰ দাসে। টিহুৰ বৌদ্ধিক মহলৰ কে’বাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰা সভাখনৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় টিহুৰ শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ উপ-প্ৰধান আচাৰ্য অৰূপ শৰ্মাই।

## লক্ষীপুৰত আৰক্ষী প্ৰশাসনৰ নিৰ্বাচনকেন্দ্ৰিক সভা

অগ্ৰদূত বাৰ্তা
**লক্ষীপুৰ, ২১ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচনকেন্দ্ৰিক আইন-শৃংখলা কোনো কাৰণতে যাতে উলংঘন নহয়, তাৰে প্ৰতি লক্ষ্য উদ্দেশ্য আগত ৰাখি গোৱালপাৰাৰ লক্ষীপুৰ আৰক্ষী থানা প্ৰাংগণত আজি অনুষ্ঠিত হয় এখন গুৰুত্বপূৰ্ণ সভা। সভাত বিশেষকৈ জিলাখনৰ সীমান্তৱৰ্তী অঞ্চলবিলাকত নিৰাপত্তাজনিত দিশৰ গুৰুত্ব দিয়ে। নিৰ্বাচনী প্ৰক্ৰিয়া যাতে সুস্থ আৰু নিকাভাৱে সম্পন্ন হয় তাক লৈও বিশেষ আলোচনা কৰে। গোৱালপাৰা জিলা উপ-আৰক্ষী অধীক্ষক অমিতাভ বসুমতাৰী আৰু আৰক্ষী পৰ্যবেক্ষকৰ উপস্থিতিত অনুষ্ঠিত সভাত ফকিৰগঞ্জ আৰক্ষী চক্ৰ বিষয়া তথা দক্ষিণ শালমাৰা আৰক্ষী থানাৰ আৰক্ষী বিষয়া অতুল ৰায় প্ৰধানী, লক্ষীপুৰ আৰক্ষী বিষয়া তিলক চন্দ্ৰ ৰয়, ফকিৰগঞ্জ আৰক্ষী থানাৰ আৰক্ষী বিষয়া ৰাম ৰাও, মেঘালয়ৰ টিক্ৰিকিল্লা আৰক্ষী থানাৰ আৰক্ষী বিষয়া, জলেশ্বৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়া, ধুমেৰঘাট আৰু ৰংছাই আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আদি উপস্থিত থাকে।

## বঙাইগাঁৱত মহিলা ভোটগ্ৰহণকাৰী বিষয়াক বিশেষ প্ৰশিক্ষণ প্ৰদান

অগ্ৰদূত ব্যুৰ’
**বঙাইগাঁও, ২১ মাৰ্চ ঃ** বঙাইগাঁও বিধানসভা সমষ্টিৰ নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলা প্ৰশাসনে তীব্ৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। সেই মৰ্মে যোৱা ২০ মাৰ্চত নিৰ্বাচনৰ প্ৰশিক্ষণ কোষৰ জৰিয়তে বঙাইগাঁও বীৰঝৰা কন্যা মহাবিদ্যালয়ত নিৰ্বাচনৰ বাবে নিযুক্তি প্ৰদান কৰা ৬৩ গৰাকী মহিলা ভোট গ্ৰহণকাৰী বিষয়াক ইলেক্ট্ৰনিক ভোটিং মেচিন আৰু ভি ভি পেটৰ ব্যৱহাৰকে ধৰি যাৱতীয় দিশ সামৰি বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই মহিলা প’লিং কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে জিলা তথ্য বিষয়া বিজয় মজুমদাৰ আৰু অন্যান্য মুখ্য প্ৰশিক্ষকে। ক’ভিড-১৯ৰ প্ৰট’কল অনুসৰি প্ৰশিক্ষণস্থলী চেনিটাইজেছন কৰাৰ লগতে প্ৰৱেশ পথত প্ৰশিক্ষাৰ্থীসকলক থাৰ্মেল স্কেনিং কৰোৱা আৰু সকলোকে মাস্ক চেনিটাইজাৰ প্ৰদান কৰা হয়।

## অসমত বিজেপিৰ ‘অন্দৰ ম্যে কুচ কালা হ্যে’ ঃ হাগ্ৰামা

অগ্ৰদূত বাৰ্তা
**গহপুৰ, ২১ মাৰ্চ ঃ** ‘অসমত বিজেপিৰ ভিতৰত কিবা এটা হৈ আছে, অন্দৰ ম্যে কুচ কালা হ্যে। সেইবাবেই প্ৰধানমন্ত্ৰী মোদীকে ধৰি একাধিক কেন্দ্ৰীয় মন্ত্ৰী অসমলৈ সঘনাই আহি আছে। কোটি কোটি টকা খৰচ কৰি বাৰে বাৰে অসমলৈ অহা এইসকল নেতাই অসমৰ সমস্যা কি বুজি পাব? অসমৰ সমস্যা আমিহে বুজি পাম।’ আজি গহপুৰত এই মন্তব্য কৰিলে হাগ্ৰামা মহিলাৰীয়ে।

### গহপুৰত ৰিপুন বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ

বিপিএফৰ সভাপতিজনে আজি গহপুৰৰ উত্তৰাঞ্চলৰ বড়ো অধ্যুষিত অঞ্চলত মহাজোঁটৰ প্ৰাৰ্থী তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। খেৰগেটৰ সমীপৰ জাহাজ ফিল্ডত অনুষ্ঠিত সভাখনত বিপুল সংখ্যক লোকৰ উপস্থিতিত মহিলাৰীয়ে এইবাৰ অসমত কংগ্ৰেছৰ নেতৃত্বত মহাজোঁটৰ চৰকাৰ হ’ব বুলি দাবী কৰে।

বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্যজনে নিজৰ ভাষণত বিজেপিৰ ১০০+ৰ শ্ল’গানক কটাক্ষ কৰি কয়, ‘বিজেপিৰ প্লাছ নহয়, মাইনাছহে হ’ব।’ আনহাতে, বিজেপিয়ে এইবাৰ মাত্ৰ ৩০খন আসনহে লাভ কৰিব বুলি মহিলাৰীয়ে দাবী কৰে। তেওঁ কয়, ‘৩০খন আসন লৈ বিজেপিয়ে কেনেকৈ চৰকাৰ বনাব? কংগ্ৰেছ প্লাছ হৈ আছে, বিজেপি মাইনাছ হৈ আছে।’ মহিলাৰীয়ে লগতে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো কটাক্ষ কৰি কয়, ‘হিমন্ত বিশ্ব শৰ্মাক ৰাজনীতিৰ দীক্ষা দিয়া মানুহ মই, জিন্দেগীত চিএম নহয়। ময়েই হোৱা নাই। গুৰু আগত হ’ব, শিষ্য পিছতহে হয়।’ গহপুৰৰ নিৰ্বাচনী ৰাজনীতিৰ প্ৰসংগত মহিলাৰীয়ে পুনৰ মন্ত্ৰী ড° শৰ্মাক প্ৰত্যাহ্বান জনাই কয়, ‘হিমন্ত পাঁচবাৰ আহক, মই এবাৰ আহিয়েই ঠিক কৰি যাম।’ বিজেপিয়ে দুৰ্নীতি কৰিছে, ব্যক্তিগতকৰণ কৰি সকলো বস্তুৰ দাম বঢ়াল বুলি মন্তব্য কৰি বিপিএফৰ সভাপতিজনে পুনৰ কয়, ‘এনে চৰকাৰ আমাক নালাগে।’ গহপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী বৰাক ভোট দিবলৈ ৰাইজক আহ্বান জনাই মহিলাৰীয়ে কয় যে বিজেপি চৰকাৰে অসমৰ ৰাইজক কথা দি কথা ৰখা নাই।

আনহাতে, সভাৰ আদৰণি ভাষণত প্ৰাৰ্থী বৰাই কয়, ‘কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা আইন অনুসৰি ২০০৬ত কংগ্ৰেছ চৰকাৰে গহপুৰৰ উত্তৰাঞ্চলৰ ৰাইজক মাটি পট্টা দিয়াৰ পদক্ষেপ গ্ৰহণ কৰে। সেই অনুসৰি গহপুৰৰ উত্তৰাঞ্চলৰ আঠ হেজাৰ পৰিয়ালক ভূমি পট্টন দিয়া হয় আৰু তিনি হেজাৰ পাঁচশ পৰিয়ালক পট্টা দিয়াৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হয়। যদিও পৰৱৰ্তী সময়ত বিজেপিৰ চৰকাৰ অহাত ভূমি পট্টনৰ কাম স্থবিৰ হৈ পৰে।’ বিজেপিয়ে কিয় গহপুৰৰ উত্তৰাঞ্চলৰ ৰাইজক ভূমি পটা নিদিলে বুলি প্ৰশ্ন কৰি বৰাই লগতে কয় যে মহাজোঁট চৰকাৰে এইসকল লোকক ভূমিৰ পট্টা প্ৰদান কৰিব। বিজেপিক ব্ৰিটিছৰ স’তে তুলনা কৰি বৰাই কয় যে ব্ৰিটিছৰ দৰে বিজেপিয়েও বিভাজনৰ নীতিৰে শাসন কৰিব বিচাৰিছে। আনহাতে, বিপিএফৰ সভাপতি মহিলাৰীয়ে মহাজোঁটত চামিল হৈ সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱা বুলিও বৰাই মন্তব্য কৰে।

## ষ্টেটিক ছাৰ্ভিলেন্স টীম-ফ্লাইং স্কোৱাডৰ বিষয়াৰে নিৰ্বাচন পৰ্যবেক্ষকৰ সভা

অগ্ৰদূত বাৰ্তা
**উত্তৰ গুৱাহাটী, ২১ মাৰ্চ ঃ** কামৰূপ নিৰ্বাচন জিলাৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত নিৰ্বাচন পৰ্যবেক্ষক চাৰিগৰাকীয়ে আজি সমষ্টিকেইটাৰ ষ্টেটিক ছাৰ্ভিলেন্স টীম আৰু ফ্লাইং স্কোৱাডৰ বিষয়াসকলৰ স’তে আলোচনাত মিলিত হয়। কামৰূপ জিলা উপায়ুক্তৰ নৱনিৰ্মিত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত ৪৮ নম্বৰ বকো (অনুসূচিত জাতিৰ বাবে সংৰক্ষিত) বিধানসভা সমষ্টিৰ নিৰ্বাচন পৰ্যবেক্ষক পবিত্ৰ মণ্ডল, ৪৯ নম্বৰ ছয়গাঁও সমষ্টিৰ পৰ্যবেক্ষক ড° মিত্ৰা টি, ৫০ নম্বৰ পলাশবাৰী সমষ্টিৰ পৰ্যবেক্ষক দয়ানন্দ মিশ্ৰ আৰু ৫৫ নম্বৰ হাজো সমষ্টিৰ পৰ্যবেক্ষক ড° চন্দ্ৰশেখৰ কুমাৰৰ লগতে কামৰূপ জিলাৰ জিলা নিৰ্বাচন বিষয়া তথা উপায়ুক্ত কৈলাশ কাৰ্তিক এন উপস্থিত থাকে। সভাৰ আৰম্ভণিতে জিলা নিৰ্বাচন বিষয়া কৈলাশ কাৰ্তিক এনে কয় যে নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ দিনৰে পৰা নিৰ্বাচন জিলাখনৰ অন্তৰ্গত চাৰিটা সমষ্টিতে নিৰ্বাচন আচৰণ বিধি বলবৎ হৈছে আৰু কোনো ক্ষেত্ৰত যাতে আচৰণ বিধি উলংঘন নহয় তাৰ প্ৰতি প্ৰশাসনে তীক্ষ্ণ দৃষ্টি ৰাখিছে। নিৰ্বাচন পৰ্যবেক্ষককেইগৰাকীয়ে সভাত উপস্থিত থকা ষ্টেটিক ছাৰ্ভিলেন্স টীম আৰু ফ্লাইং স্কোৱাডৰ বিষয়াসকলৰ কাম-কাজৰ বুজ লয় আৰু নিৰ্বাচন জিলাখনত নিৰ্বাচন আয়োগৰ আদৰ্শ আচৰণ বিধি কঠোৰভাৱে বলবৎ হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে আৰু এই ক্ষেত্ৰত যাতে সৰ্বসাধাৰণ ৰাইজ কোনো কাৰণতে হাৰাশাস্তিৰ সন্মুখীন হ’বলগীয়া নহয় তাৰ প্ৰতি বিশেষ নজৰ দিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। চিভিজিল এপৰ ব্যৱহাৰৰ ওপৰত সজাগতা সৃষ্টিত নিৰ্বাচন পৰ্যবেক্ষকসকলে গুৰুত্ব আৰোপ কৰে। সভাত অতিৰিক্ত উপায়ুক্ত প্ৰণৱদত্ত গোস্বামীকে ধৰি জিলা প্ৰশাসনৰ কে’বাগৰাকীও বিষয়া উপস্থিত থাকে।

## প্ৰাক্তন মন্ত্ৰী অজন্তাৰ কৰ’না পজিটিভ-নিগেটিভ

বিশেষ সংবাদদাতা
**গোলাঘাট, ২১ মাৰ্চ ঃ** প্ৰাক্তন মন্ত্ৰী তথা গোলাঘাট বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী অজন্তা নেওগে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ সময়তে ক’ভিডত আক্ৰান্ত হোৱাৰ বাতৰিয়ে প্ৰাৰ্থীগৰাকীৰ লগতে দলৰ আভ্যন্তৰত আজি হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰে। বোকাখাতত প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীত অংশগ্ৰহণৰ পূৰ্বে তেওঁক যোৱা ১৯ মাৰ্চত ক’ভিডৰ পৰীক্ষাৰ বাবে স্বাস্থ্য বিভাগে নমুনা সংগ্ৰহ কৰাৰ পাছত যোৱা নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ লেবৰেট’ৰীৰ দ্বাৰা প্ৰেৰণ কৰা পৰীক্ষাৰ প্ৰতিবেদনত ক’ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰে। ইয়াৰ পাছতেই নেওগ আজি ততাতৈয়াকৈ গুৱাহাটীলৈ ৰাওনা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ক’ভিড পৰীক্ষাগাৰত আজি দিনৰ প্ৰায় চাৰি বজাত পৰীক্ষাৰ বাবে নমুনা সংগ্ৰহ কৰাৰ পাছত অৱশ্যে ক’ভিডমুক্ত বুলি নিশ্চিত কৰে।

## নিৰ্বাচন সন্দৰ্ভত বাইহাটা চাৰিআলিৰ থানা গাঁওৰক্ষী বাহিনীৰ সজাগতামূলক সভা

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২১ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচন সন্দৰ্ভত বাইহাটা চাৰিআলি থানা গাঁওৰক্ষী বাহিনীৰ সজাগতামূলক সভা এখন আজি অনুষ্ঠিত হয়। ঐতিহাসিক পিংগলেশ্বৰ দেৱালয় প্ৰাংগণত বাইহাটা চাৰিআলি থানা উপদেষ্টা সমিতিৰ সভাপতি যতীন কলিতাই সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাখনত কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, বাইহাটা চাৰিআলি চক্ৰ আৰক্ষী পৰিদৰ্শক লোকনাথ ডেকা উপস্থিত থাকি গাঁওৰক্ষী বাহিনীৰ সদস্যসকলক পৰামৰ্শ আগবঢ়ায়। উক্ত সভাত সমাগত নিৰ্বাচনত গাঁওৰক্ষী বাহিনীৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বক্তব্য আগবঢ়াই বাইহাটা চাৰিআলি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰূপম হাজৰিকা আৰু থানা উপদেষ্টা সমিতিৰ সম্পাদক জগদীশ ডেকাই।

## আজিৰ দিনটো


কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**৮ চ’ত সোমবাৰ ২২ মাৰ্চ**

**সূৰ্যোদয় ঃ** ঘঃ ৫ ।৩০ ।২১, **সূৰ্যাস্ত ঃ** ঘঃ ৫ ।৩০ ।২১। **তিথি ঃ** শুক্লা নৱমী, দং ৫৯ ।৫১ ।২২ শেষ ৰাঘঃ, ৫ ।২৬ ।৫৩। **নক্ষত্ৰ ঃ** আদ্ৰা, দং ৩২ ।৫০ ।৪৭ সঘঃ ৬ ।৩৮ ।৪০। **যোগ ঃ** সৌভাগ্য, দং ৯ ।৫২ ।১ ঘঃ ৯ ।২৭ ।৯। **কৰণ ঃ** বালৱ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, মনুষ্যগণ, সাপৰ অস্থি, মহেন্দ্ৰযোগ, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী ৰাহুৰ দশা, সঘঃ ৬ ।৩৮ ।৪০ যোৱাত দেৱগণ, বৰাহৰ অস্থি, বিংশোত্তৰী বৃহস্পতিৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া কান্তা যোগ, মতান্তৰে ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** নাই, সঘঃ ৬ ।৩৮ ।৪০ যোৱাত দ্বিপদ। **যোগিনী ঃ** পূৰত, শেষ ৰাঘঃ ৫ ।২৬ ।৫৩ যোৱাত উত্তৰত। **যাত্ৰা ঃ** নাই, ৰিক্তাদি দোষ, শেষ ৰাঘঃ ৫ ।২৬ ।৫৩ যোৱাত শুভ অমৃতযোগ পূৱত নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** লাও, শেষ ৰাঘঃ ৫ ।২৬ ।৫৩ যোৱাত কলমৌ খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** প্ৰিয় লোকৰ কোনো কথাত সন্তুষ্ট নহ’ব। দুই ধৰণৰ চিন্তাই আপোনাৰ কৰ্মত আহুকালৰ সৃষ্টি কৰিব। শৰীৰৰ প্ৰতি নজৰ ৰাখক। পিছে অপেক্ষা কৰা কোনো সংবাদত সুখ। শুভ ৰং বেঙুনীয়া।
**বৃষ ঃ** আৰ্থিক আমদানিৰ লগতে খৰচৰ পথো মুক্ত থাকিব। কৰ্মৰ ওপৰত বিশ্বাস থাকিব। কোনো কাৰণে বিৰক্ত ভাব আহিব পাৰে। সন্তানৰ ভালেই। সন্তান সম্ভৱাৰ কন্যা সন্তান লাভৰ যোগ। শুভ ৰং নীলা।
**মিথুন ঃ** সাধাৰণ খং-ৰাগ। কিন্তু উন্নত পৰিৱেশক সিয়ে ক্ষতি নকৰিব। প্ৰেম প্ৰীতিত মধ্যম আবেগ বৃদ্ধি। দৰকাৰী কামৰ বাবে কোনোৱে কৰা চেষ্টাত সফল হ’ব। শুভ ৰং আকাশী নীলা।
**কৰ্কট ঃ** শৰীৰৰ প্ৰতি যত্ন লোৱাটো দংকাৰ বিদ্যাৰ্থীৰ মধ্যম। ক্ষীপ্ত পৰিৱেশ আৰম্ভণিৰ সম্ভাৱনা হ’লেও প্ৰকট নহ’ব। বন্ধু-বান্ধৱৰ পৰা উৎসাহ। কিন্তু তেওঁলোকৰ ওপৰত নিৰ্ভৰ নকৰাই ভাল। শুভ ৰং বগা।
**সিংহ ঃ** বিদ্যালাভত বাধা কম। ধৈৰ্যৰে প্ৰতিকূল বিষয়া নিয়ন্ত্ৰণৰ চেষ্টা কৰক। ভ্ৰমণাদিত কষ্ট হ’লেও শুভ। পিতৃৰ কথাত নিৰুৎসাহ। শৰীৰ বৰ ভালেৰে যোৱা টান। নতুন সংবাদত আনন্দ। শুভ ৰং ক্ৰীম।
**কন্যা ঃ** শাৰীৰিকত বিশেষ দুৰ্ভাৱনা নাই। আনৰ কথাত অসন্তুষ্টি প্ৰকাশ। আত্মীয়ৰ সংগ লাভ। বিদ্যাত বেয়া নহ’ব। শুভ ৰং ক’লা।
**তুলা ঃ** সদায় স্বাৱলম্বিতা আপুনি পছন্দ কৰিব, কিন্তু সময়ে তাক উৎসাহিত নকৰিব। বাধ্য হৈ আনৰ সহানুভূতিৰ কথা বিবেচনা কৰিব লাগিব। আৰ্থিকত চিন্তিত। খৰচৰ মাত্ৰা বৃদ্ধি। ব্যস্ততা। শুভ ৰং কমলা।
**বৃশ্চিক ঃ** কেতু, মংগল, শুক্ৰ, ৰবি যাৰ জীৱনত শুভ তেওঁৰ দিনটোত বেছি আহুকাল নাই। কিন্তু সামগ্ৰিক দৃষ্টিত আহুকাল সামান্য হ’লেও থাকিব। শৰীৰ মধ্যম। বিদ্যাত মধ্যম। শুভ ৰং নীলা।
**ধনু ঃ** স্বাৰ্থৰ বাহিৰত থকালৈ আপোনাৰ অহৈতুক অবিশ্বাস হ’ব। দৰিদ্ৰ নাৰায়ণৰ প্ৰতি চিন্তা থাকিলেও কিছু সন্দেহ মনত লাগি থাকিব। দাম্পত্য, সন্তান আদিৰ লগত মধ্যম প্ৰভাৱ। অৰ্থ লাভ। শুভ ৰং হালধীয়া।
**মকৰ ঃ** মধ্যম হ’লেও সাৱধানেৰে দিনটো পাৰ কৰক। খৰচ পাতিৰ লগত কোনোৰ বাবে মনত দুখ বা অযথা কৰ্মত সময় অপব্যয় হ’ব। বিদ্যাত জটিলতা নাপায়। কৰ্মাদিও অযথা মন্থৰতা। শুভ ৰং ৰঙা।
**কুম্ভ ঃ** ইচ্ছাকৃত কথাত কিবা বাধা পাব শৰীৰৰ অথন্তৰো দেখা যায়। ব্যৱসায় বাণিজ্যত বেয়া দেখা নাযায়। শুভ ৰং সেউজীয়া।
**মীন ঃ** শৰীৰৰ উত্তাপ হ’লেও ভয়ৰ বিশেষ নাই। খং-ৰাগ বৃদ্ধি পাব পাৰে। অৱশ্যে প্ৰাপ্য ধন পোৱাৰ সম্ভাৱনা থাকিব। শুভ ৰং বেঙুনীয়া।

## শব্দ-বেহু ঃ ২২ মাৰ্চ ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
১। অলস,এলেহুৱা (৩)
৩। গণিত শাস্ত্ৰৰ এটা পাঠ, বাবে বাৰে হোৱা গুণ (৬)
৫। দিনাংক, কোনো এটা দিনৰ সংখ্যাত প্ৰকাশ কৰা ৰূপ (৩)
৬। ৰসপূৰ্ণ, আমোদ লগা (৩)
৮। কাচত ৰূপৰ প্ৰলেপ সানি দাপোন প্ৰস্তুত কৰা কাৰ্য্য (৪)
১২। কোনো ক্ষেত্ৰৰ চাৰিসীমাৰ দৈৰ্ঘ্য, সৰ্ব্বোচ্চ সীমা (৪)
১৪। চকুৰ পৰা ওলাই কোণত জমা হৈ থকা বগা মলি (৪)
১৬। স্বাস্থ্যৱান আৰু বলী, সবল শৰীৰৰ অধিকাৰী (৪)
১৮। খন্দা কাৰ্য্য (৩)
২০। মৃত্যুৰ তৃতীয় দিনা মৃতকৰ উদ্দেশ্যে তিল-জল আদি দি কৰা আনুষ্ঠানিকতা (৩)
২১। কোনো বিষয় বা কাৰ্য্যসূচীৰ বিষয়ে সৰ্বসাধাৰণক জনাবলৈ যুগুত কৰা কাকত (৩-৩)
২২। আহত, ঘাইল, আঘাত প্ৰাপ্ত, ঘুণীয়া (৩)

**থিয়কৈ ঃ**
১। ককাই-ভাই, একে মাতৃৰ সন্তান (৩)
২। অধোলোক, পৃথিৱীৰ তলৰ এখন জগত (৩)
৩। অলংকাৰত খটোৱা মূল্যৱান আৰু উজ্জ্বল পাথৰ (৩)
৪। গ’ৰু-ম’হৰ খুঁটি, বহুতো গৰু-ম’হ আদি বন্ধা ঠাই (৩)
৭। সাপৰ ফেঁটৰ নিচিনা সিজুজাতীয় এবিধ কাঁইটীয়া সৰু গছ (৫)
৯। জোখ-মাখ, মাটিৰ পৰিমাণ নিৰ্ণয় (৩)
১০। তিনিটাকৈ কোঁহ থকা টেঙা-মিঠা স্বাদৰ এবিধ সৰু ফল (৩)
১১। দীক্ষান্ত, দীক্ষাৰ অন্তত পতা অনুষ্ঠান (৫)
১৩। জয় লাভৰ বাবে ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাত জালিয়তিৰ আশ্ৰয় লোৱা কাৰ্য্য (৩)
১৫। গোপনে উৱাদিহ ল’বলৈ নিযুক্ত কৰা লোক (৩)
১৬। শিল, প্ৰস্তৰ, মানুহে মূল্যৱান জ্ঞান কৰা ধাতৰ অলংকাৰ (৩)
১৭। সৰু লতা, সৰু লতা জাতীয় উদ্ভিদ (৩)
১৮। আকৰিক, মাটিৰ তলৰ পৰা আহৰণ কৰা পদাৰ্থ (৩)
১৯। কোমল, ঢিলা (৩)

**উত্তৰ অহা সংখ্যাত**

**২১ মাৰ্চ ২০২১ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। কলহ ৩। ভকতি ৫। ৰমা ৭। বিচাৰ ৮। লাদ ১০। জুৱাৰী ১১। ডাক ১২। মল ১৪। হজ ১৫। কাম ১৬। হৰ ১৭। দাম ১৯। লাহী ২১। গম ২২। লাচাৰ ২৪। ৰাস ২৬। মালিচ ২৭। ভাজ ২৯। নক্ষত্ৰ ৩০। মাৰক
**থিয়কৈ ঃ** ১। কমলা ২। হক ৩। ভৰ ৪। তিলক ৬। মাজু ৭। বিৰীয়া ৯। দম ১১। ডালিম ১৩। লহৰ ১৫। কামলা ১৬। হজম ১৮। খালাচ ২০। হীৰা ২১। গমন ২৩। ৰভা ২৫। সমাক ২৬। মাত্ৰ ২৮। জমা

**ভাৰতীয় ৰিজাৰ্ভ বেংক**
**RESERVE BANK OF INDIA**
www.rbi.org.in

**অসম চৰকাৰৰ 10 বছৰীয়া প্ৰতিভূতি জমা (Security) ৰ নিলাম**

অসম চৰকাৰে মুঠ প্ৰায় ₹ 630.00 কোটি টকাৰ (প্ৰত্যক্ষ মুল্য) ৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবাৰাইছে।
অহা 23 মাৰ্চ 2021 তাৰিখ মঙ্গলবাৰে বহু তৰপীয়া মূল্যৰ প্ৰ-পত্ৰৰ অধীনত এই মূল্য উদভূত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ‘ক’ৰ বেংকিং চল্যুচন’ (E-Kuber) ত অনুষ্ঠিত হ’ব।
অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবচাইট www.rbi.org.in ত 18 মাৰ্চ 2021 (বৃহস্পতিবাৰ) তাৰিখে প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

“ধনৰ প্ৰতিশ্ৰুতি দি আপোনালৈ অহা ই-মেইল / এচএমএচ / ফোন কল আদিৰ দ্বাৰা ঠগ নেখাব”

Format C-1

Declaration about criminal cases
(As per the judgment dated 25th September, 2018, of Hon’ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation &Ors. Vs. Union of India & Anr.)

Name and address of candidate: **Sri Atul Bora**
**S/o Late mehuram Bora**
**Moh-Maiki Gaon, Ward No. -5, Mouza Bokakhat**
**P.O. & P.S. – Bokakhat**
**Dist. Golaghat, Pin – 785612**
Name of political party: **ASOM GANA PARISHAD**
Name of Election : **Assam Legislative Assembly Election, 2021**
*Name of Constituency: **93, Bokakhat Legislative Assembly Constituency of Assam**

I, **Sri Atul Bora**, a candidate for the abovementioned election, declare for public information the following details about my criminal antecedents:

(A) Pending criminal cases

| Sl. No. | Name of Court | Case No. and dated | Status of case(s) | Section(s) of Acts concerned and brief description of offence(s) |
|---|---|---|---|---|
| 1. | FIR at Dispur Police Station, Dispur, Guwahati, Assam | Dispur P.S. Case No. 263/2017 dated- 03.03.2017 | Pending under Investigation | Under Section 409 of Indian Penal Code<br><br>Lodging false FIR allegeding criminal Branch of Trust |

(B) Details about cases of conviction for criminal offences

| Sl.no. | Name of Court & date(s) of order(s) | Description of offence(s) & punishment imposed | Maximum Punishment Imposed |
|---|---|---|---|
| | NIL | NIL | NIL |

*In the case of election to Council of States or election to Legislative Council by MLAs, mention the election concerned in place of name of constituency.

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ মাৰ্চ, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## কংগ্ৰেছৰ টিকট বঞ্চিত দিগন্ত ৰাভাৰ জে ডি ইউৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা



**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অনুষ্ঠিতব্য দুধনৈ বিধানসভা সমষ্টিৰ প্ৰেক্ষাপট দিনক দিনে সলনি হৈছে। কেইদিনমান আগলৈকে এইবাৰ কংগ্ৰেছ-বিজেপিৰ মাজতেই মূল যুঁজ হ'ব বুলি চৰ্চা হৈছিল। এতিয়া প্ৰেক্ষাপট সলনি হৈছে। কাৰণ কংগ্ৰেছৰ তিনিজন প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে দল ত্যাগ কৰি দলটোৰ খহনীয়া আৰম্ভ কৰিছে। ইয়াৰে দুগৰাকী প্ৰাৰ্থী আছিল প্ৰাক্তন মন্ত্ৰী প্ৰণয় ৰাভা আৰু অসম প্ৰদেশ *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



## আজাৰাত অপগৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২১ মাৰ্চ ঃ** পশ্চিম গুৱাহাটীত নিবনুৱা সমস্যা সমাধানৰ বিষয়টো অগ্ৰাধিকাৰ দিয়াৰ প্ৰতিশ্ৰুতিৰে আজি আজাৰাৰ ৰাণী গেটত এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। অগপৰ নিৰ্বাচনী কাৰ্যালয়টো মুকলি কৰি কলিতাই এইবেলি পশ্চিম গুৱাহাটী সমষ্টিত কে'বাগৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাৰ বাবে নিৰ্বাচনী যুঁজত নামিছে যদিও মূল যুঁজখন মিত্ৰজোঁট আৰু মহাজোঁটৰ মাজতে হ'ব বুলি উল্লেখ কৰে। পশ্চিম গুৱাহাটীৰ দৰে এক ব্যতিক্ৰমী সমষ্টিত অতি কম সময়ৰ ভিতৰত নিৰ্বাচনী প্ৰচাৰ অভিযান চলোৱা সহজ নহয় বুলিও কয়। উক্ত অনুষ্ঠানত বিজেপিৰ ৰাণী মণ্ডলৰ সভাপতি হৰকান্ত নাথেও বক্তব্য ৰাখি মিত্ৰজোঁটৰ প্ৰাৰ্থীজনে বিপুল ভোটাৰ ব্যৱধানত জয়ী কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উক্ত অনুষ্ঠানত অগপৰ কেন্দ্ৰীয় সম্পাদক সুভাষ শৰ্মা, অগপৰ জিলা সম্পাদক পৰেশ বৰুৱা, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মন, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া, পশ্চিম গুৱাহাটী সমষ্টি সমিতিৰ সম্পাদক ৰবীন দৈমাৰী আদি কৰি কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে।

## ঢকুৱাখনাবাসীয়ে উন্নয়নৰ সপক্ষে ভোটদান কৰিব, পুনৰ কলীয়াপানী নিবিচাৰে ঃ নৱ দলে

**বিশেষ সংবাদদাতা**

**ঢকুৱাখনা, ২১ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'ব লগা ঢকুৱাখনা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অতি জোৰদাৰ গতিত অব্যাহত আছে। সমষ্টিটোত পাঁচজন প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে যদিও মূল প্ৰতিদ্বন্দ্বিতা বিজেপি প্ৰাৰ্থী, বিধায়ক তথা মন্ত্ৰী নৱ কুমাৰ দলে আৰু কংগ্ৰেছ প্ৰাৰ্থী পদ্মলোচন দলেৰ মাজতে সীমাবদ্ধ হোৱাটো নিশ্চিত। বিজেপি প্ৰাৰ্থী দলেই তেওঁৰ পাঁচ বছৰীয়া বিৰোধীৰ কাৰ্যকাল আৰু পাঁচ বছৰীয়া মন্ত্ৰিত্বৰ কালত সমষ্টিবাসীৰ আস্থা-বিশ্বাস আৰু পৰামৰ্শ লৈ সমষ্টিত কৰা উন্নয়নমূলক কাম-কাজৰ খতিয়ানকে মূল আধাৰৰূপে লৈ সমষ্টিটোৰ প্ৰতিখন গাঁও পঞ্চায়তে দুই-তিনিখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। গণশক্তিৰ লগতে মিচিং ছাত্ৰ সংগঠন টি এম পি কেৰ বিৰোধিতা সত্ত্বেও হেজাৰ হেজাৰ লোক সমবেত হোৱা মিচিং জনবসতি প্ৰধান পঞ্চায়তত *ছয় পৃষ্ঠাত চাওক*



### অজাপৰ ২৫০ সদস্যৰ কংগ্ৰেছত যোগদান

## শুৱালকুছিৰ তাঁত শিল্পত ছিণ্ডিকেট চলাইছে হিমন্তই ঃ বৰঠাকুৰ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ বাবে অনুষ্ঠিত হ'বলগীয়া জালুকবাৰী সমষ্টিৰ নিৰ্বাচনলৈ আৰু কেইটামান দিন বাকী থকাৰ সময়তে বস্ত্ৰ নগৰী শুৱালকুছিৰ মধ্য শুৱালকুছি পঞ্চায়তৰ প্ৰায় ২৫০ গৰাকী অসম জাতীয় পৰিষদৰ কৰ্মী যোৱা নিশা কংগ্ৰেছ প্ৰাৰ্থী ৰমেন বৰঠাকুৰৰ উপস্থিতিত জাতীয় কংগ্ৰেছত যোগদান কৰে। উল্লেখ্য যে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে জালুকবাৰী সমষ্টিত এগৰাকী সিংহ পুৰুষ তথা শক্তিশালী প্ৰাৰ্থী প্ৰদান কৰা হ'ব বুলি ৰাজহুৱা প্ৰতিশ্ৰুতি দি আগন্তুক বিধানসভা নিৰ্বাচনত জালুকবাৰী সমষ্টিত পুনৰ জাতীয়তাবাদৰ বিজয় ধ্বজা উৰিব বুলি ঘোষণা কৰিছিল; কিন্তু অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিনাই স্পষ্ট হৈ পৰিল জাতীয় পৰিষদে সমষ্টিটোত সিংহ পুৰুষটো বাদেই প্ৰতিদ্বন্দ্বিতাই আগনবঢ়ালে। যাৰ পৰিপ্ৰেক্ষিতত জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি তথা নেতৃত্বৰ চৰম প্ৰতাৰণা আৰু মিথ্যাচাৰত ক্ষুব্ধ হৈ জাতীয় পৰিষদৰ মধ্য শুৱালকুছি আঞ্চলিক সমিতিৰ উপ-সভাপতি মধুসুদন মহন্তসহ প্ৰায় ২৫০ গৰাকী অজাপৰ কৰ্মীয়ে কংগ্ৰেছ প্ৰাৰ্থী ৰমেন বৰঠাকুৰৰ উপস্থিতিত কংগ্ৰেছত যোগদান কৰে। লগতে অজাপৰ নিৰ্বাচনী কাৰ্যালয়টো *ছয় পৃষ্ঠাত চাওক*

### মৰাণ-থাওৰা-সোণাৰি-ডুমডুমাত হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ

# বছৰি দুই লাখক স্বয়ম আঁচনি দিয়া হ'ব

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**ডিব্ৰুগড়/সোণাৰি/ডিমৌ/ডুমডুমা, ২১ মাৰ্চ ঃ** 'আগন্তুক ২০২২ৰ মাৰ্চৰ আগতে এক লাখ ল'ৰা-ছোৱালীক চাকৰি দিয়া হ'ব। প্ৰতি বছৰতে দুই লাখকৈ পাঁচ বছৰত ১০ লাখ ল'ৰা-ছোৱালীক স্বয়ম আঁচনি দিয়া হ'ব।' এই লোভনীয় ভাষ্য নেডাৰ আহ্বায়ক তথা অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। উজনি অসমৰ মৰাণ, সোণাৰি, থাওৰা, মাহমৰা আৰু ডুমডুমা বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি সোণাৰিত এক ৰোডশ্ব'ত ভাগ লৈ পাছত ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে মন্ত্ৰীজনে। নৃত্য, গীত, ৰোডশ্ব'ৰে তেওঁ নিৰ্বাচনী প্ৰচাৰ চলায় সমষ্টিকেইটাৰ বিজেপি প্ৰাৰ্থীকেইজনৰ হৈ। কে'বা সহস্ৰাধিক ৰাইজক উদ্দেশি তেওঁ মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ, পুনৰ প্ৰধানমন্ত্ৰী আৱাস যোজনা, অবিবাহিতা যুৱতীৰ আজীৱন পেঞ্চন, অৰুণোদয়, স্বয়ম আঁচনি পুনৰ মুকলি কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, 'বিজেপি নেতৃত্বাধীন চৰকাৰখনে অসমত মাত্ৰ তিনিটা বছৰহে ভালদৰে কাম কৰিবলৈ সুবিধা পালে। নাগৰিকত্ব আন্দোলন আৰু কৰ'না ভাইৰাছৰ বাবে দুটা বছৰে আমি একো কাম কৰিব নোৱাৰিলো। কিন্তু তিনিটা বছৰত আমি কংগ্ৰেছৰ ৪০ টা বছৰতকৈও অধিক কাম কৰিলো।' আনহাতে, চাহ শ্ৰমিক দৈনিক মজুৰি বৃদ্ধি হোৱাটো নিশ্চিত বুলি উল্লেখ কৰি কোনো বাগিচাৰ মালিকে ইয়াক বাধা প্ৰদান কৰিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। এই সভাত *ছয় পৃষ্ঠাত চাওক*

### 'কা' আন্দোলনে প্ৰভাৱ নেপেলায় ঃ দাবী ৰঞ্জিত দাসৰ

## গাঁৱে গাঁৱে বিচাৰিও এজনো বিদেশী পোৱা নাই বিজেপি কৰ্মীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ মাৰ্চ ঃ** ৰাজ্যৰ আসন্ন নিৰ্বাচনৰ প্ৰাকক্ষণত তথা কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাই সংশোধিত নাগৰিকত্ব আইন বাতিলৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিলে। এই আইন নিৰ্বাচনত বিজেপি মিত্ৰদলক কোনো প্ৰভাৱ নেপেলাই বুলি মন্তব্য কৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে। আজি বোকাখাতত অনুষ্ঠিত হোৱা প্ৰধানমন্ত্ৰী মোদী নিৰ্বাচনী সভাত অংশ ল'বলৈ খানাপাৰাস্থিত খেলপথাৰত পুৱাই উপস্থিত হোৱা দাসে সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰি সংশোধিত নাগৰিকত্ব আইন বিৰোধী আন্দোলনৰ সময়তো পঞ্চায়ত নিৰ্বাচনত ৰাইজে দলটোক প্ৰথম স্থানত অধিষ্ঠিত কৰাইছিল বুলি কয়। দ্বিতীয়বাৰ তথা লোকসভা নিৰ্বাচনতো নখন আসন বিজেপিয়ে লাভ কৰিবলৈ সক্ষম হৈছিল বুলি দাসে উল্লেখ কৰি আসন্ন নিৰ্বাচনতো এই আইনৰ প্ৰভাৱ নপৰে আৰু বিজেপি মিত্ৰদলৰ চৰকাৰ গঠন কৰোৱাতো অসমৰ জনতাই নিশ্চিত কৰিলে বুলি কয়। তেওঁ কয়, 'সেই সময়ত ৰাইজক অসমলৈ ডেৰ কোটি বাংলাদেশী আহিব বুলি কৈছিল। আইনখন গৃহীত হ'লেই ৫০ হেজাৰ বিদেশীয়ে অসমলৈ আহিবলৈ ট্ৰাকত উঠি আছে, ৮৪ লাখ আহিব বুলি ভাগে ভাগে কৈছিল। এতিয়া গাঁৱে গাঁৱে বিদেশী বিচাৰি ফুৰিছে আমাৰ *ছয় পৃষ্ঠাত চাওক*

## আদৰ্শবিহীন নেতৃত্বহীন দল হৈছে কংগ্ৰেছ ঃ ডাঃ দে

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ মাৰ্চ ঃ** 'আদৰ্শবিহীন নেতৃত্বহীন দল হৈছে কংগ্ৰেছ।' এই অভিযোগ সদ্য কংগ্ৰেছ ত্যাগী ন-বিজেপি প্ৰাক্তন মন্ত্ৰী ডাঃ অৰ্ধেন্দু কুমাৰ দেৰ। আজি হোজাই সমষ্টি যোগীজান মণ্ডলৰ বিভিন্ন ঠাইত সমষ্টিটোত বিজেপি প্ৰাৰ্থী ৰামকৃষ্ণ ঘোষৰ আঠখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি এইদৰে কয়। এনে দলত ভোট দিয়া মানেই নিজৰ অস্তিত্ব সংকটত পেলাই দিয়া। জাতি-জনজাতি আৰু সকলো সম্প্ৰদায়ৰ মাজত বিভেদৰ বীজ ৰোপণ কৰি বিভিন্ন জাতি-জনগোষ্ঠী আগন্তুক দিনত যাতে বিপদত পেলাব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে বিজেপিক ভোট দিবলৈ আহ্বান জনায়। আনহাতে, সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী ৰামকৃষ্ণ কোচে কয় যে কংগ্ৰেছে সদায় বিভিন্ন জাতি-ধৰ্মৰ নামত কাজিয়াৰ সৃষ্টি কৰে। প্ৰাৰ্থীজনে আজি নামঘৰ, শিৱ মন্দিৰ, গণেশ মন্দিৰ, কালী মন্দিৰত সোমাই আশীৰ্বাদ লয়।

বিধানসভা নিৰ্বাচন ২০২১

### চামগুৰিৰ কাৱৈমাৰীত ৰকিবুল হুছেইনৰ নিৰ্বাচনী প্ৰচাৰ সভা

## মিছাৰ বাহিৰে বিজেপিৰ হাতত একো নাই ঃ শ্ৰীনিৱাস

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/চামগুৰি, ২১ মাৰ্চ ঃ** 'পাঁচ বছৰ বিজেপিয়ে আমাক টেটু চেপি ধৰিলে। ৰাইজে ভয় ভয়কৈ জীয়াই থাকিব লগা হ'ল। এফালে এন আৰ চি, আনফালে ডিটেনচন কেম্প। মূল্যবৃদ্ধিয়েও ৰাইজক জুৰুলা কৰিলে। ৰাইজে হাঁহিবলৈ পাহৰি গৈছে। আমি ৰাইজৰ মুখত পুনৰ হাঁহি বিৰিঙাম।' আজি চামগুৰি *ছয় পৃষ্ঠাত চাওক*



## বিপদৰ উমান পাই ওলোটাখৰ শিৱামণিৰ

### তেওঁলোকক সন্মান জনাই সহায়হে কৰিছিলো

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বটদ্ৰৱা, ২১ মাৰ্চ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ ধুপগুৰিত অনুষ্ঠিত এক নিৰ্বাচনী সভাত সমষ্টিটোৰ কংগ্ৰেছ তথা মহাজোঁটৰ প্ৰাৰ্থী শিৱামণি বৰাই তেওঁ খণ্ড উন্নয়ন বিষয়া হৈ থাকোতে অঞ্চলটোৰ বহু লোকৰ নথিপত্ৰ পৰীক্ষা নকৰাকৈয়েই ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰি দিয়া বুলি মন্তব্য কৰা ভিডিঅ' ভাইৰেল হোৱাৰ পাছত সৃষ্টি হোৱা প্ৰতিক্ৰিয়া বৰ্তমানেও অব্যাহত আছে। শিৱামণিৰ এই বিতৰ্কিত মন্তব্যক এতিয়া তেওঁৰ বিৰুদ্ধে ৰাজনৈতিক অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে বিজেপিয়ে। ইতিমধ্যে বটদ্ৰৱাৰ কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ এই 'জালিয়াতি'ৰ উচিত তদন্ত আৰু তেওঁৰ মনোনয়নপত্ৰ বাতিলৰ দাবী তুলি কৃষক শ্ৰমিক উন্নয়ন পৰিষদ আৰু বিজেপিৰ নগাঁও জিলা মহিলা মৰ্চাই পৃথকে পৃথকে কালি নগাঁও সদৰ আৰক্ষী থানাত এজাহাৰো দাখিল কৰিছে। ইয়াৰ উপৰি বিজেপি কৰ্মীসকলে বটদ্ৰৱা, জাজৰি আৰু মিকিৰভেটা আৰক্ষী থানাতো কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। নিৰ্বাচনী সভাত *ছয় পৃষ্ঠাত চাওক*

## বৰপেটা জিলাত জব্দকৃত ধনৰ পৰিমাণ এক কোটি অতিক্ৰম

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২১ মাৰ্চ ঃ** নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ পাছত ৰাজ্যজুৰি তৎপৰ হৈ পৰিছে প্ৰশাসন। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যৰ ৰাজপথত এছ এছ টি আৰু ফ্লাযিং স্কোৱাডে নিতৌ নগদ ধন আৰু সুৰাৰ বিৰুদ্ধে অভিযান চলাই আহিছে। নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ পাছৰে পৰা আজিলৈকে বৰপেটা জিলাত এক কোটিতকৈ অধিক নগদ ধন জব্দ কৰা হৈছে। *ছয় পৃষ্ঠাত চাওক*

## আজি ওদালগুৰিত গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্বাচনী সভা



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২১ মাৰ্চ ঃ** কালি পোনপ্ৰথমবাৰৰ বাবে কাইলৈ ওদালগুৰিলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। সমাগত বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কে'বাটাও সমষ্টিৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ সমান্তৰালভাৱে ওদালগুৰি জিলাৰ তিনিটা বিধানসভা সমষ্টিতো অনুষ্ঠিত হ'ব নিৰ্বাচন। ফলত প্ৰতিটো ৰাজনৈতিক দলে নিজৰ নিজৰ প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে। জিলাখনৰ ওদালগুৰি বিধানসভা সমষ্টিত এইবাৰ প্ৰাৰ্থীৰ সংখ্যা হৈছে দুগৰাকী। বিপিএফৰ হৈ মন্ত্ৰী ৰিহন দৈমাৰী অৱতীৰ্ণ হোৱাৰ লগতে সমষ্টিটোত বিজেপি-ইউপিপিএলৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈছে বৰ্তমানৰ বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী। বিগত চাৰিটা কাৰ্যকাল বিপিএফৰ দখলত থকা সমষ্টিটো উদ্ধাৰৰ বাবে এইবাৰ ইউপিপিএলসহ মিত্ৰজোঁটে মৰণপণ যুঁজ দিয়া *ছয় পৃষ্ঠাত চাওক*

## ডিফুত বিজেপিৰ বুথ প্ৰচাৰ সভাত অথন্তৰ

**বিশেষ সংবাদদাতা**

**ডিফু, ২১ মাৰ্চ ঃ** ডিফুত বিজেপিৰ এক বুথ লেভেল নিৰ্বাচনী প্ৰচাৰ সভাত হঠাতে লগা অথন্তৰকলৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত খবৰ অনুসৰি আজি বিয়লিৰ ভাগত ডিফু চহৰৰ শীতলাবাড়ীত বিজেপিৰ এক বুথ লেভেল নিৰ্বাচনী প্ৰচাৰ সভাৰ ায়োজন কৰা হয়। যথা সময়ত ১৯২নং বুথৰ সভাপতি সঞ্জিৱ দে'ই বিজেপিৰ সমৰ্থক সকলক সভাস্থলীত সমবেত কৰায়। সভাৰ পূৰ্ণ প্ৰস্তুতি চলি থকালৈকে ঠিকেই আছিল। কিন্তু বুথ পৰ্যায়ৰ সভাপতিক সম্বৰ্ধনা নজনোৱাক লৈয়েই লাগিল অথন্তৰ। ২নং ৱাৰ্ডৰ ৱাৰ্ড *ছয় পৃষ্ঠাত চাওক*

### প্ৰমোদ বড়ো এজন বেপাৰী, বড়ো জাতিক বিক্ৰী কৰিলে

## দুশবাৰ মোদী-শ্বাহ আহিলেও অসমত বিজেপিৰ চৰকাৰ নহয় ঃ মহিলাৰী

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২১ মাৰ্চ ঃ** কংগ্ৰেছ মহাজোঁটৰ হৈ বিপিএফ প্ৰধান তথা প্ৰাক্তন বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে উত্তৰ অসমত ইখনৰ পাছত সিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈছে। আজি বিয়লি দুই বজাত ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ উত্তৰাঞ্চলৰ খাওলা চেণ্টাৰত কংগ্ৰেছ প্ৰাৰ্থী বেনুধৰ নাথৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি বিজেপিক গাদীচ্যুত কৰাৰ হুংকাৰ দিয়ে বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। ঢেকিয়াজুলিৰ উত্তৰাঞ্চলৰ খাওলা চেণ্টাৰত অনুষ্ঠিত কংগ্ৰেছৰ নিৰ্বাচনী সভাত মহিলাৰীয়ে কয়, 'বিজেপিয়ে অসমত হাৰিব তাৰ বাবে প্ৰধানমন্ত্ৰী মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ বাৰে বাৰে অসমত আহিছে। মোদী-অমিত শ্বাহ অসমত এশবাৰ নহয় দুশবাৰ আহিলেও এইবাৰ কিন্তু অসমত হাৰিব বিজেপিয়ে বুলি কটাক্ষ হাগ্ৰামাৰ। বিজেপিয়ে বড়ো জাতিক প্ৰমোদ বড়োৰ স'তে চুক্তি কৰি প্ৰতাৰণা কৰিছে বুলি নিজৰ ভাষণত কয়।' আনহাতে, একালৰ ঘনিষ্ঠ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সুযোগ বুজি ক্ষুৰধাৰ সমালোচনা কৰে হাগ্ৰামাই। 'মই বিদেশলৈ নাযাওঁ হিমন্তইহে বিদেশলৈ যোৱাৰ টিকট কাটিছে। বিদেপিয়ে অসমত হাৰি আছে সেইবাবে বিদেশত যাব হিমন্তই। হাগ্ৰামাই কটাক্ষ কৰে। ভাষণত হাগ্ৰমাই বিটিচি প্ৰধান প্ৰমোদ বড়োক তীব্ৰ সমালোচনা কৰি প্ৰমোদ বড়োক বেপাৰী আখ্যা দিয়ে। বড়ো জাতিক বিক্ৰী কৰিলে প্ৰমোদ বড়োৱে। প্ৰমোদ বড়ো *ছয় পৃষ্ঠাত চাওক*



## Self-Declaration made by the BJP Candidates

As per the Election Commission of India's directions issued in pursuance of the Order dated 13.02.2020 of the Hon'ble Supreme Court in contempt petition (C) no. 2192 of 2018 in WP(C) no. 536 of 2011)

1. Have you been convicted of a criminal offence? — No
2. Have you been named in any FIR/ chargesheet for any criminal offence? — Yes
3. If yes, kindly provide the following details:

| Sl. No | | Particulars | Details |
|---|---|---|---|
| 1 | | Criminal antecedents | |
| | a. | Nature of the offences | (1) 498(A) IPC, (2) 341/279/307 of IPC, R.W. 27(1) Arms Act. (3) 120(B) /279 /338 /307 of IPC |
| | b. | Case no. | (1) Dispur PS Case No.2706/14 (2) Dispur PS Case No.226/15 (3) Dispur PS Case No.1037/15 |
| | c. | Name of the court | C.J.M. Court, Kamrup (M), Guwahati |
| | d. | Whether charges have already been framed or not (Yes/No) | No |
| | e. | Date of conviction, if any | No |
| | f. | Details of punishment undergone, if any | No |
| | g. | Any other information required to be given | All the cases mentioned above have already been submitted FR by the concerned police vide (1) FR No. 2871/17, Dtd. 31/12/2017, (2) FR No. 1030/17, Dtd.06/05/2017 and (3) FR No.1254/16, Dtd. 27/06/2016 and the Dispur PS Case No.226/15 has already disposed off on dtd. 30/06/2017 by the Addl. Chief Judicial Magistrate, Kamrup (M), Guwahati. |

Name of the candidate : **Shri Manab Deka**

Name of the constituency : **111 No. Lakhimpur Legislative Assembly, Assam**

I, hereby, declare that the information furnished above is true to the best of my knowledge and that I have disclosed all material information relevant to the above mentioned order of the Hon'ble Supreme Court of India.

Manab Deka

(Manab Deka)

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৮ চ'ত ১৪২৭ ভাস্কৰাব্দ ২২ মাৰ্চ, ২০২১



## ৰাজ্যৰ সপক্ষে আদালত

**উচ্চতম** ন্যায়ালয়ে যোৱা শুকুৰবাৰে ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ এটাৰ শুনানি গ্ৰহণ কৰি এই বুলি কয় যে ৰাজ্য বিধানসভাসমূহে কেন্দ্ৰীয় আইনৰ বিৰোধিতা কৰি সদনত কোনো প্ৰস্তাৱ গৃহীত কৰাত কোনো অসুবিধা নাই। বিৰোধী দলৰ দ্বাৰা শাসিত কেৰালা, পশ্চিমবংগ আদি ৰাজ্য চৰকাৰসমূহে নাগৰিকত্ব (সংশোধনী) আইন তথা কৃষি আইনৰ বিৰুদ্ধে ৰাজ্যৰ বিধানসভাত কে'বাটাও প্ৰস্তাৱ গৃহীত কৰিছে। উচ্চতম ন্যায়ালয়ৰ মতে এনে ধৰণৰ প্ৰস্তাৱ গ্ৰহণ অবৈধ নহয়।

ৰাজস্থানৰ এটি বেচৰকাৰী সংস্থা সমতা আন্দোলন সমিতিয়ে উচ্চতম ন্যায়ালয়ত ৰাজস্থান, কেৰালা, পঞ্জাৱ আৰু পশ্চিমবংগ চৰকাৰৰ বিৰুদ্ধে আদালতত আৰ্জি উত্থাপন কৰিছিল যে এই ৰাজ্যসমূহে কেন্দ্ৰীয় আইনৰ বিৰুদ্ধে বিধানসভাত কোনো প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰে। যিহেতু কেন্দ্ৰীয় আইন ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচী অনুযায়ী কেন্দ্ৰীয় তালিকাৰ বিষয় গতিকে এই ক্ষেত্ৰত সমিতিৰ মতে ৰাজ্য চৰকাৰে মাত মাতিব নোৱাৰে। সমিতিয়ে উচ্চতম ন্যায়ালয়ৰ ওচৰত এই বুলি আবেদন কৰিছিল যে আদালতে ৰাজ্য চৰকাৰসমূহৰ কেন্দ্ৰীয় আইনৰ বিৰুদ্ধে গ্ৰহণ কৰা প্ৰস্তাৱবোৰ নাকচ কৰিব লাগে। এই গোচৰৰ শুনানি মূলতঃ কেৰালা বিধানসভাই যোৱা ২০১৯ৰ ৩১ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা নাগৰিকত্ব (সংশোধনী) আইনৰ বিৰোধিতা কৰি লোৱা প্ৰস্তাৱক কেন্দ্ৰ কৰি হৈছিল। কেৰালা বিধানসভাই প্ৰস্তাৱটোত কৈছিল যে এই আইনখন সংবিধানে দিয়া সমতাৰ অধিকাৰৰ পৰিপন্থী।

উচ্চতম ন্যায়ালয়ে কেৰালা আৰু অন্যান্য ৰাজ্যই কেন্দ্ৰীয় আইনৰ বিৰুদ্ধে লোৱা প্ৰস্তাৱক বৈধতা প্ৰদান কৰি কৈছে যে এই চৰকাৰসমূহে জনসাধাৰণক কেন্দ্ৰই প্ৰণয়ন কৰা আইন নামানিবলৈ আহ্বান জনোৱা নাই, তেওঁলোকে কেৱল এই আইন বাতিলৰ বাবে কেন্দ্ৰৰ ওচৰত দাবী উত্থাপন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশগৰাকীয়ে কৈছে যে বিধানসভাৰ সৰহভাগ সদস্যৰ এয়া মতামত আৰু এই মতৰ কোনো আইনী ক্ষমতা নাই। আবেদনকাৰীসকলৰ মতে কেৰালা বিধানসভাৰ কোনো কেন্দ্ৰীয় আইনৰ ভাল, বেয়া অথবা উন্নাসিক বুলি কোৱাৰ অধিকাৰ নাই। এয়া সত্য যে ৰাজ্য বিধানসভাৰ কেন্দ্ৰীয় আইন এখন বাতিল কৰাৰ কোনো ক্ষমতা নাই। সেই বুলি তেওঁলোকৰ কেন্দ্ৰীয় আইন সম্পৰ্কে মতামত প্ৰকাশ কৰাৰ অধিকাৰ নাই বুলি ক'ব নোৱাৰি। আবেদনকাৰীৰ হৈ ওকালতি কৰা অধিবক্তা এগৰাকীয়ে উচ্চতম ন্যায়ালয়ৰ আগত এই যুক্তি প্ৰদৰ্শন কৰিছে যে ৰাজ্য চৰকাৰৰ স'তে কোনো সম্পৰ্ক নথকা বিষয় এটাৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ কৰাৰ কোনো অধিকাৰ ৰাজ্য চৰকাৰৰ নাই। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এছ এ ববডেই ওলোটাকৈ আবেদনকাৰীক প্ৰশ্ন কৰিছে যে এই আইনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ উদ্বেগৰ কাৰণ কি কাৰণে নাথাকিব পাৰে। আদালতে এই গোচৰৰ ৰায় পৰৱৰ্তী চাৰি সপ্তাহৰ বাবে স্থগিত ৰাখিছে।

সি যি কি নহওক, ভাৰতীয় সংবিধানে দেশৰ নাগৰিকসকলক মত প্ৰকাশৰ যি স্বাধীনতা দিছে সেই অধিকাৰ প্ৰয়োগৰ জৰিয়তে দেশৰ যিকোনো নাগৰিক, সংগঠন তথা বিধান মণ্ডলে কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজ তথা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আইনৰ বিৰুদ্ধে মত প্ৰকাশ কৰিব পাৰে। এনে মত ৰাজহুৱা বক্তৃতা, লেখনি তথা প্ৰস্তাৱ আকাৰে প্ৰকাশ কৰিব পাৰে। জনসাধাৰণৰ তথা ৰাজ্যসমূহৰ এই অধিকাৰ খৰ্ব কৰাৰ বাবে বৰ্তমান এচাম ৰাজনীতিক তথা বৃহৎ ব্যৱসায়ীয়ে প্ৰচেষ্টা চলাই আছে। প্ৰকৃততে এনে ধৰণৰ মৌলিক অধিকাৰক প্ৰত্যাহ্বান জনোৱা গোচৰ আদালতে ল'বই নালাগে। সি যি কি নহওক, এই গোচৰটোৰ চূড়ান্ত শুনানিৰ পাছত উচ্চতম ন্যায়ালয়ে এই বিতৰ্ক চিৰদিনৰ বাবে ওৰ পেলাই এক আইনসন্মত ৰায় প্ৰদান কৰিব বুলি সংশ্লিষ্ট পক্ষই আশা প্ৰকাশ কৰিছে।

# 'আগতে চাউলকঠা, পাছতহে হৰিকথা'

## যিসকলে আনক স্বাধীনতা দিবলৈ প্ৰস্তুত নহয়, তেওঁলোক নিজেও স্বাধীনতাৰ বাবে উপযুক্ত নহয়



**'আগতে** চাউলকঠা, পাছতহে হৰিৰ কথা' ফকৰাটো বহুলভাৱে প্ৰচাৰিত অসমীয়া সমাজখনত। গাঁওবোৰত প্ৰায় সকলোৱে ঈশ্বৰৰ প্ৰতি পূজা, নাম-প্ৰসংগবোৰৰ ক্ষেত্ৰত এই কথাষাৰ উচ্চাৰণ কৰে। বৈষ্ণৱ সমাজতো এই ফকৰাটো বহুলভাৱে প্ৰচাৰিত। মানুহৰ জীৱনৰ লাখ লাখ বছৰ অভিজ্ঞতাৰ পৰা এই ফকৰাটো উদ্ভাৱন হৈছে। মানুহৰ মৌলিক প্ৰয়োজন অন্ন, বস্ত্ৰ, আশ্ৰয়ৰ স্থল। এই মৌলিক প্ৰয়োজনসমূহ পূৰণ হোৱাৰ পাছতহে মানুহে আন কথা চিন্তা কৰাৰ অৱকাশ পায়। গতিকে মানুহৰ মনত ঈশ্বৰৰ চেতনাৰ, ধৰ্মীয় চেতনাৰ প্ৰাবল্য থাকিলেও পেটৰ তাড়নাত ঈশ্বৰ কথা, ধৰ্মৰ কথা চিন্তা কৰাৰ অৱকাশ নাপায় তথা এই চিন্তা তল পৰি থাকিবলৈ বাধ্য হয়। পেটৰ ভোকত পথৰ দাঁতিত পৰি থকা লোক এজনে ঈশ্বৰৰ কথা বা ধৰ্মৰ কথা চিন্তা কৰিব নোৱাৰে। লোকজনে নিজেও কোন ধৰ্মীয় লোক সেইটোও পাহৰি যায়।

আৰ-এছ-এছ আৰু বিজেপিয়ে দাবী কৰে যে তেওঁলোকে মুখ্যতঃ স্বামী বিবেকানন্দৰ আদৰ্শক অনুসৰণ কৰে। বিবেকানন্দয়ো কৈছিল— 'কিয় বা এজন লোকে অনাহাৰে থাকিব? বস্তুতান্ত্ৰিক সভ্যতা, আনকি বিলাসো গৰিবসকলৰ কৰ্মসংস্থানৰ কাৰণে প্ৰয়োজন। ৰুটি লাগে, ৰুটি লাগে, মই এনেকুৱা এজন ভগৱানত বিশ্বাস নকৰো যিজনাই আমাক এই জগতত ৰুটি যোগান দিব নোৱাৰে; কিন্তু স্বৰ্গত তেওঁ আমাক নিত্য-মংগল আৰু চিৰন্তন পৰম স্বৰ্গসুখ প্ৰদান কৰিব। ফুঃ যদি ভাৰতক উদ্ধাৰ কৰিব লাগে তেতিয়া গৰিবৰ বাবে খাদ্যৰ প্ৰয়োজন, তেওঁলোকৰ বাবে শিক্ষা বিস্তাৰ কৰিব লাগিব আৰু পুৰোহিততন্ত্ৰৰ দুষ্ট, ক্ষতিকৰ আৰু অশুভ প্ৰভাৱ দূৰ কৰিব লাগিব। পুৰোহিততন্ত্ৰৰ অৱসান ঘটক। কোনো সামাজিক অত্যাচাৰ আৰু নচলিব। ৰুটি লাগে প্ৰত্যেকৰ কাৰণে আৰু সুযোগ সুবিধাৰ প্ৰয়োজন। ...যিসকলে আনক স্বাধীনতা দিবলৈ প্ৰস্তুত নহয়, তেওঁলোক নিজেও স্বাধীনতাৰ বাবে উপযুক্ত নহয়। গোলামে আনক গোলাম কৰাৰ কাৰণেহে শক্তি বা ক্ষমতা বিচাৰে।' (গ্ৰন্থাৱলী (ইং), ৪ৰ্থ খণ্ড, পৃ. ১১৩)। বিবেকানন্দই দাৰিদ্ৰ্যপীড়িত শোষিত জনসাধাৰণৰ পক্ষত আৰু তীব্ৰ বাণী দিছিল। 'যিখন দেশত লাখ লাখ লোকে মহুৱা গছৰ ফুল খাই থাকে আৰু দহ বা বিশ লক্ষ সাধু আৰু এক কোটি বা সেই সংখ্যক ব্ৰাহ্মণে গৰিবসকলৰ ৰক্ত শোষণৰ বাবে তৎপৰ— সেইখন কি দেশ, নে নৰক? সেইটো ধৰ্ম নে চয়তানৰ নৃত্য?' (গ্ৰন্থাৱলী (ইং), ষষ্ঠ খণ্ড, পৃ. ২২৪-২২৫)।

বৰ্তমান অসমত আৰ-এছ-এছ — বিজেপিয়ে বিভিন্ন মঠ-মন্দিৰৰ সৃষ্টি কৰিছে হৰিনাম লোৱাৰ, কিন্তু চাউলকঠাৰ ব্যৱস্থাৰ বিষয়ে কোনো ধৰণৰ স্থায়ী ফলপ্ৰসূ ব্যৱস্থা নকৰে। আমাৰ ৰাজ্যৰ উন্নতি মানে নামঘৰ নিৰ্মাণ, সত্ৰ নিৰ্মাণ, মন্দিৰ নিৰ্মাণ। উদ্যোগ নহয়, জলসিঞ্চন প্ৰকল্প নহয়, বানপানী-গৰাখহনীয়া নিয়ন্ত্ৰণ নহয়। নাগৰিকসকলৰ বাবে জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰি আত্মনিৰ্ভৰশীলভাৱে তেওঁলোকে নিজৰ আয়েৰে জীৱন-ধাৰণ কৰাৰ বাবে সমস্ত সামগ্ৰী সংগ্ৰহ কৰাৰ যোগ্যতা অৰ্জন কৰিব পৰাৰ বিপৰীতে হৰিৰ নাম লোৱাৰ সুবিধা সৃষ্টি কৰি নিজৰ পেট পূৰণৰ বাবে চৰকাৰৰ ওচৰত ভিক্ষাৰ জোলোঙা লোৱাৰ অসংখ্য ব্যৱস্থাৰ সৃষ্টি কৰিছে। হিতাধিকাৰী নামৰ বেছি বেছি লোকৰ অৰ্থাৎ দৰিদ্ৰৰ সৃষ্টি কৰি চৰকাৰৰ ভিক্ষাৰ প্ৰতি হাত পাতি থকাৰ অৰ্থনীতিৰ সৃষ্টি কৰিছে বিজেপি চৰকাৰখনে।

হৰিৰ চিন্তা কৰক জনসাধাৰণে, নিজৰ জীৱন-জীৱিকাৰ পথৰ, চাউলকঠাৰ চিন্তা কৰিব নালাগে। ৰাজ্যখনৰ আন্তঃগাঁথনিৰ উন্নতি, মৃত উদ্যোগবোৰক পুনৰুজ্জীৱিতকৰণ, নতুন উদ্যোগ সৃষ্টি আদি, বিশেষকৈ মৌলিক অৰ্থনীতিৰ বাবে বিনিয়োগতকৈ নামঘৰ-সত্ৰত বিনিয়োগহে অগ্ৰাধিকাৰ পাইছে বিজেপি চৰকাৰৰ কাৰ্যসূচীত। অসমৰ নাগৰিকসকলে হৰিৰ চিন্তা কৰি হিন্দু হওক, যাতে সমাজখন ধৰ্মীয় মেৰুকৰণেৰে বিভাজিত হয়; শ্ৰমিক-কৰ্মচাৰী হ'ব নালাগে, মানুহ হ'ব নালাগে। বিনামূলীয়া বা একটকীয়া চাউল লৈ বা ৮৩০ টকা লৈ দেশৰ বাবে আত্মনিৰ্ভৰশীল অৰ্থনীতি সৃষ্টি কৰক।

নিৰ্বাচন আহিলে আশ্বাসৰ উপৰি আশ্বাস দিয়ে, উন্নয়নৰ কাৰ্যসূচীৰ আশ্বাসৰ ফৰ্ডখন ইমান দীঘলীয়া হয় যে যেনিবা সোণৰ অসম গঢ়িব। আধাৰশিলা স্থাপনৰ সীমা সংখ্যা নাথাকে। জাগীৰোড কাগজ কল বা পাঁচগ্ৰাম কাগজ কল পুনৰুজ্জীৱিত কৰাৰ প্ৰয়োজন নাই। এই কাৰখানাবোৰৰ কৰ্মহীন হোৱা শ্ৰমিক-কৰ্মচাৰীবোৰে পুৰণিগুদামত প্ৰতিষ্ঠা কৰা বিশ্বৰ সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰত পূজা কৰিলেই তেওঁলোকৰ পেট ভৰি যাব। লিংগাকাৰ মহামৃত্যুঞ্জয়ৰ শক্তিয়ে তেওঁলোকৰ জীৱনৰ সকলো সমস্যাই সমাধান কৰি দিব। ভগৱান শিৱৰ আশীৰ্বাদে অসমৰ লোকসকলৰ পেটৰ ভাতৰ সমস্যাকে ধৰি সকলো সমস্যাৰ স্থায়ী সমাধান কৰাই দিব।

গৃহমন্ত্ৰীয়ে অহা পাঁচ বছৰত অসমক হেনো বানমুক্ত কৰি দিব। যোৱা পাঁচ বছৰত বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ কোনো কেন্দ্ৰীয় কাৰ্যসূচীয়ে নল'লে। আনকি বানত পীড়িত জনসাধাৰণক আন ৰাজ্যবোৰৰ বানপীড়িত লোকৰ সমহাৰত সাহায্যও প্ৰদান নকৰিলে।



**দৃষ্টিপাত**

**অনন্ত কলিতা**

নিৰ্বাচনৰ বাবে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী তিনি-চাৰিবাৰ অসমলৈ অহাৰ সময় হ'ল, বানৰ সময়ত এবাৰো অহাৰ সময় নহ'ল। সি যিয়েই নহওক পুখুৰী খান্দি বান নিয়ন্ত্ৰণ কৰিব হেনো! বিজেপি চৰকাৰখনে আগতে অসমৰ বান-গৰাখহনীয়াৰ ভয়াৱহতা অধ্যয়ন কৰি সমস্যাটো বুজি লওক। আশ্বাস নিদিলে, অসমৰ বান-গৰাখহনীয়া সমস্যা ৰাষ্ট্ৰীয় সমস্যা আৰু এই সমস্যা সমাধানৰ বাবে কেন্দ্ৰই লাখ কোটি টকা খৰচ কৰি মেগা প্ৰকল্প নিৰ্মাণৰ ব্যৱস্থা কৰাৰ। অসমক উদ্যোগীকৰণকে ধৰি অসমক ভাৰতৰ ভিতৰতে অৰ্থনৈতিক ক্ষেত্ৰত এক নম্বৰ ৰাজ্যত পৰিণত কৰিব। বৰ্তমান ২০২১। ২০১৬ৰ বিধানসভাৰ নিৰ্বাচনৰ সময়ত অসমৰ উন্নয়নৰ ১৫টা মুখ্য বিষয়ৰ ৫৬খন আঁচনি সম্পূৰ্ণ কৰাৰ আশ্বাস দি 'অসম দৃষ্টিপত্ৰ ২০১৬-২০২৫' প্ৰকাশ কৰিছিল। ২০২৫ পাৰ হোৱা নাই। গতিকে নতুন আশ্বাসৰ কি প্ৰয়োজন ২০১৬ত দিয়া 'অসম দৃষ্টিপত্ৰ'ৰ কাৰ্যসূচীবোৰ বাস্তৱায়িত নকৰে কিয়? বিজেপি চৰকাৰখনে যোৱা পাঁচ বছৰে দৃষ্টিপত্ৰ ঘোষণাৰ কিমানখিনি কৰিলে। ২০১৬তো দৃষ্টিপত্ৰত অসমক বান-গৰাখহনীয়া মুক্ত কৰাৰো লিখিত আশ্বাস প্ৰকাশ কৰিছিল। গতিকে ঘোষণা নকৰে কিয় বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে আশ্বাসিত আঁচনিবোৰ আৰম্ভ কৰিছিল নে, তথা এই আঁচনিবোৰৰ কিমানখিনি অগ্ৰগতি কৰিছে। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী, স্বাস্থ্য, শিক্ষা আৰু গড়কাপ্টানী মন্ত্ৰীয়ে 'অসম দৃষ্টিপত্ৰ, ২০১৬-২০২৫'ৰ নামেই নলয় এতিয়া। ২৩ লাখ শিক্ষিত আৰু কে'বালাখো অশিক্ষিত লোকৰ বাবে ২৫ লাখৰো অধিক কৰ্মসংস্থাপন সৃষ্টিৰ দৃঢ় আশ্বাস দিছিল আৰু এই আশ্বাসটো দৃষ্টিপত্ৰত এক নম্বৰ আছিল। যোৱা পাঁচ বছৰত কেইলাখ যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থান সৃষ্টি কৰিলে বিজেপি চৰকাৰে হিচাপ দিয়াৰ সাহস নাই। ব্ৰহ্মপুত্ৰ-বৰাকত খনন, ১০০ শতাংশ খেতিপথাৰত জলসিঞ্চনকে ধৰি অসমৰ উন্নয়নৰ যি ৫৬টা কৰ্মসূচী বাস্তৱায়িত কৰাৰ আশ্বাস দিছিল, অসমৰ বিজেপি চৰকাৰখনৰ সাহস নাই কিয় খতিয়ান প্ৰকাশ কৰাৰ।

ডাঙৰ প্ৰশ্ন হ'ল বিশ্বাসযোগ্যতা। বিজেপি চৰকাৰখনে অসমৰ জনসাধাৰণৰ বিশ্বাসযোগ্যতা অৰ্জন কৰিব পাৰিছেনে? ২০১৬ত বিধানসভাৰ নিৰ্বাচনৰ সময়ত 'অসম দৃষ্টিপত্ৰ'ত অসমৰ অৰ্থনৈতিক উন্নয়নকে ধৰি ছয়টা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান, সমস্ত বিদেশী বিতাড়ন আদি বিভিন্ন সময়ত বিভিন্ন আশ্বাস দি আহিছে। উন্নয়নৰ আশ্বাসিত কাৰ্যসূচীবোৰ বাস্তৱায়িত কৰাটো দূৰৰ কথা বিভিন্ন ক্ষেত্ৰত বিপৰীত কামহে কৰিছে। বিদেশী বিতাড়নৰ ঠাইত নতুন বিদেশী অনাৰ বাবে 'কা' আইন বলৰৎ কৰিছে। বাংলাদেশক অসমৰ মাটি প্ৰদান কৰিছে। নদী বান্ধৰ বিৰোধী আন্দোলন কৰিছিল বিজেপিয়ে, বৰ্তমান অৰুণাচলতে ১৫৬টা নদীবান্ধৰ প্ৰকল্প নিৰ্মাণৰ যো-জা কৰিছে। এন-আই-এ ২০২০ আইনখন বাস্তৱায়িত কৰিলে অসমৰ সকলো প্ৰাকৃতিক সম্পদে পুঁজিপতিৰ দখললৈ যাব। ইতিমধ্যে অসমৰ তৈলক্ষেত্ৰ, বিমানকোঠ, চিৰিয়াখানা, কয়লাখনি বিক্ৰী কৰিছে। নুমলিগড় শোধনাগাৰো বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছে। নতুন উদ্যোগটো মুকলি কৰাই নাই, ৰাজহুৱা উদ্যোগবোৰো বন্ধহে হ'ব ধৰিছে। কৰ্মসংস্থানৰ সুযোগ সৃষ্টিৰ বিপৰীতে হ্ৰাসহে হ'ব ধৰিছে। চৰকাৰখনো দেৱলীয়া হৈছে। যিখিনি সম্পদ আহৰণ কৰিছে বা ঋণ লৈ পুঁজি আহৰণ কৰিছে, সেইখিনিও মৌলিক কাৰ্যসূচী তথা উৎপাদনৰ কাৰ্যসূচীত বিনিয়োগ নকৰি ভোটাৰক আকৰ্ষণ কৰাৰ বাবে অনা-মৌলিক, অনা-উৎপাদন খণ্ডত খৰচ কৰিছে। অসমৰ দৰে দুৰ্বল ৰাজ্য এখনৰ বৰ্তমান ৭৯,৩০০ কোটি টকাতকৈ অধিক পৰিমাণৰ ঋণৰ বোজা। তৰুণ গগৈ চৰকাৰে ১৫ বছৰত ঋণ লৈছিল ৩৫,৬৯০ কোটি ১২ লাখ টকা, বৰ্তমান চৰকাৰখনে মাত্ৰ চাৰে-চাৰি বছৰতে ঋণ লৈছে ৪৩,৪৩২ কোটি টকা। চৰকাৰখনৰ বছৰেকীয়া ৰাজহৰ পৰাই প্ৰায় দহ হেজাৰ কোটি টকাৰ সুত দিব লাগে। এই দেৱলীয়া চৰকাৰখন পুনৰ নিৰ্বাচিত হ'লে ঋণৰ সুত দিব লাগিব, ঋণৰ কিস্তি পৰিশোধ কৰিব লাগিব। উন্নয়নৰ বাবে টকা আহিব ক'ৰ পৰা। সকলো আশ্বাসে গালো বালো খোলাকটিৰ তালহে হ'ব। চৰকাৰখনে মৌলিক উন্নয়নত ধন খৰচ কৰাতকৈ চমকলগা কিছু নিৰ্মাণ কাৰ্য্য কৰে। তদুপৰি মৌলিক উন্নয়নৰ ক্ষেত্ৰত কৃচ্ছ্ৰসাধনাও অৱলম্বন কৰে, কিন্তু চৰকাৰখনে বিজ্ঞাপন (সৰ্বাধিক বিজ্ঞাপন দিয়া চৰকাৰ), সভা-সমাৰেশ, আধাৰশিলা প্ৰতিষ্ঠা অনুষ্ঠান, পূজা-পাতল, সম্বৰ্ধনা অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান, হেলিকপ্টাৰত ভ্ৰমণ, চাৰ্টাৰ্ড বিমানত ভ্ৰমণ আদিবোৰৰ ক্ষেত্ৰত দুই হাত জুৰি খৰচ কৰে, কৃচ্ছ্ৰসাধনাই এইবোৰক ছুব নোৱাৰে।

এই পটভূমিত এই চৰকাৰখন পুনৰবাৰ নিৰ্বাচিত হৈ আহিলে এই দীঘলীয়া আশ্বাসৰ ফৰ্ডখন বাস্তৱায়িত কৰিব নোৱাৰে। যোৱা পাঁচ বছৰৰ অভিজ্ঞতাই প্ৰতিফলিত কৰে যে এইবাৰৰ বিধানসভাৰ নিৰ্বাচনৰ পটভূমিত বিজেপিয়ে দিয়া আশ্বাসবোৰ ভোটদাতাক আকৰ্ষণ কৰাৰ বাবেহে, বাস্তৱায়িত কৰাৰ বাবে নহয়। জনসাধাৰণে হৰিৰ নামেই লৈ থাকিব লাগিব, চাউলকঠাৰ স্থায়ী ব্যৱস্থা নহ'ব। যদি এই চৰকাৰখন পুনৰাই নিৰ্বাচিত হয়, নতুন চৰকাৰখনে অপব্যয়ৰ বাবে বিজেপি চৰকাৰে লোৱা প্ৰায় ৪৫,০০০ কোটি টকাৰ বোজা বব লাগিব।

ফোন : ৯৪৩৫০৪১২০৩

> বিবেকানন্দই দাৰিদ্ৰ্যপীড়িত শোষিত জনসাধাৰণৰ পক্ষত আৰু তীব্ৰ বাণী দিছিল। 'যিখন দেশত লাখ লাখ লোকে মহুৱা গছৰ ফুল খাই থাকে আৰু দহ বা বিশ লক্ষ সাধু আৰু এক কোটি বা সেই সংখ্যক ব্ৰাহ্মণে গৰিবসকলৰ ৰক্ত শোষণৰ বাবে তৎপৰ— সেইখন কি দেশ, নে নৰক? সেইটো ধৰ্ম নে চয়তানৰ নৃত্য?'

## খোলা মঞ্চ

### আপুনি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰে?



**নিৰ্বাচনৰ** আগেয়ে বিভিন্ন দলৰ প্ৰতিনিধিয়ে বিভিন্ন প্ৰতিশ্ৰুতিৰে জনসাধাৰণক নিৰ্বাচনী চমক দিয়ে। জনসাধাৰণেও বহু আশা বুকুত বান্ধি নিজৰ মনোনীত প্ৰাৰ্থীজনক চৰকাৰ গঠনৰ বাবে প্ৰক্ষেপ কৰে; কিন্তু নিৰ্বাচনত জয়ী হৈয়ে জনসাধাৰণৰ অভাৱ-অভিযোগৰ প্ৰতি পিঠি দি স্বজন-তোষণত লিপ্ত হৈ পৰে। কোৱা হয়, 'লংকালৈ যিয়ে যায়, সিয়ে ৰাৱণ হয়।' জনসাধাৰণৰ আশা-আকাংক্ষাত চেঁচা পানী পৰে। নিৰ্বাচনৰ আগেয়ে ঘোষণা কৰা আঁচনিসমূহ আঁচনি হৈয়ে ৰয়। যি দুই-এখন আঁচনি ৰূপায়ণ কৰিবলৈ বিচাৰে সেই আঁচনিসমূহ দালাল, মধ্যভোগীৰ হস্তক্ষেপত তাৰ সুফল প্ৰকৃত হিতাধিকাৰীয়ে ভোগ কৰিবলৈ নাপায়। এচাম লোকে পাহাৰসম সম্পত্তিৰ গৰাকী হয়। আনহাতে, আন এচামে আকৌ মৌলিক অধিকাৰসমূহ ভোগ কৰাৰ পৰাও বঞ্চিত হয়। এয়াই আমাৰ গণতন্ত্ৰৰ প্ৰকৃত ছবি।

**কবিতা দেৱী,** *শিক্ষয়িত্ৰী*

বৰ্তমানো আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰত্যেক দলৰ প্ৰতিনিধিয়ে চৰকাৰ গঠনৰ বাবে বিভিন্ন শ্ল'গানেৰে জনসাধাৰণৰ মন জয় কৰিবৰ বাবে উঠি পৰি লাগিছে। এইবাৰ আমি মুখৰ কথাৰে নহয় প্ৰকৃতাৰ্থত জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোভাৱ থকা চৰকাৰ এখনহে কামনা কৰো। বান-গৰাখহনীয়া, নিবনুৱা সমস্যা, মূল্যবৃদ্ধি সমস্যা আদি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত অসমখনক এইসমূহ জ্বলন্ত সমস্যাৰ পৰা ইতিবাচক পদক্ষেপেৰে সকাহ দিব পৰা এখন সুস্থ চৰকাৰ আমি বিচাৰো। বান- গৰাখহনীয়াৰ কবলত অসমৰ একাংশ জনসাধাৰণে বছৰ বছৰ ধৰি জীয়াতু ভুগি আহিছে। আগৰ প্ৰতিখন চৰকাৰেই এই সমস্যাৰ প্ৰতি উদাসীন হোৱা দেখা গ'ল। বান-খহনীয়াৰোধৰ বাবে বিজ্ঞানসন্মত ব্যৱস্থা হাতত লৈ এই সমস্যাৰ স্থায়ী সমাধান দিব পৰা সততা থকা চৰকাৰ এখন আমি কামনা কৰো। প্ৰত্যেক বছৰেই ৰাজ্যখনত লাখ লাখ শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাই আহিছে। সোণোৱাল চৰকাৰখন দুই- এটা বিভাগত নিয়োগৰ ব্যৱস্থা কৰিছিল যদিও ইয়াক পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। আন আন বিভাগসমূহতো নিয়োগৰ ব্যৱস্থা কৰি নিবনুৱাৰ সংখ্যা হ্ৰাস কৰাটো আমি নতুন চৰকাৰখনৰ পৰা আশা কৰিম। ইয়াৰ উপৰি মৃতপ্ৰায় উদ্যোগসমূহ পুনৰ জীৱিতকৰণ কৰাৰ সদিচ্ছা থকা এখন চৰকাৰ আমি বিচাৰো। কুটীৰ উদ্যোগ, থলুৱা উদ্যোগসমূহলৈ বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়াই এইসমূহ উদ্যোগক জাকত জিলিকা ৰূপত গঢ়ি তোলাৰ মানসিকতা থকা এখন চৰকাৰ আমি বিচাৰো। ইয়াৰ উপৰি কৃষিৰ ক্ষেত্ৰখনলৈকো উন্নত মানৰ বীজ প্ৰদান, আধুনিক সা-সৰঞ্জামৰ যোগানেৰে কৃষকৰ মুখত হাঁহি-বিৰিঙাব পৰা চৰকাৰ এখন আমি কামনা কৰো।

> **এইবাৰ আমি মুখৰ কথাৰে নহয় প্ৰকৃতাৰ্থত জনসাধাৰণৰ প্ৰতি সেৱাৰ মনোভাৱ থকা চৰকাৰ এখনহে কামনা কৰো।**

মুঠতে এইবাৰ আমি সমাজৰ সকলো স্তৰৰ জনসাধাৰণৰ কল্যাণ সাধন কৰিব পৰা এখন কল্যাণকামী চৰকাৰ বিচাৰো; য'ত জনসাধাৰণে নিৰাপদে জীৱন-নিৰ্বাহ কৰিব পাৰে।

ফোন : ৭৩৯৯৬০৩৪৩

# বিকলাংগ গণতন্ত্ৰত নিৰ্বাচন

## প্ৰতিজন অসমীয়াই নিজৰ বিবেকক প্ৰশ্ন কৰি সঠিক সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছে

**হৰিশ চন্দ্ৰ নাথ**

**ভাৰতবৰ্ষৰ** 'নিৰ্বাচনী একনায়কত্ববাদ' আৰু অঘোষিত জৰুৰী অৱস্থাৰ এই জটিল সন্ধিক্ষণত অনুষ্ঠিত ২০২১ৰ অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ঘটি থকা অনাকাংক্ষিত, নিকৃষ্টতম কৰ্মকাণ্ডই আৰু ঘটিব লগা অৱধাৰিত কৰ্মকাণ্ডই সাম্প্ৰতিক কালত উত্তৰণ হোৱা গণতন্ত্ৰৰ কদৰ্য বিকলাংগ চেহেৰাটো জনসাধাৰণৰ মাজত পৰিস্ফুট হৈ পৰিছে। সংসদীয় গণতন্ত্ৰত ৰাইজৰ উন্নয়ন আৰু সুশাসনৰ স্বাৰ্থত শাসক বিৰোধীৰ সমানেই ভূমিকা আছে। প্ৰকৃতাৰ্থত নিৰ্বাচন মানে ৰাজনৈতিক দলবিলাকৰ ৰাইজৰ স্বাৰ্থত কাম কৰি থকা সৎ-নিকা ভাৱমূৰ্তিৰ শিক্ষিত সংস্কাৰী কৰ্মঠ প্ৰাৰ্থীক প্ৰক্ষেপ কৰিব লাগে। প্ৰতিটো দলেই তেওঁলোকৰ পাঁচ বছৰীয়া পৰিকল্পনা, কৰ্মসূচী ৰূপায়ণৰ ৰূপৰেখা ৰাইজৰ ওচৰত দাঙি ধৰিব লাগে। আলোচনা-বিলোচনা, যুক্তি-তৰ্কৰ মাধ্যমত ৰাইজে সিদ্ধান্ত ল'ব পৰা অৱস্থালৈ গমন কৰিব আৰু নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰি জনপ্ৰতিনিধি নিৰ্বাচন কৰিব।

কিন্তু আজি বাস্তৱ অৱস্থাত জাতিৰ নামত, ধৰ্মৰ নামত, অঞ্চলৰ নামত, সুকীয়া ৰাজ্য দাবীৰ নামত, ভাষাৰ নামত, সম্প্ৰসাৰণৰ নামত নিৰ্বাচনত অৱতীৰ্ণ হৈছে আৰু ঠগ, প্ৰৱঞ্চনা মিছা কথা, মিছা প্ৰতিশ্ৰুতি জালিয়াতিৰে জনসাধাৰণৰ আৱেগ-অনুভূতিক তৰান্বিত কৰি ক্ষমতা দখলেই হৈছে ৰাজনীতিৰ মূল নীতি। বামপন্থী আদৰ্শত বিশ্বাসীসকলৰ বাহিৰে ৰাইজৰ সেৱাৰ নামত ৰাজনীতি এক লাভজনক পেছাত পৰিণত হৈছে। আগন্তুক বিধানসভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি শাসকীয় বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট, কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ আসন ভাগ-বাটোৱাৰাৰ পৰা আৰম্ভ কৰি প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত ৰাইজে যিখন ছবি প্ৰত্যক্ষ কৰিছে এই ছবিখনে প্ৰতিপন্ন কৰিছে সংসদীয় গণতন্ত্ৰ সঁচাকৈ গাহৰিৰ গড়াললৈ ৰূপান্তৰিত হৈছে। দলীয় কৰ্মসূচী সম্পৰ্কে কোনো আলোচনা-বিলোচনা নাই, অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত নিৰ্দিষ্ট লক্ষ্য-উদ্দেশ্যৰ বাস্তৱ প্ৰতিফলনৰ কোনো স্পষ্ট ইংগিত নাই, সু-শাসন প্ৰতিষ্ঠাৰ কোনো ৰূপৰেখা নাই, অসমৰ লাখ লাখ নিবনুৱাক সংস্থাপনৰ কোনো বাস্তৱ কৰ্মসূচী নাই, কৃষকক উৎপাদিত ফচলৰ ন্যায্য মূল্য প্ৰাপ্তিৰ ক্ষেত্ৰত আইনী ব্যৱস্থা গ্ৰহণৰ কোনো কৰ্মসূচী নাই, অসমৰ দীৰ্ঘ দিনীয়া সমস্যা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, নাগৰিকত্ব সংশোধনী আইন ২০১৯ বাতিলৰ, অসম চুক্তিৰ ছয় নম্বৰ দফাৰ ৰূপায়ণৰ, অসমৰ জনজাতিসকলৰ সমস্যা সমাধানৰ কোনো বাস্তৱ বিজ্ঞান সন্মত কৰ্মসূচী নাই, আছে মাথোন আৱেগ ভৰা শ্ল'গান, জাতি-ধৰ্মৰ নামত আলোচনা-বিলোচনা, ব্যক্তিগত আক্ৰমণ, প্ৰত্যাক্ৰমণ মিছা প্ৰতিশ্ৰুতিৰ বন্যা। গাঁও চহৰৰ সাধাৰণ ৰাইজৰ কথা বাদেই, শিক্ষিত তথাকথিত বুদ্ধিজীৱী, লেখক, সাহিত্যিক, শিল্পী আদিকে কৰি ভাৰাতীয়া সমৰ্থকক লৈ নাচি-বাগি চাইকেলৰেলী, বাইক ৰেলী কৰি পদযাত্ৰা কৰি মন্দিৰে মন্দিৰে আৰাধনা কৰি নৃত্যগীত, বক্তৃতাৰ ফুলজাৰি আদিৰে জনসাধাৰণক আৱেগৰ নদীত ভেৰাৰ দৰে উটুৱাই লৈ নিজস্বাৰ্থ সিদ্ধি কৰাই হৈছে আজিৰ নিৰ্বাচন। আজিৰ গণতন্ত্ৰ। আজিৰ ৰাজনীতি।

২০১৬ৰ নিৰ্বাচনত অসমীয়াৰ জাতি-মাটি ভেটি ৰক্ষাৰ শ্ল'গান দি শৰাইঘাটৰ শেষ ৰণ কৰি অসমীয়া জাতিক উদ্ধাৰ কৰা মিত্ৰজোট চৰকাৰে অসমৰ জনতাক দিয়া প্ৰতিশ্ৰুতি পাঁচ বছৰীয়া শাসন কালত পূৰ্ণ কৰিলেনে? আকৌ একেই প্ৰতিশ্ৰুতি, প্ৰলোভন, অসমীয়া জাতিৰ আৱেগ-অনুভূতিৰ তুচ্ছ-তাচ্ছিল্য কৰা নহয়, লাগে ৰাজনৈতিক দলবিলাকৰ পাঁচ বছৰীয়া 'একছনপ্লেন'। প্ৰতিজন অসমীয়াই নিজৰ বিবেকক প্ৰশ্ন কৰি সঠিক সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছে।

সামাজিক মাধ্যম, ছপামাধ্যমত প্ৰকাশ পোৱা জনপ্ৰতিনিধিৰ কিছুমান তথ্যই ভোটাৰ ৰাইজৰ বিবেকৰ মন্থন আৰু অন্ধভক্তসকলৰ চকু মেলখোৱাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ পাঁচ বছৰীয়া শাসন কালৰ মন্ত্ৰী-বিধায়কৰ ৰাইজৰ বিকাশৰ নামত হোৱা সম্পত্তি বৃদ্ধিৰ তালিকাখন চালে মুখ্যমন্ত্ৰী সোণোৱাল, অসমৰ প্ৰৱল প্ৰতাপী ভাবী মুখ্যমন্ত্ৰী ড° শৰ্মাৰ পৰা আৰম্ভ কৰি অগপৰ অতুল বৰা, কেশৱ মহন্তৰ সম্পত্তি কেনেকৈ ইমান বাঢ়িল? এই সম্পৰ্কত বৃদ্ধিৰ উৎস কি? নিশ্চয় ৰাইজে জনাৰ অধিকাৰ আছে। কাৰণ তেওঁলোক জনপ্ৰতিনিধি। নহ'লে ৰাইজে ছিণ্ডিকেটৰ ধন, গৰু ছিণ্ডিকেটৰ ধন, উন্নয়নৰ ধন আত্মসাৎ, নিয়োগ, বিষয়া বদলিৰ নামত আৰ্জিত ধন, ঠিকাদাৰ, দালালৰ পৰা আৰ্জিত ধন আৰু অন্যান্য, নিশ্চয় ভবাৰ থল আছে। যদি ৰাইজৰ স্বাৰ্থত দলৰ স্বাৰ্থত মন্ত্ৰী, এম এল এৰ সম্পত্তি বৃদ্ধিৰ এক চিৰাচৰিত প্ৰথা তেনেহ'লে ২৫ বছৰে শাসনৰ গাদীত থকা ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক সৰকাৰৰ সম্পত্তি নাবাঢ়িল কিয়। কাৰণ তেওঁৰ নীতি-আদৰ্শ, ত্যাগ আৰু ৰাইজৰ সেৱাই য'ত ধৰ্ম তাত অতুল, কেশৱ মহন্তসকলৰ দৰে ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ কোনো স্থান নাই। ঠিক তেনেকৈ মূল্যবোধৰ ৰাজনীতি বিশ্বাসী শৰৎ সিংহ, গোলাপ বৰবৰা, অগপৰে প্ৰাক্তন মন্ত্ৰী থানেশ্বৰ বড়ো, প্ৰাক্তন এম এল এ প্ৰেমধৰ বৰা আৰু বহুতো আদৰ্শবান ব্যক্তিৰ বাবে ৰাজনীতি ধন ঘটাৰ, সম্পত্তি বৃদ্ধি কৰাৰ পেছা নাছিল। আছিল জনসেৱা। জনতাৰ প্ৰতিনিধি তেওঁলোক। বামপন্থী প্ৰাক্তন বিধায়ক হেমেন দাস সৰভোগৰ পৰা প্ৰতিনিধিত্ব কৰা চাৰিবাৰ বিধায়ক; কিন্তু হেঙেৰাবাৰীস্থ হাউছিং কলনীৰ গৃহত থাকে। গুৱাহাটীত নাই কোনো নিজস্ব গৃহ। অসমত এনেকুৱা জনপ্ৰতিনিধি বহুত আছে। দুৰ্নীতি-ভ্ৰষ্টাচাৰ, মিছা প্ৰতিশ্ৰুতি লাগবান্ধ নোহোৱা কথা, সস্তীয়া ক্ৰিয়া কৰ্ম তেওঁলোকৰ জনজীৱনৰ পৰা বহুদূৰৈত। অসমৰ ছপামাধ্যম,



বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যমসমূহে নৱপ্ৰজন্মক মূল্যবোধৰ ৰাজনীতিত উদ্বুদ্ধ কৰাৰ বাবে, ভৱিষ্যতে সৎ-স্পষ্টবাদী-দায়িত্বশীল নাগৰিক হোৱাৰ বাবে এইবোৰ দিশতে যথেষ্ট গুৰুত্ব দিয়া প্ৰয়োজন।

অসমৰ প্ৰচাৰ মাধ্যমসমূহে তৃণমূল নেত্ৰী মমতা বেনাৰ্জী নন্দীগ্ৰামত আক্ৰমণৰ সন্মুখীন হোৱা বুলি প্ৰচাৰ চলাইছে; য'ত সেই ঠাইত ঘটনা সংঘটিত হোৱাৰ সময়ত উপস্থিত থকা ব্যক্তিসকলে সামাজিক মাধ্যমত খুঁটাত খুন্দা খোৱা নিজ চকুৰে দেখা বুলি প্ৰকাশ কৰিছে। অসমৰ ওচৰতে থকা পশ্চিমবংগত নতুনকৈ গঠন হোৱা এজনো জনপ্ৰতিনিধি নথকা ভাৰতীয় ধৰ্ম নিৰপেক্ষ দলক (ইণ্ডিয়ান ছেকুলাৰ ফ্ৰণ্টক) বামপন্থী দলে বাম-কংগ্ৰেছৰ মৰ্চাত অংশীদাৰ কৰি ৩০খন আসন এৰি দিছে। অকল বিজেপিক প্ৰতিহত কৰাৰ বাবে। তাততো বামপন্থীৰ মাজত কোনো বিদ্ৰোহ নাই। নাই কোনো প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত; কিন্তু বংগ- বিজেপি-তৃণমূলৰ মাজত দল বদলি চলিয়েই আছে। প্ৰাক্তন তৃণমূলৰে গঠিত বংগ-বিজেপিয়ে ক্ষমতাৰ স্বাৰ্থত সকলো নীতি-আদৰ্শ বিসৰ্জন দিছে। অসমৰ সংবাদ মাধ্যমত এইবোৰ প্ৰচাৰ নাই, আলোচনা-বিলোচনা নাই; কিন্তু মমতা বেনাৰ্জীৰ নাটকৰ অপপ্ৰচাৰত কোনো ত্ৰুটি কৰা নাই। ৰাজনৈতিক দল মৰ্চা, প্ৰাৰ্থী বাছনি, প্ৰচাৰ. ভোটগ্ৰহণ, গণনা, চৰকাৰ গঠন, হোটেলৰ কোঠাত বিধায়কৰ কিনা বেচা, বন্দিত্ব এইবোৰ সাংবিধানিক প্ৰক্ৰিয়াত চলি থকা অসাংবিধানিক কৰ্মকাণ্ডই প্ৰমাণ কৰিছে আইন-কানুন মতে নিৰ্বাচন নচলে, চলে কেইজনমান ব্যক্তিৰ নিৰ্দেশনাত। এয়ে হৈছে গণতন্ত্ৰৰ বিকলাংগ অৱস্থা।

প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত কিছুমান দলে প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা আৰু প্ৰাৰ্থীজনক অতীতৰ কলংকিত অধ্যায় বিবেচনা নকৰি কেৱল ধনক যোগ্যতাৰ আধাৰৰূপে বিবেচিত কৰি প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। শিক্ষিত চিন্তাশীল ব্যক্তিৰে গঠিত সমাজ ব্যৱস্থাৰ বাবে আৰু সুস্থ গণতন্ত্ৰৰ বাবে ই এক প্ৰত্যাহ্বান হৈ পৰিছে।

বামপন্থী দল, অসম সংগ্ৰামী মঞ্চ আৰু কিছুমান আদৰ্শ পুষ্ট ব্যক্তিক বাদ দি কংগ্ৰেছ, বিজেপি, ৰাইজৰ দল, অগপ, অসম জাতীয় পৰিষদ সংযুক্ত গণতান্ত্ৰিক মৰ্চা (এ আই ইউ ডি এফ)ৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত ৰাইজৰ স্বাৰ্থতকৈ ব্যক্তি স্বাৰ্থৰ বহিঃপ্ৰকাশ, দলীয় আনুগত্য অনুশাসনৰ অভাৱ এইবোৰ সামাজিক মাধ্যমত, টিভিৰ পৰ্দাত পৰিস্ফুত হোৱা ছবিবোৰে প্ৰতিপন্ন কৰিছে যে ৰাজনীতিয়ে ধুৰন্ধৰৰ শেষ আশ্ৰয় থল। এই ক্ষেত্ৰত অসমৰ ৰাজনীতিত চিৰ পৰিচিত কিছুমান ৰাজনীতিবিদৰ সাম্প্ৰতিক ৰাজনৈতিক অৱস্থান, ভাষ্যই, অসম সাহিত্য সভাৰ মান-মৰ্যাদা ভুলুণ্ঠিত কৰা পৰমানন্দৰ কৰ্মকাণ্ডই পৱিত্ৰ ৰাজনৈতিক নীতি- আদৰ্শহীন কৰি স্বাৰ্থপৰ মিলনস্থলীক এক ৰাজনৈতিক-গণিকালয়ত পৰিণত কৰিছে।

অসমৰ চিন্তাশীল বুদ্ধিজীৱী, আলু-বেঙেনাৰ দৰত বিক্ৰী নোযোৱা শিল্পী-সাহিত্যিক, খেলুৱৈ আদিকে কৰি অসমৰ ব্যক্তিসকলে ৰাজনীতিৰ এই অপসংস্কৃতি ৰোধ কৰাৰ বাবে যাতে আমাৰ সাহিত্য-সংস্কৃতি সমন্বয়েৰে গঠিত সমাজ ব্যৱস্থা কলুষিত কৰিব নোৱাৰে তাৰ বাবে ব্যক্তিগতভাৱে বা সমূহীয়াভাৱে বাস্তৱ সন্মত কৰ্মসূচী গ্ৰহণ কৰাৰ সময় আহি পৰিছে। নহ'লে এদিন আমাৰ নাতি-নাতিনীসকলে প্ৰশ্ন কৰিব লোকে কৰা নাই বেলেগ কথা, আপুনি কিয় মৌন হৈ থাকিল? আপুনি আমাৰ বাবে কিয় চিন্তা নকৰিলে?

ফোন : ৯১০১১৪৬২৪১

## পাটকাই সভ্যতা আৰু সাম্প্ৰদায়িক ঠিকাদাৰসকল

**কল্প ৰঞ্জন গগৈ**

**আমি** ব্যক্তিগতভাৱে অনুভৱ কৰো যে ভাৰতবৰ্ষৰ জনতাৰ দ্বাৰা নেতা নিৰ্বাচন কৰা ব্যৱস্থা নিজৰ সাংবিধানিক কক্ষপথৰ পৰা পতিত হৈ বৰ্তমানৰ গোলকীয় অসভ্যালিৰ লগত সংলগ্ন হৈ এক অদ্ভুত অৱস্থাৰ সৃষ্টি কৰিছে। যাৰ ফলত আমি অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিকসকলে বিব্ৰতবোধ কৰিছো। আমি নিৰো নহয়, যি দেশ জ্বলিলে বীণা বজাব পাৰে। আমি দেখিছো যে তাহানিৰে পৰা আজিলৈ ক্ৰমান্বয়ে হোৱা অৱক্ষয়ৰ ফলত সমাজ জীৱন ক্ষত বিক্ষত।

আমাৰ আদিপুৰুষ চাওলুং ছ্যুকাফা আৰু তেওঁৰ লগত অহা বাহিনীয়ে পাটকাই সভ্যতা লগত লৈ আহি থলগিৰী কিৰাট কছাৰীৰ লগত মিলি assimilation, amalgamation and merger আলহী হৈ নাথাকি থলগিৰিৰ আহোম জাতি যাক আজি অসমীয়া মহাজাতি বুলি কোৱা হৈছে, গঠন কৰিছিল। সম্প্ৰদায়ৰ ঠিকাদাৰ বা এস্বেছাডৰসকলৰ প্ৰভাৱত আহোম হৈ পৰিল এটা সম্প্ৰদায়। আহোম প্ৰশাসনৰ ডা-ডাঙৰীয়া বা প্ৰশাসনৰ বাহিৰৰ সকলো লোকে চিনাকি দিব ধৰিলে 'আলাগ আলাগ' জাতিৰ বুলি। বেজবৰুৱা, বৰকাকতী, বৰকটকী, বৰঠাকুৰ, চাংকাকতী আদি ওপৰ খাপৰ ডা-ডাঙৰীয়াসকলৰ কথা বাদেই বৰা, শইকীয়া, হাজৰিকা, চমুৱা আদিসকলেও বেলেগ বুলি চিনাকি দিবলৈ ধৰিছে। ইয়াৰ ফলত এক বিৰোধী সভ্যতা-যি 'গণবুৰঞ্জীৰ' ওপৰত প্ৰতিষ্ঠিত নহয় তেনে ধৰণৰ কথাবোৰ সাম্প্ৰদায়িক ঠিকাদাৰসকলে সম্প্ৰসাৰণ ঘটাই আহিছে।

আমি আহোম ৰয়েল ছ'চাইটিয়ে বিশ্বাস কৰো যে বুৰঞ্জীৰ সত্যবোৰো সঠিকভাৱে বিশ্লেষণ নকৰাকৈ মনা উচিত নহয়। আমাৰ মতে সকলো টাই আহোম হ'লেও সকলো আহোমেই টাই নহয়। সেয়ে আমাৰ পাটকাই সভ্যতাৰ মহান বাণী যি ভগৱান বুদ্ধৰ ওপৰত প্ৰতিষ্ঠিত তাৰ ওপৰত নিৰ্ভৰ কৰি এক মতৰ 'মটক অসমীয়া' জাতি গঢ়িব বিচাৰো। বৰ্তমান সময়ৰ যি গভীৰ সাংস্কৃতিক সংকটে দেশ নালাগে সমগ্ৰ পৃথিৱীতে ক'লা দিনৰ সৃষ্টি কৰিছে তাৰ লগে লগে অনেক সম্ভাৱনাৰ জন্মও দিছে।

আজি যিহেতু বিজ্ঞানৰ ঠাই লৈছে বিজ্ঞাপনে সেয়ে যুক্তিৰ স্থান লৈছে কুযুক্তিয়ে, আত্মবিশ্বাসৰ স্থান লৈছে আত্মসমৰ্পণে আৰু স্বাৰ্থপৰতা, ব্যক্তিকেন্দ্ৰিকতাই ফুটচাই হিচাপে মানৱতাৰ অণ্ঠা ঢাকি ধৰিছে তেনে এটা সময়তো আমি সাম্প্ৰদায়িক ঠিকাদাৰসকলক আমাৰ জাতীয় জীৱন ধ্বংস কৰাত বাধা দিব লাগিব।

আমি অতীতমুখী নহয়; কিন্তু অতীতৰ মহানতাখিনিক ভৱিষ্যতৰ সেৱাত নিয়োগ কৰিব বিচাৰো ভগৱান বুদ্ধৰ মহান বাণী-পোহৰ আহক সকলোৰে বাবে-সুৰ্যোদয় ঘটক সকলোৰে জীৱনত-এই ধাৰণাৰহে 'ব্ৰেণ্ড এম্বেছাডৰ'।

১৭৯২ত স্বৰ্গদেউ গৌৰীনাথ সিংহই প্ৰজাক দমন কৰিবলৈ আমন্ত্ৰণ কৰি অনা ব্ৰিটিছে গৰকা আগৰ দেশ আৰু ১৮২৬ৰ বেলিমাৰ পাছত ব্ৰিটিছৰ সেৱাৰ বাবে অনা চাহঘৰীয়া আৰু ১৯৪৭ৰ আগৰ ভাতঘৰীয়াৰ লগতে সহযোগী হৈ অহাসকল আমাৰেই জ্ঞাতি। অৱশ্যে চৰ্তসাপেক্ষে। মোৰ কথাখিনিত আবেগ আছে, ভুলো আছে; কিন্তু ১৯৮০ৰ পৰা ২০১৮ জানুৱাৰীলৈ আমাৰ অন্নদাতাসকলৰ লগত থাকি এটা কথা স্পষ্টভাৱে ক'ব পাৰো যে সম্প্ৰদায়ৰ ঠিকাদাৰসকলে কৃষকৰ পথাৰ কলুষিত কৰিব পৰা নাছিল। ভৱিষ্যত অসমৰ দস্তাবেজ কেনে হ'ব লাগিব তাৰ ওপৰতহে অনুশীলন কৰক আমাৰ জ্ঞাতি-থলগিৰীসকলে।

ফোন : ৯১০১৮৪৬৮২২

## ইংৰাজী ভৌতিক গল্প আৰু এম আৰ জেমছ

### সাহিত্যৰ ৰূপৰেখা
### ড° নিভাৰাণী ফুকন



**সৃষ্টিশীল** লেখক এগৰাকীয়ে যি কোনো বস্তু বা বিষয়কে ভিত্তি হিচাপে লৈ নিজৰ সৃষ্টি নিৰ্মাণ কৰিবলৈ সমৰ্থ। বিশ্ব সাহিত্যত এনে অলেখ লেখক-লেখিকাৰ নাম জিলিকি আছে। কোনো কোনোৱে আকৌ কিছুমান অগতানুগতিক বিষয়ত সৃষ্টি কৰিবলৈ তৎপৰ হয়। তেনে এগৰাকী উৎসাহী, উদ্যোগী লেখক হৈছে ইংৰাজ লেখক মণ্টেগু ৰোড্‌চ্ জেমছ (এম আৰ জেমছ)। তেওঁৰ জন্মকাল হৈছে ১৮৬২ৰ পহিলা আগষ্ট আৰু জন্মস্থান কেণ্টৰ গুড নাইটষ্টন। তেওঁৰ পিতৃ হাবাৰ্ট জেমছ গিৰ্জাৰ এগৰাকী অধিকাৰী বিষয়া আছিল। তেওঁৰ মাতৃৰ নাম আছি মেৰী এমিলি। পুৰাতত্ত্বৰ প্ৰতি আগ্ৰহী এইগৰাকী লেখকৰ শিক্ষা জীৱন ভালদৰে অতিবাহিত কৰাৰ পিছত তাৰ ডন আৰু পাছত প্ৰ'ভোষ্ট হৈছিল। তেওঁ মধ্যযুগীয় সাহিত্যৰ এগৰাকী বিদগ্ধ পণ্ডিত আছিল। তেওঁ এৰিষ্ট'ফেন্সৰ নাটক 'দ্য বাৰ্ডছ' মঞ্চস্থ কৰিছিল। এয়া তেওঁৰ ব্যক্তিগত জীৱনৰ এটা বিশেষ নাট্য ৰচনা আছিল।

ভৌতিক গল্পৰ স্ৰষ্টাৰূপে এম আৰ জেমছৰ এটা বিশেষ ভাল লগা বিষয় আছিল পুৰাতত্ত্ব। তেওঁ নিজেও নিজৰ লেখা প্ৰস্তুত কৰোতে ক'ৰবাত নহয় ক'ৰবাত তেওঁৰ পুৰাতত্ত্ব প্ৰীতি ফুটি উঠিছে। তেওঁ আৱিষ্কাৰ কৰি অধ্যয়ন কৰা লিপিৰ অৱশিষ্টাংশই চেইণ্ট এডমাণ্ডত থকা সন্ন্যাসী সকলৰ সমাধিক্ষেত্ৰৰ সন্ধান কৰাত সহায় কৰিলে। সেই অধ্যয়নৰ ভিত্তিত ভালে সংখ্যক সন্ন্যাসীৰ কবৰৰ অৱস্থিতি উদ্ধাৰ কৰিব পৰা গৈছিল। তাৰ বাহিৰেও তেওঁ ভালে কেইখন পুৰাতত্ত্ব বিষয়ক আৰু মধ্যযুগীয় প্ৰসংগক লৈ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

কেম্‌ব্ৰীজৰ Fitzmilliam Museumৰ সঞ্চালক হিচাপে তেওঁ সংগ্ৰহালয়টোৰ বাবে ভালেসংখ্যক মূল্যবান চিত্ৰ আৰু লিপি সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ সংগ্ৰহ কৰা চিত্ৰসমূহৰ ভিতৰত টিটিয়ানৰ বিখ্যাত চিত্ৰ কেইখনমান উল্লেখযোগ্য। তেওঁ ১৯১৮ৰ পৰা ১৯৩৬লৈ এটন কলেজৰ প্ৰভোষ্টৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৩০ত তেওঁক Order of Merit প্ৰদান কৰা হৈছিল। ১৯৩৬ত ৭৩ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰিছিল।

ভৌতিক গল্পৰ ৰচনাত সিদ্ধহস্ত এইগৰাকী লেখকে ভৌতিক গল্পৰ ভালেকেইটা সংকলন প্ৰকাশ কৰিছিল। সেই সমূহৰ ভিতৰত Ghost stories of an Antiquary, A Thin Ghost and others, A Warning to the Curious and other Ghost Stories উল্লেখযোগ্য। খ্ৰীষ্টমাছৰ সময়ত ৰচিত ভালেসংখ্যক ভৌতিক গল্প তেওঁ তেওঁৰ বন্ধু-বান্ধৱক শুনাবলৈ ৰচনা কৰিছিল। তেওঁ তেওঁৰ ভৌতিক গল্প নিৰ্মাণত কিছুমান বিশেষ দিশৰ প্ৰতি চকু দিছিল। যেনে- গল্পৰ পটভূমিৰূপে নিৰ্ধাৰণ কৰা হৈছিল এখন আওহতীয়া গাওঁ বা সাগৰৰ পাৰত অৱস্থিত গাওঁ। স্থান বিশেষে সাগৰৰ পাৰৰ গাওঁ, কোনো প্ৰাসাদ, ফ্ৰান্স, ডেনমাৰ্ক বা ছুইডেনত অৱস্থিত কোনো প্ৰাচীন চহৰ বা কোনো মঠ অথবা বিশ্ববিদ্যালয়ৰ কক্ষ। কেন্দ্ৰীয় চৰিত্ৰ বা নায়ক (কথাকাৰ) ৰূপে নিৰ্বাচিত কৰা হৈছিল সহজ-সৰল ভদ্ৰলোক বা গৱেষক-পণ্ডিত। কোনো পুৰাতাত্ত্বিক সমলৰ উদ্ধাৰ বা কোনো পুৰণি পুথিৰ আৱিষ্কাৰৰ পিছত সৃষ্টি হোৱা ঘৰুৱা অশান্তি বা ব্যক্তি বিশেষৰ জীৱনলৈ নামি অহা অভিশাপ যাৰ বাবে দায়ী কোনো অশৰীৰী শক্তি বা ভূত-প্ৰেত। সেই অভিশাপ আৰু শংকাৰ কাৰণ সাধাৰণতে কোনো কবৰৰ পৰা ওলাই অহা অশৰীৰী আত্মা ইত্যাদি। লেখকৰ দৃষ্টিত তেওঁ তেওঁৰ পাঠকসকলৰ মনত এনেকুৱা এটা ভাব আনি দিব খুজিছিল যাতে পঢ়ুৱৈয়ে এইটো ভাবি ল'বলৈ বাধ্য হৈছিল যে যদিহে তেওঁ সাৱধান নহয় তেতিয়াহ'লে তেওঁৰ ক্ষেত্ৰতো গল্পত থকা নায়ক-নায়িকাৰ দৰে ভূতৰ কবলত পৰিব পাৰে। গল্প নিৰ্মাণ কাৰ্যত তেওঁ কেইটামান দিশত গুৰুত্ব দিছিল। এটা হৈছে পৰিবেশ আৰু আনটো হৈছে সুব্যৱস্থিত শীৰ্ষ বিন্দু (গল্পটোৰ কাহিনীভাগৰ)। গল্প একোটাত সকলো সাধাৰণ, স্বাভাৱিকভাৱে আৰম্ভ হয়। চৰিত্ৰসমূহৰ ব্যৱহাৰ আৰু আচাৰ-আচৰণ নিতান্ত স্বাভাৱিক হয়। কাহিনীভাগ আগবাঢ়ি যোৱাৰ লগে লগে আচহুৱা পৰিবেশ, পৰিস্থিতিয়ে ক্ৰমশঃ মূৰ দাঙি উঠে। এটা সময়ত সেই আচহুৱা পৰিস্থিতিয়ে শীৰ্ষ বিন্দু লাভ কৰে আৰু গল্পকাৰৰ উদ্দেশ্যও তাতেই সিদ্ধি হয়। বীভৎসতা আৰু ক্ৰূৰতা তেওঁৰ ভৌতিক গল্প সৃষ্টিসমূহৰ অন্য এটা উল্লেখযোগ্য দিশ। সমালোচকৰ দৃষ্টিত তেওঁৰ ভালেমান গল্পত হিংস্ৰ মানৱৰ নৃশংসতা ফুটি উঠা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে তেওঁৰ গল্প Last Heart-ত তন্ত্ৰ-মন্ত্ৰৰ লগত জড়িত ব্যক্তিয়ে কিশোৰ-কিশোৰীৰ জীৱন্ত দেহৰ পৰা সিহঁতৰ হৃদপিণ্ড কাটি উলিয়াই লৈ গৈছিল। এনে ভয়ংকৰ, বীভৎস চিত্ৰৰ বৰ্ণনাই দুৰ্বল মনা পাঠকক ত্ৰাসিত কৰিব।



অৱশ্যে তেওঁৰ ভৌতিক গল্পসমূহে পূৰ্বৰ আৰ্হিৰপৰা ফালৰি কাটি আছিল। তাৰ কাৰণ হ'ল মধ্যযুগীয় ভৌতিক গল্পসমূহত উপস্থিত থকা আগশাৰীৰ গাঁথিক উপাদানসমূহৰ ভালে সংখ্যক উপাদানক তেওঁ নিজৰ গল্পৰ পৰা আঁতৰাই তাৰ সলনি কেতবোৰ নতুন যুক্তিসংগত, বিজ্ঞান আধাৰিত উপাদানৰ প্ৰয়োগ কৰিছিল। সিয়ে তেওঁ ৰচনা কৰা ভৌতিক গল্পসমূহক বাস্তৱৰ ক্ষেত্ৰলৈ নমাই আনি গল্পৰ বিষয়বস্তুৰ বিশ্বাসযোগ্য বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছিল। সৃষ্টিশীল কলাৰূপে চুটিগল্প ৰচনা এক উল্লেখযোগ্য নিৰ্মিতি। এই উপলব্ধি এম. আৰ. জেমছে বাৰুকৈয়ে উপলব্ধি কৰিছিল। ভৌতিক জগতখনৰ লগত পুৰাতত্ত্বক সামৰি তেওঁ যি লানি গল্পৰ সৃষ্টি কৰি গৈছে সেয়া তেওঁৰ সৃষ্টিশীল প্ৰতিভা পৰিমাপৰ বাবে যথেষ্ট।

neevarani11@gmail.com

## অখ্যাত লেখকৰ জনপ্ৰিয় সৃষ্টি
## লাইফ অৱ এ ড্ৰাইভাৰ-কেবিনৰ ইপাৰে

**লাইফ** অৱ এ ড্ৰাইভাৰ-কেবিনৰ ইপাৰে'ৰ স্ৰষ্টা ৰূপম দত্ত। যিখন উপন্যাস ৩৩ সংখ্যক গুৱাহাটী গ্ৰন্থমেলাত বেষ্ট চেলাৰৰূপে অভিলেখ ৰচনা কৰিছে। অখ্যাত লেখকৰ জনপ্ৰিয় সৃষ্টি। উপন্যাসখন পঢ়ুৱৈ সমাজৰ পৰা ভাল আদৰ পাইছে।

১২ ফেব্ৰুৱাৰী, ২০২১ত ড° এম গোপাল সিং আৰু ড° মলিনা দেৱী ৰাভাৰ বাসগৃহত ৰূপম দত্ত আহে। ড° মলিনা দেৱী ৰাভা ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। ড° এম গোপাল সিং সেইখন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপকৰ পৰা উপাধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰিছে। তেওঁলোকৰ ছোৱালী গীতিস্মিতা সিংহৰ আহ্বানক্ৰমে দত্ত সেইদিনা পুৱা পাঁচ বজাত তিনিচুকীয়াৰ পৰা ধূপধৰালৈ আহে। আবেলি এক বজাত তেওঁক দেখা কৰাৰ আমাৰ সৌভাগ্য হয়। ধূপধৰাৰ বহুকেইজন ড্ৰাইভাৰে দত্তক দেখা কৰি ফুলাম গামোচা দি সম্ভাষণ জনায়। দত্তই তেওঁলোকৰ সম্ভাষণ গ্ৰহণ কৰি কয় 'মই ড্ৰাইভাৰ। আপোনাক মোৰ পৰম বন্ধু, সকলোকে নমস্কাৰ।' অমায়িক আচৰণ। সকলোৰে ভাল পালে। বাৰ্তালাপ হয় সদ্য প্ৰকাশিত পাঠক সমাজত জনপ্ৰিয় হোৱা ৰূপমৰ সৃষ্টি 'লাইফ অৱ এ ড্ৰাইভাৰ'-কেবিনৰ ইপাৰে উপন্যাসৰ ওপৰত।

১১৯ খণ্ডৰ ৪৮৮ পৃষ্ঠাৰ এখন ডাঙৰ গ্ৰন্থ 'লাইভ অৱ এ ড্ৰাইভাৰ'—কেবিনৰ ইপাৰে অতি কম দিনৰ ভিতৰত ই পঢ়ুৱৈৰ মন জয় কৰিব পাৰিছে। ধূপধৰাৰ দৰে মফচলীয়া ঠাইত এমাহ নহওঁতেই 'লাইফ অৱ এ ড্ৰাইভাৰ'ৰ দুশখনৰোধিক বিক্ৰী হোৱা খবৰ পোৱা গ'ল। অসমীয়া ভাষাৰ উপন্যাস ইয়াৰ আগতে 'লাইফ অৱ এ ড্ৰাইভাৰ'ৰ দৰে ইমান কম দিনৰ ভিতৰত জনপ্ৰিয় লাভ কৰিছিল নে নাই নাই নাজানো। এখন উপন্যাসে এইদৰে আদৰ পোৱা কথা প্ৰশংসনীয়।

লগতে প্ৰকাশক অনিল বৰুৱাক ধন্যবাদ দিব লাগিব। তেওঁ সাহ কৰি 'লাইফ অৱ এ ড্ৰাইভাৰ' যদি প্ৰকাশ নকৰিলেহেঁতেন পঢ়ুৱৈ সমাজে এনে অনুপম উপন্যাসখন পঢ়িবলৈ নাপালেহেঁতেন। দত্ত এজন নতুন লেখক। তেওঁৰ সৃষ্টিও নতুন। সাধাৰণতে ভাল সৃষ্টি হ'লেও প্ৰকাশকে অৰ্থৰ কথা চিন্তা কৰি নতুন অখ্যাত লেখকৰ গ্ৰন্থ প্ৰকাশ কৰিবলৈ ইচ্ছা নকৰে। প্ৰকাশৰ সুবিধা নাপাই বহু নতুন লেখকৰ ভাল সৃষ্টি সুপ্ত হৈ থাকে। অনিল বৰুৱাই অখ্যাত লেখক দত্তৰ সৃষ্টিক মৰ্যাদা দিলে। ফলত দত্তই অসমীয়া সাহিত্যৰ ক্ষেত্ৰত খোপনি পুতিলে। দত্তই কৈছে—'লাইফ অৱ এ ড্ৰাইভাৰ' এইখন এখন কিতাপ বা এটা কাহিনী নহয়, মোৰ বাবে ইয়াৰ প্ৰতিটো শব্দ আছে মোৰ অন্তৰৰ অনুভূতি। সততে ড্ৰাইভাৰসকলৰ প্ৰতি থকা নিম্নভাৱনা আৰু তিক্ত মনোভাৱে মোৰ অন্তৰত প্ৰতি দিনেই আঘাত দি গৈছিল। কিয়নো প্ৰায় পোন্ধৰ বছৰ মই নাইট ছুপাৰ চলাইছিলো। এজন ড্ৰাইভাৰৰ কষ্ট, কৰ্তব্যনিষ্ঠা সাধাৰণ জনগণক জ্ঞাত কৰাটো মোৰ উদ্দেশ্য আছিল। এজন ড্ৰাইভাৰ আচলতে যে এজন মানৱ, তেওঁৰো পৰিয়াল আছে, তেওঁৰো প্ৰেয়সী আছে, তেওঁৰো অন্তৰ আছে, দুখ-বেদনা আছে সেয়া সকলোৰে জনাটো জৰুৰী'। সাৰাংশ এইখিনিয়ে উপন্যাসখনৰ।


গ্ৰন্থখনৰ আৰম্ভণিৰপৰা শেষলৈকে দত্তই সাৱলীল ভাষাৰে নিজৰ জীৱনৰ কাহিনী বৰ্ণনা কৰিছে। দত্ত এজন শিক্ষিত লোক, এজন ড্ৰাইভাৰ, এজন লেখক, আৰু 'লাইফ অৱ এ ড্ৰাইভাৰ'ৰ নায়ক। ড্ৰাইভাৰ জীৱনৰ তিতা-মিঠা অভিজ্ঞতা বিভিন্ন সময়ত মুখামুখি হোৱা ঘটনাৱলী কৃপণালি নকৰি খোকোজা নলগাকৈ জীৱনৰ কথা কৈছে। বাস্তৱ সত্য কথা, পঢ়িলে আমনি নালাগে। সহজ-সৰল ভাষা। নিজৰ কথা কোৱাৰ লগতে সমাজত ঘটি থকা নানান ঘটনা, সমাজৰ ভুলবোৰ আঙুলিয়াই দিবলৈ ৰূপমে পাহৰা নাই। মই জনাত ড্ৰাইভাৰৰ জীৱনক লৈ লিখা অসমীয়া উপন্যাস নিশ্চয় এইখনেই প্ৰথম হ'ব। অজ্ঞাত আছে যদি নাজানো।

সেইদিনা দত্তৰ লগত আমি প্ৰায় ৩০ মিনিটমান সময় কটাইছিলো ড° এম গোপাল সিঙৰ বাসগৃহৰ চোতালত অতি আন্তৰিকতাৰে। 'লাইফ অৱ এ ড্ৰাইভাৰ' পঢ়ি মুগ্ধ হোৱা কিছু পঢ়ুৱৈ আহি গামোচা দি ৰূপমক শ্ৰদ্ধাৰে মৰম যাচিলে লগতে ড° সিঙৰ পৰিয়ালে শৰাই এখনকে মান ধৰিলে। আমি বড়োৰ মান্য বস্ত্ৰ আৰণাই এখন দিলো। তেওঁৰ ভৰি ছুই সেৱা জনালে আৰু ক'লে 'মোক আপুনি নক'ব, তুমি বুলি মাতিব'। মই হতভম্ব হ'লো। মোৰ জিভা কোচ খালে। মূৰে-গালে হাত বুলালো। কি যে এক অনুভূতি! ৰূপমৰ সৰলতাক মান ল'ব লগা হ'ল। ক'লে 'সময় কম, কথা বহু কোৱা নহ'ল। মই আকৌ ধূপধৰালৈ আহিম। আপোনাৰ ঘৰত ভাত খাম, কথা পাতিম।' ৰূপম বিকালী মহাবিদ্যালয়লৈ গ'ল য'ত বহু নৱ প্ৰজন্মই 'লাইফ অৱ এ ড্ৰাইভাৰ'ৰ স্ৰষ্টাক দেখা কৰি বাৰ্তালাপ কৰাৰ বাবে অপেক্ষাত আছিল।

**জ্ঞান শংকৰ খাখলাৰী**

*ফোন ঃ ৯৪৩৫২৫৫৫৩৩৩*

## আমেৰিকাৰ প্ৰখ্যাত সাহিত্যিক
## হেনৰী মিলাৰ



**হেনৰী** মিলাৰ এনে এজন প্ৰখ্যাত সাহিত্যিক যি আমেৰিকাত এক প্ৰতিষ্ঠান বিশেষ। সুদীৰ্ঘ ৫০ বছৰ ধৰি উপন্যাস, প্ৰবন্ধ, গল্প আৰু চিত্ৰকলাৰ মাধ্যমত যি বিস্তীৰ্ণ সাম্ৰাজ্য তেওঁ তৈয়াৰ কৰিছিল তাৰ পৰিধি আজি নিৰ্ণয় কৰা টান। বিংশ শতিকাৰ মহান মহান সাহিত্যিকৰ শাৰীত তেওঁৰ স্থান।

কিন্তু সাহিত্য সৃষ্টিৰ পথ মিলাৰৰ বাবে সুগম নহয়। নিউয়ৰ্ক চহৰৰ ভাল চাকৰি, স্ত্ৰী, কন্যাৰ সংসাৰ এৰি ৩৯ বছৰ বয়সত ফ্ৰান্সলৈ গুচি গ'ল সাহিত্য সাধনাৰ বাবেই। হাতত কিন্তু তেনেকৈ অৰ্থ কড়িও নাছিল। সাধাৰণ হোটেলৰ সাধাৰণ খাদ্য খাই পাৰ কৰিছিল সময়। তথাপি চলাই গৈছিল সাহিত্য কৰ্ম।

১৯২৪ত পেৰিচৰ পৰা মিলাৰৰ Tropic of Cancer উপন্যাস প্ৰকাশ হয়। ইউৰোপৰ জনসমাজ চমকি উঠিল ইয়াৰ মাজত থকা বলিষ্ঠ প্ৰত্যয়। ইয়াত অশ্লীল শব্দ প্ৰয়োগ, জীৱনৰ আনন্দমুখৰ জয়গান। মিলাৰে নিজেই কৈছে— My whole aim in life is to get near the God, that is why it does not matter to me what rood I take. যিহওক Tropic of Cancer প্ৰকাশৰ পাছত মিলাৰৰ খ্যাতি আমেৰিকা-ইউৰোপত বিয়পি পৰিল। বিখ্যাত সাহিত্যিক জৰ্জ অৰৱেল, কাউণ্ট কাইজাৰলিঙে অভিনন্দন জনালে মিলাৰক। Tropic of Cancer প্ৰকাশৰ পাছত ক'বলৈ গ'লে মিলাৰে বিশ্ব সাহিত্যত স্থান এখন দখল কৰিলে।

ইয়াৰ পাছত মিলাৰে ৰচনা কৰে Tropic of Capricorn. এইখন গ্ৰন্থ ৰচনাৰ পাছত মিলাৰৰ প্ৰতিভা সম্পৰ্কে আৰু কোনো সন্দেহ থকাৰ সুৰুঙা নাই। পিছে গ্ৰন্থ দুখনত যি জীৱন সম্পৰ্কে যি সত্য যি তথ্য দাঙি ধৰা হৈছে তাৰে বিদ্বৎ মহলৰ গা শিয়ৰি উঠিল আৰু চৰকাৰৰ ঘৰত আবেদন কৰিলে গ্ৰন্থ দুখনৰ বিৰুদ্ধে। ফলত ফ্ৰান্সৰ বাবে সকলো ঠাইতে Tropic of Capricorn নিষিদ্ধ কৰা হ'ল পাছত দ্বিতীয় মহাযুদ্ধৰ শেষত মাৰ্কিন সৈন্যই কোটৰ পকেটত আমেৰিকালৈ লৈ আহি পঢ়িবলৈ ল'লে তেতিয়াৰে পৰা Tropic of Capricornৰ জনপ্ৰিয়তা বাঢ়িল ।

ইয়াৰ ভিতৰত মিলাৰে ৰচনা কৰে আলফা মাকাচ এণ্ড দি হোৱাইট ফাগোচাইটৰচ দি কলোচাচ অৱ মাৰচি দি এয়াৰ কণ্ডিচনচ নাইট মেয়াৰ। দি বুকছ ইন মাই লাইফ দি স্মাইল আৰ্ট (The Smile Art), দি ফুট অৱ দি লেডাৰ (The Foot of the ladder ইত্যাদি গ্ৰন্থ। এই সময়তে আমেৰিকান যুক্তৰাষ্ট্ৰৰ ছুপ্ৰিম কোৰ্টে যে লৰেন্স Lady Chalterly's Loverৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই ল'লে। তাৰে গইনা লৈ আমেৰিকাৰ Grove প্ৰেছে মিলাৰৰ সমস্ত বে-আইনী বুলি প্ৰচাৰ হোৱা গ্ৰন্থ প্ৰকাশ কৰিবলৈ ধৰিলে।

তাৰ পাছত মিলাৰে লেখিলে হোৱাইট দে'জ ইন ক্লিচি (এইখনৰ ওপৰত চিনেমা হৈছে)। তাৰ আগতেই মিলাৰৰ প্ৰতিভাৰ স্ফুৰণ ঘটিছে। গঠন হৈছে Henry Miller Fan Club, Henry Miller– Literary Society ইত্যাদি নানা সংগঠন। হেনৰী মিলাৰৰ ওপৰত ২০০ৰো ওপৰত Doctoral Thesis প্ৰস্তুত হৈছে। The Nightmare Book of Friends লেখাৰ সময়ত মিলাৰৰ বয়স ৮৫ বছৰ।

**ড° নৱকান্ত বৰদলৈ**

*ফোন ঃ ৯৪৩৫০৬৪৪৬২*

## অসমী আইৰ প্ৰতি

**ড° অনুভা বৰদলৈ বৰুৱা**

হেৰা নিলাজ পাহাৰ
তুমি দেখা নাইনে অসমী আইক কৰা অপমান
তুমি ইমান সহনশীল, ধৈৰ্যশীল হ'লা কেনেকৈ?
হে মহাবাহু ব্ৰহ্মপুত্ৰ তুমি আছা কেনেকৈ চাই?
থাকিবা নেকি তুমি বুৰঞ্জীকে লেখি।

জানা সময় বহুত হ'ল
তোমাৰ মহান শক্তিৰে কৰা আই মাতৃক পূজা
আমি পুত্ৰসৰে সাজিছো
পিন্ধি হাতত হেংদান লৈ
আমাৰ আছে প্ৰতিশ্ৰুতি
উভালিম অসমী আইৰ বুকুত বাহ লোৱা
পৰজীৱী, পৰাশ্ৰয়ী।
আমি পাৰিম, কাৰণ আমি কৰিছো জীৱন পণ
আমিয়েই যে আনিব লাগিব অসমী আইৰ
সন্মান আৰু গৌৰৱ পুনু
সেয়ে জানা সৰে একেলগে আগবাঢ়ো
শোৱাপাটী এৰিবৰ যে হ'ল কেতিয়াবাই।



## বসন্ত বাসনা

**মামণি ডেকা**

উদাৰ ফাগুনে
খৰমৰাইছে ধূলিয়ৰি দ্বীপত

চকুলো টুকিছে শুকান নৈখনে
নৈৰ নিস্তৰংগ বুকু খহিছে
ধূলিয়ৰি বাটচ'ৰাত বালিছন্দা জিলিকিছে
কেঁচা ৰ'দৰ তিলক সানি
নৃত্যৰতা ধূলিয়ৰি বাসনা

ফুটা-নুফুটা মাতেৰে
উদাস ফাগুনে খৰমৰাইছে
সৰাপাতৰ প্ৰেমিক ঘাটত

বুকুৰে বুকুৰে লালিত হৈছে
বসন্ত বাসনা—

## জাৰ

**ভৱেশ মিশ্ৰ**



জাৰ পৰিছে
পৰা নাইনে

ছাঁইৰ দ'মত
কুকুৰ এটাই গেঙাইছে
গেঙনিত শিয়ৰি উঠে ৰাতিটোৱে

ফুটপাথত বুঢ়া মানুহটো
থৰ লগা চকু দুটাৰে পোনাইছে
বৃদ্ধাশ্ৰমৰ ৰাতিটোৰ ফালে
সিৰামুৰি ধৰা আঙুলিবোৰত
উচুপিছে জাৰে

জাৰ পৰিছে
জাৰৰ স'তে কুঁৱলী
আমনি কৰা ধূলি আৰু কুঁৱলীৰ
মাজেৰে

খোজ কাঢ়িছে নগৰৰ গছবোৰে

ঘৰবোৰত কুঁৱলী
পথাৰত
বাটত
চকুৰ চেলাউৰিত
কিলাকুটিত
গোটেইখন ধুৱলী-কুঁৱলী

চকু টানি নিয়া নীৰৱতা
অথচ মোৰ টোপনি নাহে
কথা পাতে জাৰে
খুব গোপনে

জাৰ পৰিছে
জাৰৰ বৰষুণে মোক তিয়াইছে
একুৰা জুই ক'তো নাই

এজাক ৰ'দ
এছাটি বুকুৰ উম
পুৰাবলে' প্ৰাণৰ হেঁপাহ

জাৰ পৰিছে
প্ৰতিবাৰেই জাৰ পৰে
নকঁপি নকঁপি দিনবোৰ কঁপে
নকঁপেনে
এন্ধাৰবোৰ
জঠৰ-থৰ ভৰিৰ খোজবোৰ
শিলৰ দৰে।।

## প্ৰতিশ্ৰুতি

**দীপ্তি ঠাকুৰ গোস্বামী**

শান্তিৰ স্ৰোতস্বিনী বৈ থাকে
হিয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
এগছি বন্তিৰ পোহৰত

সেউজীয়া গেঁৰ ধৰা ধাননিৰ
সুৱাস বিচাৰি।

ভৱিষ্যতৰ মধুৰ স্বপ্নত
জীৱন পেণ্ডুলাম ঘূৰে
সুখ-দুখৰ কেঁকুৰিত
সঁচা প্ৰতিশ্ৰুতিৰ ঢৌ তুলি।

কিন্তু এজাক মলয়াৰ অপেক্ষাত
হেঁপাহৰ নদীত তিতি তিতি বন্দী
দুখ আৰু সুখ

তথাপিও সুখৰ নদীৰে
উৰি অহা ফাগুনী বতাহত
প্ৰেম ভালপোৱাৰ মেলা পাতি
নিৰোগী শৰীৰৰ প্ৰতিশ্ৰুতিৰে
ফাগুনৰ সমীৰণ লৈ
আশাৰে বাট চাই ৰ'ম।

## সুৰীয়া কবিতা

**সুৰেন্দ্ৰ মোহন নাথ**



এইখন দেশ আমাৰ দেশ
চিৰচেনেহী অসম দেশ
ভাৰতভূমিৰ পুণ্যপীঠ
স্বৰ্গতো অধিক অসম দেশ।

হিন্দু-বৌদ্ধ-খ্ৰীষ্টিয়ান
শিখ-জৈন-মুছলমান
জাতি-উপজাতি কতনা লেশ
পাহাৰী-ভৈয়ামী বহুতো বেশ
এইখন দেশ আমাৰ দেশ
চিৰচেনেহী অসম দেশ।

লুইতৰ বুকুলৈ আহিছে বৈ
পাহাৰী নিজৰা কতনা নৈ
লুইতে বুকুত সাৱটি লৈ
বইছে একেটি সুৰকে লৈ।

সুৱদী সুৰেৰে লুইতে গায়
সকলো আমি ভাই-ভাই
সমন্বয়েই অসম দেশ
ভাৰত ভূমিৰ পুণ্যতীৰ্থ
স্বৰ্গতো অধিক অসম দেশ।

## হৃদয় ভঙা চেতাৰৰ কৰুণ সুৰ ঃ এক অনুভৱ




**কবিক** 'ত্ৰিকালজ্ঞ'ও বুলি কোৱা হয়। কবিয়ে অতীত, বৰ্তমান দেখাৰ উপৰি ভৱিষ্যতৰ গণনা কৰিব পাৰে, মাৰ্গ দৰ্শন কৰাব পাৰে। কবিয়ে মানুহৰ হৃদয়ৰ অটল গহ্বৰো জুমি চাব পাৰে, মানুহৰ মনৰ কথা বুজিব পাৰে। যুগে যুগে কবিয়ে সমাজৰ জাগ্ৰত প্ৰহৰীৰ দৰে কাম কৰি আহিছে। কবিৰ একোটা বাক্যই, একোটা পংক্তিয়ে মানুহৰ মন-মগজুত আলোড়নৰ সৃষ্টি কৰে।

অন্নপ্ৰভা কাকতিৰ 'বাখৰুৱা বাঁহীৰ সুৰ' আৰু 'শীতত চিফুঙৰ সুৰ' প্ৰকাশ পোৱাৰ পাছত এইবাৰ পাঠকৰ হাতত আহি পৰিছে 'হৃদয় ভঙা চেতাৰৰ কৰুণ সুৰ'। ইতিমধ্যে প্ৰকাশিত কবিতা পুথি দুখনে কাকতিক কবিৰূপে প্ৰতিষ্ঠা কৰিছেই। সদ্য প্ৰকাশিত এই কাব্য গ্ৰন্থখন পঢ়ি চাই ক'ব খোজো যে অন্নপ্ৰভা কাকতি এগৰাকী প্ৰতিভা সম্পন্ন কবি। কবিয়ে নিজৰ মনত দোলা দি যোৱা নানা ভাব সুন্দৰ ভাষাত, সাৱলীলভাৱে বৰ্ণনা কৰিছে। নিজৰ শৈশৱ, নিজৰ মাতৃৰ স্মৃতি আমাৰ সকলোৰে বাবে সাঁচতীয়া ধনৰ লেখীয়া। এৰি অহা শৈশৱ সকলোৱে ঘূৰাই পাব বিচাৰে। শৈশৱৰ স্মৃতিয়ে প্ৰৌঢ় আৰু বৃদ্ধ কালত জীয়াই থকাৰ প্ৰেৰণা দিয়ে। 'শৈশৱ বিচাৰি' কবিতাত অন্নপ্ৰভা কাকতিয়ে কৈছে—

'আইৰ বৰপেৰাত বিচাৰিছো
মৌসনা মাতৰ সুগন্ধি
সপোনৰ দুচকুৰে খেপিয়াইছো
আইতাৰ সাধুকথাৰ টোপোলাটো।'

মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ স্মৃতিত কাতৰ হৈ কবিয়ে কবিতাৰ মাজেৰে গুণী শিল্পীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। সমাজত চলি থকা ভ্ৰষ্টাচাৰ, উৎপীড়নৰ ছবিও কবিতাত ঠাই পাইছে। এইবোৰ দেখি শুনি কবি কেতিয়াবা ব্যথিত হৈছে। কেতিয়াবা ক্ৰোধিত হৈছে। তথাপি কবিয়ে আশাক পুহি ৰাখিছে। কবিয়ে জানে—

'শীত যদি আহিলেই বসন্তলৈ কেই দিন ?'
'If winter comes,
can spring be
far behind?.. P.B, Shelley

অন্নপ্ৰভা কাকতিৰ ভাষাত—

'সময়ৰ সীৱলুত মই সিঁচিব বিচাৰিছো
নজহা নপমা এমুঠি পোহৰৰ বীজ
প্ৰতিপালিত কৰিব বিচাৰিছো
এজুপি প্ৰতিভাষিত বোধিদ্ৰুম'

'শৰৎ কাল' ঋতুৰ ৰজা—ঋতুৰাজ শৰৎ। মহাপুৰুষ শংকৰদেৱেও ভাগৱত/কীৰ্তনত শৰৎকালৰ দীঘলীয়া বৰ্ণনা দিছে। শৰৎ কালে সকলোৰে মন ফৰকাল কৰে। মানুহৰ অন্তৰত প্ৰেমৰ নিজৰা বোৱায়। কবি অন্নপ্ৰভা কাকতিয়ে দুটা কবিতাৰ মাজেৰে শৰৎ বন্দনা গাইছে এনেদৰে—

'তুমি বৰ উদাৰ
কত মায়াবী নিশা জোনালীৰ কথকতা
স্নিগ্ধতাৰে উজ্জীৱিত হয়
বহু অভিন্ন প্ৰহৰ বহু মোহিনী মুহূৰ্ত।' (কবিতা ঃ তুমি বৰ উদাৰ)


কবিয়ে সুন্দৰ উপমাৰে বহু কথা ইংগিতেৰে ক'ব পাৰিছে। উপমা, পটন্তৰ, ফঁকৰা যোজনা সাহিত্যৰ অমূল্য সম্পদ। এইবোৰৰ ব্যৱহাৰে ভাব প্ৰকাশ কৰাত সহায় কৰাই নহয়, ভাষাৰো আয়ুস বঢ়ায়। সাহিত্যক সমৃদ্ধ কৰে।

'হৃদয় ভঙা চেতাৰৰ কৰুণ সুৰ'ত ৩৭টা কবিতাক স্থান দিয়া হৈছে। 'হৃদয় ভঙা চেতাৰৰ কৰুণ সুৰ' কাব্যগ্ৰন্থখনৰ কবি অন্নপ্ৰভা কাকতিৰ ভাষা প্ৰাঞ্জল, বৰ্ণনা সজীৱ আৰু বিষয়বস্তুৰ নিৰ্বাচন প্ৰশংসনীয়। আগৰ গ্ৰন্থ দুখনৰ দৰে এই কাব্যগ্ৰন্থখনো সুহৃদ পাঠক সমাজে আদৰি ল'ব বুলি আমাৰ বিশ্বাস। কাকতিলৈ আমাৰ অভিনন্দন।

**থানেশ্বৰ মালাকাৰ**

*ফোন ঃ ৯৪৩৫০৫৪৩৮৪*

## 'উদ্বেগিত অপৰাহ্ন




**ঔপন্যাসিক,** গল্পকাৰ তোলন শইকীয়াৰ দ্বিতীয়খন কবিতা সংকলন 'উদ্বেগিত অপৰাহ্ন' হাতত পৰিছিল। সংকলনখনত দুকুৰি দুটা কবিতা সন্নিৱিষ্ট হৈছে। প্ৰেম-ভালপোৱা, কল্পনা-বাস্তৱ, গভীৰ, জীৱনবোধ, মনোবেদনা আৰু সৰ্বোপৰি আশাবাদ হ'ল শইকীয়াৰ কবিতাৰ মূলবস্তু।

কবিতা আৰু জীৱনৰ মাজত যে নিবিড় সম্পৰ্ক আছে সেই কথা শইকীয়াৰ কবিতা পঢ়িলেই বুজিব পৰা যায়। জনগণ আৰু সমাজৰ মৌলিক প্ৰশ্নবোৰ সচেতনভাৱে সম্বোধন কৰাৰ প্ৰয়াসো শইকীয়াৰ কবিতাত আছে। অন্যায়, অধৰ্ম, হিংসা, সন্ত্ৰাস, নিৰ্যাতন, উৎপীড়নৰ যেতিয়া দৌৰাত্ম্য চলে তেতিয়াই শইকীয়াৰ কবিসত্তাই প্ৰশ্ন তোলে—'বীভৎস ধ্বংসস্তূপৰ মাজত। আৰ্তনাদে যেতিয়া গগন কঁপায়/ তপত চকুপানী আৰু কেঁচা তেজৰ মিশ্ৰণে যেতিয়া/ ধূলিৰ এই ধৰণী তিয়ায়/ তেতিয়া ক'ত থাকা তুমি-ক'ত?/ আওপুৰণি ধৰ্মগ্ৰন্থৰ কোনো পুৰণি পৃষ্ঠাত ? (মোৰ প্ৰশ্ন)।

প্ৰতীকবাদী কবি পল ভালেৰীয়ে কোৱাৰ দৰে 'কবিতা হ'ল ভাষাৰ শিল্প। কবিতাৰ ভাষাৰ অন্য এক জীৱন আছে। প্ৰাত্যহিক ভাষা, কাব্যিক অনুভূতি প্ৰকাশৰ উপযুক্ত মাধ্যম হ'ব নোৱাৰে। শইকীয়াৰ কবিতাই এই 'প্ৰাত্যহিক ভাষাৰ পৰা মুক্ত হ'ব পৰা নাই। যেনে—'সংঘাতে ভৰা এই/ কাঁইটীয়া জীৱন পথ/ তথাপি দেখো আমি আশাৰ সপোন।' অথবা—'ছাঁ আৰু পোহৰৰ/ দীঘল জটিল বাটত/আপোনেই পৰ হয়, পৰেই আপোন (দাপোণ) । অৱশ্যে প্ৰায়বোৰ কবিতাত ছন্দ আৰু লয়ক আধুনিক বিষয়বস্তুৰ লগত খাপ খোৱাকৈ ব্যৱহাৰ কৰিব পাৰিছে। উদাহৰণস্বৰূপে 'স্তব্ধ সময় আজি/নিস্তব্ধ আকাশ/শব্দৰো হেৰাল যেন/ভাৱৰ প্ৰকাশ-দেশা পাই নিয়তিৰ এই নিৰ্দয় নিদান। (কৰ'নাতংকৰ গীত)। একেদৰে—'মুদ্ধ বিমুগ্ধ/ বিস্ময় কাৰাগাৰত মই কাৰাৰুদ্ধ (গীত শৰতৰ)।


সংকলনখনৰ কবিতাসমূহ পাঠকৰ দুৰ্বোধ্য নহয়। পঢ়ুৱৈক কঠিন কবিতা বুলি ধাৰণা দিয়াৰ বৃথা প্ৰয়াসৰ পৰাও মুক্ত। নিজকে সহজ ধৰণে প্ৰকাশ কৰাৰ সলনি অস্পষ্টতাৰ আশ্ৰয় লোৱা নাই। অৱশ্যে কেতবোৰ কবিতাই অভিনৱত্ব বা মৌলিকতাৰ দাবী কৰিব নোৱাৰে। দুই এটা কবিতাত পুৰণি কাব্যৰীতি বিদ্যমান। 'কোৱা কথা/ মৰা শৰ/ নাহে উলটি/ সেয়ে জিভাত লাগাম দিলে/ নহয় দুৰ্গতি (কথাৰ কথা)।

'উদ্বেগিত অপৰাহ্ন'ৰ বহুকেইটা কবিতা ৰসোত্তীৰ্ণ হৈছে। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত অধিক সতৰ্ক হোৱা প্ৰয়োজন। কবিতাৰ ভাষা চিত্ৰধৰ্মী বা চিত্ৰকল্প প্ৰধান হ'লে কবিতা পাগত উঠে। ভৱিষ্যতে শইকীয়াৰ পৰা অধিক উন্নতমানৰ কবিতা আশা কৰিব পাৰি। নগাঁৱৰ 'আনন্দ প্ৰকাশ'ৰ হৈ আমিনুৰ ৰহমানে প্ৰকাশ কৰা আৰু বেটুপাত অংকন কৰা ৬০ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য ১৫০ টকা।

**ড° ভূপেন শইকীয়া**

*ফোন ঃ ৯৪৩৫২২০৬৬৬*

## বাস্তৱৰ সফল প্ৰতিচ্ছবি
## পৃথিৱীৰ সিপাৰৰ পৃথিৱী




**চাৰিকুৰি** দুটা কবিতা সন্নিৱিষ্ট কবি নৱৰত্ন পাটোৱাৰীৰ কবিতা পুথি 'পৃথিৱীৰ সিপাৰৰ পৃথিৱী'ৰ প্ৰতিটো কবিতাৰ ভাষা-কথনত বাস্তৱৰ সংঘটনেৰে অতীত ৰোমন্থন প্ৰীতিৰো ধ্বনি ক্ৰিয়াশীল হৈ উঠিছে। সমাজ জীৱনত যি দুৰ্বোধ্য ক্ৰিয়া-কৰ্মই জঁট বান্ধিছে, সেই জঁট বন্ধনৰ শালীন মুক্তি বিচাৰি কবিয়ে শব্দৰ বিননিৰে কবিতাৰ শৰীৰ সাজিবলৈ চেষ্টা কৰিছে। কাব্যিক ব্যঞ্জনাক সাৰ্থক গতি দিয়াৰ ক্ষেত্ৰত কবি যে অধ্যয়নপুষ্ট মনৰ গৰাকী তাক দৃঢ়তাৰে ক'ব পাৰি। ভাব বিন্যাসৰ ক্ষেত্ৰত কবি সঁচাৰ্থত সফলতাৰ দাবীদাৰ। কবিতাৰ মাংগলিক অৰ্থ আৰু ৰসাস্বাদন শব্দৰ লালিত্যৰে ৰূপাংকিত যদিও শব্দ-বাক্য সন্নিৱিষ্ট কাব্যিক ছন্দৰ গতিয়ে কাব্যিকতা প্ৰদান কৰিছে। এনে দৃষ্টিৰ খাতিৰত উনুকিয়াব পাৰো—

'লাহে লাহে মানুহ যন্ত্ৰ হ'বলৈ গৈ আছে
যন্ত্ৰৰ পাছত হেনো ৰৱট হ'ব
হেৰুৱাব মানৱীয়তা
আত্মীয়তা হেৰুৱাই জীৱনৰ
মাদকতাৰ অলংকাৰ সুলকি পৰিব।
তেওঁ আকৌ ক'বলৈ কুণ্ঠাবোধ কৰা নাই—
'গচকি গচকি পাৰ হয় যত ঋতু
নিৰলে কান্দে দুৰ্ভাগ্যৰ দোভাগ ৰাতি
সৰি পৰে নুফুলা ফুলৰ কলি
দুখৰ আটি বন্ধা সপোনৰ ৰাতি।'

সমাজ-সংস্কৃতিত ৰাজনীতিৰ বৰসবাহে টানি ধৰা মকৰাজালখনৰ পৰা মানৱৰ সংস্কৃতিৰ চৰিত্ৰটো উদ্ধাৰৰ আৰহ ধ্বনি আওৰাই কবি উন্মুখ হৈ পৰিছে। জাতীয় চেতনাৰে আবেগ বিহ্বল পাটোৱাৰীৰ কবিতাত কল্যাণময়ী ঘণ্টাধ্বনি বিৰাজমান যদিও কাব্যিক ছন্দই আলোড়িত কৰিব পৰা দিশটোক আৰু অধিক আঁজুৰিব পৰা নাই। মাথোঁ শব্দৰ গুঞ্জনেৰে কবিতাৰ উত্তৰণ ঘটোৱাৰ লগতে বক্ৰোক্তি কৰাত কাৰ্পণ্য কৰা নাই। কবিৰ ভাষাত—

'আয়ে কোৱা কথা—
মন্দিৰৰ ভিতৰত ধনী ভিক্ষাৰী থাকে
আৰু বাহিৰত দুখীয়া ভিক্ষাৰী।
মন্দিৰৰ ভিতৰত শলিতা জ্বলে নষ্ট টকাৰে।'

কবিৰ দৃষ্টি নিৰন্ধ ভাব বিন্যাসৰ পুষ্টিতে 'তুলসী' নামৰ কবিতাৰে আৰম্ভ কৰি 'সময়বোৰ যে আৰু..' শীৰ্ষক কবিতাৰে সামৰণি ঘটোৱা 'পৃথিৱীৰ সিপাৰৰ পৃথিৱী' কবিতা পুথিৰ প্ৰচ্ছদ অংকন আৰু অংগসজ্জা মনোগ্ৰাহী। কবিৰ আন্তৰিক স্পৃহা আকৰ্ষিত শ্ৰম সাৰ্থক হৈছে। আমি আশা কৰিম পঢ়ুৱৈ সমাজে এই কবিতাপুথিখন আদৰি ল'লে কবি পাটোৱাৰীক আগলৈ কবিতা চৰ্চাৰ ক্ষেত্ৰত উৎসাহ যোগোৱা হ'ব।

**প্ৰদীপ কুমাৰ বৰ্মন**

## চাৰি সপ্তাহত আইচলেণ্ডত ৪০ হেজাৰ ভূমিকম্প, আগ্নেয়গিৰিৰ উদ্‌গীৰণ



**নিউজ ব্যুৰ', কোপেনহেগেন, ২১ মাৰ্চ** ঃ মাত্ৰ ২৮ দিনৰ ব্যৱধানত ক্ষুদ্ৰ ক্ষুদ্ৰ ৪০ হেজাৰ ভূমিকম্পই কঁপাই তুলিলে আইচলেণ্ডক। দেশৰ ৰাজধানী ৰেইকেভিকৰ সমীপতে উদ্‌গীৰণ ঘটিল আগ্নেয়গিৰিৰ। শক্তিশালী আগ্নেয়গিৰিৰ পৰা বৰ্তমানেও লাভা, ছাঁই আদি নিৰ্গত হৈ আছে। স্থানীয় সময় অনুসৰি যোৱা শুকুৰবাৰে নিশা ৮-৩০ বজাত এই আগ্নেয়গিৰিটোৰ প্ৰথম উদ্‌গীৰণ হৈছিল। বৃহৎ সংখ্যাত হোৱা ভূমিকম্পৰ প্ৰভাৱতে আগ্নেয়গিৰিৰ এইদৰে উদ্‌গীৰণ ঘটা বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে ২০১৪ৰ পৰা আইচলেণ্ডত ১,০০০-৩০০০ কম্পন অনুভূত হৈছিল আৰু যোৱা ২৮ দিনত এই অঞ্চলত ৪০ হেজাৰ ক্ষুদ্ৰ কম্পন অনুভূত হৈছিল।

## পাকিস্তান-বাংলাদেশৰ যুৱতীৰে বিবাহ সম্পন্ন কৰাব নোৱাৰিব ছৌদি আৰবৰ যুৱকে



**নিউজ ব্যুৰ', ৰিয়াধ, ২১ মাৰ্চ** ঃ পাকিস্তানৰ পৰা অহা যুৱতীৰ স'তে নিকাহ কৰাব নোৱাৰিব ছৌদি আৰবৰ যুৱকে। একে নিষেধাজ্ঞা প্ৰযোজ্য হ'ব বাংলাদেশ আৰু ম্যানমাৰৰ যুৱতীৰ ক্ষেত্ৰতো। উল্লেখ্য যে ছৌদি আৰৱত সম্প্ৰতি পাকিস্তান, বাংলাদেশ, চাঁদ আৰু ম্যানমাৰৰ পৰা অহা কমেও পাঁচ লাখ যুৱতী-মহিলাই বসবাস কৰিছে। বিদেশীৰ স'তে বিবাহৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা বলৱৎ কৰিলে ছৌদি প্ৰশাসনে। এই ক্ষেত্ৰত ছৌদি যুৱকে জটিল চৰকাৰী প্ৰক্ৰিয়াৰ মাজেদি অগ্ৰসৰ হ'ব লাগিব। বিবাহ বিচ্ছেদ সম্পন্ন হোৱাৰ পাছতে কোনো ব্যক্তিয়ে পুনৰ বিবাহ কৰিবলৈ হ'লে কমেও ছমাহ অপেক্ষা কৰিব লাগিব। বিদেশী যুৱতীৰে বিবাহৰ ক্ষেত্ৰত ছৌদি যুৱকৰ বয়স কমেও ২৫ বছৰ হ'ব লাগিব।

## ভাৰতত সংখ্যালঘুৰ মানৱাধিকাৰক লৈ সৰব মাৰ্কিন প্ৰতিৰক্ষা সচিব



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ ভাৰতত সংখ্যালঘুৰ অধিকাৰক লৈ পূৰ্বেও আমেৰিকাই একাধিকবাৰ প্ৰশ্ন উত্থাপন কৰিছিল। ভাৰতত নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা বুলিও মাৰ্কিন ছিনেটত প্ৰতিবেদন দাখিল কৰা হৈছিল। এইবাৰ ভাৰত ভ্ৰমণলৈ অহা আমেৰিকাৰ প্ৰতিৰক্ষা সচিব লয়েড অষ্টিনে সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰৰ প্ৰসংগত প্ৰশ্ন উত্থাপন কৰিলে। কালি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিদেশ মন্ত্ৰী এছ জয়শংকৰৰ স'তে অষ্টিনে পৃথকে বৈঠকত অংশ লৈছিল। এই বৈঠকৰ পাছত সংবাদমেলত এক প্ৰশ্নৰ উত্তৰ দি অষ্টিনে কয় যে বৈঠকত তেওঁ ভাৰতৰ সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰৰ প্ৰসংগও উত্থাপন কৰিছিল। ভাৰতে অষ্টিনক বৈঠকত কয় যে সংখ্যালঘুৰ প্ৰসংগতো দেশৰ এক আভ্যন্তৰীণ বিষয় আৰু এই বিষয়ত ভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধিক স'তে আলোচনা কৰাৰ প্ৰশ্ন উত্থাপিত নহয়। উল্লেখ্য যে শুকুৰবাৰে তিনিদিনীয়া ভ্ৰমণসূচীৰে অষ্টিন ভাৰতত উপস্থিত হৈছিল।



## নিৰ্যাতিতাৰ পৰিয়ালক ভাবুকি, হাথৰছ গোচৰ স্থানান্তৰৰ সম্ভাৱনা

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২১ মাৰ্চ** ঃ পশ্চিম উত্তৰ প্ৰদেশৰ পৰা হাথৰছ গোচৰ আন স্থানলৈ নিয়াৰ কথা চিন্তা-চৰ্চা কৰিলে এলাহাবাদ উচ্চ ন্যায়ালয়ে। নিৰ্যাতিতাৰ পৰিয়াল আৰু আইনজীৱীৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি ন্যায়ালয়ে এই কথা চিন্তা কৰিছে। হাথৰছৰ ২০ বছৰীয়া যুৱতীৰ ধৰ্ষণ-হত্যাৰ গোচৰত বিশেষ নিজৰ ৰাখি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ লক্ষ্ণৌ বিচাৰপীঠে এই গোচৰ স্থানান্তৰিত কৰাৰ সপক্ষে মত ব্যক্ত কৰিলে। নিৰ্যাতিতাৰ পৰিয়ালৰ লোকে আদালতক জনোৱা মতে, তেওঁলোকক বাৰে বাৰে অভিযুক্তই ভাবুকি দি আহিছে আৰু সেয়েহে এই গোচৰ স্থানান্তৰিত কৰাটো তেওঁলোকে বিচাৰে। উল্লেখ্য যে যোৱা ছেপ্টেম্বৰত হাথৰছত এগৰাকী দলিত যুৱতীক দলবদ্ধ ধৰ্ষণ কৰাৰ লগতে নিৰ্মম নিৰ্যাতন চলোৱা হৈছিল। পাছত পীড়িতাৰ চিকিৎসালয়ত মৃত্যু হৈছিল আৰু আৰক্ষীয়ে মৃতদেহ পৰিয়ালৰ লোকক অৰ্পণ নকৰি মাজনিশা গোপনে মৃতদেহৰ সংকাৰ কৰিছিল।

### ধৃত আৰক্ষী বিষয়াৰ জৰিয়তে মাহে এশ কোটি টকাৰ গুণ্ডাকৰ সংগ্ৰহ ঃ পদত্যাগ দাবী বিজেপিৰ

# মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ চাঞ্চল্যকৰ অভিযোগ

**নিউজ ব্যুৰ' মুম্বাই, ২১ মাৰ্চ** ঃ মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন কৰিলে মুম্বাইৰ সদ্যপ্ৰাক্তন আৰক্ষী আয়ুক্ত পৰমবীৰ সিঙে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেলৈ লিখা পত্ৰত সিঙে দাবী কৰা মতে, বিয়াগোম দুৰ্নীতিৰ স'তে ৰাজ্যখনৰ গৃহমন্ত্ৰী জড়িত হৈ আছে। উদ্যোগপতি মুকেশ আম্বানীৰ বাসগৃহৰ সন্মুখত সৃষ্টি হোৱা বোমাতংকৰ ঘটনাত ধৃত আৰক্ষী বিষয়া শচীন ভাজেৰ স'তে দেশমুখৰ ঘনিষ্ঠ সম্পৰ্ক আছিল বুলি সিঙে দাবী কৰিলে। দেশমুখে শচীনক প্ৰতিমাহে এশ কোটি টকা





সংগ্ৰহ কৰি তেওঁক আদায় দিবলৈ নিৰ্দেশ দিয়া বুলিও পত্ৰত আৰক্ষীৰ প্ৰাক্তন বিষয়াজনে উল্লেখ কৰিছে। 'মাননীয় গৃহমন্ত্ৰী ভাজেৰ জৰিয়তে মাহে এশ কোটি টকাৰ গুণ্ডাকৰ সংগ্ৰহ কৰিছিল। এই টাৰ্গেট পূৰণ কৰিবলৈ গৃহমন্ত্ৰীয়ে ভাজক চহৰৰ ১৭৫০ খন পানশালা, ৰেস্তোৰাঁ আৰু অন্য প্ৰতিষ্ঠানক ধন দাবী কৰিবলৈ বাধ্য কৰাইছিল। প্ৰতিখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা দুই-তিনিলাখ টকাকৈ তুলিলে মাহে ৪০-৫০ কোটি টকা হয়। বাকী ধন অন্য উপায়ৰে গৃহমন্ত্ৰীয়ে আদায় কৰিছিল।' মুখ্যমন্ত্ৰীলৈ লিখা পত্ৰত সিঙে এইদৰে অভিযোগ কৰে। মুম্বাই আৰক্ষীৰ সদ্যপ্ৰাক্তন বিষয়াজনৰ মতে গৃহমন্ত্ৰী দেশমুখে ভাজেৰ জৰিয়তে বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানক ধন দাবী কৰি বৃহৎ পৰিমাণৰ ধন প্ৰতিমাহে সংগ্ৰহ কৰিছিল। নিজৰ বিৰুদ্ধে উঠা এই অভিযোগ অস্বীকাৰ কৰিলে গৃহমন্ত্ৰী দেশমুখে। ইফালে, গৃহমন্ত্ৰীজনৰ বিৰুদ্ধে ধন দাবীৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত ৰাজ্যখনৰ বিৰোধীৰ দলনেতা দেবেন্দ্ৰ ফড়নবিচে দেশমুখৰ পদত্যাগ দাবী কৰিলে।

## গৃহমন্ত্ৰীয়ে যদি এশ কোটি লয়, আন মন্ত্ৰীয়ে কিমান ধন আদায় কৰে ঃ প্ৰশ্ন বিজেপিৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী অনিল দেশমুখে ধৃত আৰক্ষী বিষয়া শচীন ভাজেৰ জৰিয়তে প্ৰতি মাহে এশ কোটি টকা সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত মহাৰাষ্ট্ৰত উদ্ধৱ থাকৰে নেতৃত্বাধীন চৰকাৰক সমালোচনাৰে থকা-সৰকা কৰিলে বিজেপিয়ে। প্ৰাক্তন আৰক্ষী বিষয়া পৰমবীৰ সিঙে এক পত্ৰৰ জৰিয়তে গৃহমন্ত্ৰীৰ বিৰুদ্ধে উত্থাপন কৰা এশ কোটিটকীয়া ধন দাবীৰ চাঞ্চল্যকৰ অভিযোগৰ সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰবিশংকৰ প্ৰসাদে কয়, 'মহাৰাষ্ট্ৰৰ গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে এশ কোটি টকাৰ ধন দাবীৰ অভিযোগ উত্থাপিত হৈছে। এনে পৰিস্থিতিত প্ৰশ্ন উত্থাপিত হয় যে দেশমুখে এইদৰে নিজৰ বাবে নে এন চি পিৰ বাবে নে উদ্ধৱ চৰকাৰৰ বাবে ধন দাবী কৰি আহিছে? যদি গৃহমন্ত্ৰীৰ টাৰ্গেট এশ কোটি টকা আছিল, তেন্তে বাকী মন্ত্ৰীৰ কিমান? যদি মুম্বাইত এশ কোটি টকা আদায় কৰিছিল, তেন্তে বাকী চহৰসমূহত কি পৰিমাণৰ ধন আদায় কৰা হৈছিল? এয়া কেৱল ভ্ৰষ্টাচাৰ নহয়, এয়া হৈছে অপাৰেচন লুট।'

## পুনৰ পাকিস্তানত হত্যাৰ বলি হ'ল সাংবাদিক

**নিউজ ব্যুৰ' ইছলামাবাদ, ২১ মাৰ্চ** ঃ পাকিস্তানৰ সিন্ধু প্ৰদেশৰ চুক্কুৰ চহৰত অজয় লালৱানী নামৰ এজন সাংবাদিকক দুষ্কৃতিকাৰীয়ে গুলীয়াই হত্যা কৰিলে। সাংবাদিকজনে স্থানীয় এখন চেলুনত টুলি কাটিবলৈ যোৱাৰ সময়ত দুখন মটৰ চাইকেল আৰু এখন গাড়ীৰে অহা দুষ্কৃতিকাৰীৰ দলে লালৱানীক গুলিবৰ্ষণ কৰিছিল আৰু পাছত তেওঁ চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। লালৱানীয়ে স্থানীয় এটা টিভি চেনেল আৰু এখন উৰ্দু দৈনিক কাকতত সাংবাদিকতা কৰিছিল। পাকিস্তানৰ সংখ্যালঘুৰ অধিকাৰ ৰক্ষাৰ সন্দৰ্ভত তেওঁ প্ৰায়ে সৰব ভূমিকা গ্ৰহণ কৰিছিল। উল্লেখ্য যে বিগত এক দশকত পাকিস্তানত কমেও ৬০ জন সাংবাদিক হত্যাৰ বলি হৈছে।

## 'ইণ্ডিয়ান আইডল'ৰ নিৰ্মাতাৰ বিৰুদ্ধে ভুৱা দাৰিদ্ৰ্য প্ৰদৰ্শনৰে টি আৰ পি অৰ্জনৰ অভিযোগ



**নিউজ ব্যুৰ', মুম্বাই, ২১ মাৰ্চ** ঃ টেলিভিছনৰ তথাকথিত 'ৰিয়ালিটী শ্ব'ৰ স্বৰূপ উন্মোচিত হ'ল। টেলিভিছনৰ সাম্প্ৰতিক সময়ৰ অন্যতম জনপ্ৰিয় 'ৰিয়ালিটী শ্ব' 'ইণ্ডিয়ান আইডল-১২'ৰ বিৰুদ্ধে টেলিভিছন ৰেটিং পইণ্ট (টি আৰ পি) অৰ্জনৰ বাবে ভুৱা দাৰিদ্ৰ্য প্ৰদৰ্শনৰ অভিযোগ উত্থাপিত হ'ল। কিছুদিন পূৰ্বে এই অনুষ্ঠানটোৰ প্ৰতিযোগী চাৱাই ভাটৰ দাৰিদ্ৰ্যক টি আৰ পি অৰ্জনৰ স্বাৰ্থত ব্যৱহাৰ কৰা আৰু বৰ্ষীয়ান গীতিকাৰ সন্তোষ আনন্দক এই মঞ্চত তেওঁৰ দুৰ্দশাৰ দৃশ্য প্ৰদৰ্শনৰে টি আৰ পি অৰ্জনৰ অপচেষ্টাৰ অভিযোগ উত্থাপিত হৈছিল। এইবাৰ অনুষ্ঠানটোৰ প্ৰতিযোগী ছায়েলী কাম্বলেক লৈ নতুন বিতৰ্কৰ সৃষ্টি হ'ল। মুম্বাইৰ টাটানগৰৰ বাসিন্দা এম্বুলেঞ্চ চালকৰ কন্যাই সকলো বাধা অতিক্ৰম কৰি নিজৰ স্বপ্ন পূৰণৰ পথত অগ্ৰসৰ হোৱাৰ কাহিনী এই ৰিয়ালিটী শ্ব'ত নিৰ্মাতাই দাঙি ধৰিছিল। ছায়েলীয়ে নিজেও প্ৰকাশ কৰা মতে, তেওঁ প্ৰতিদিনে চৰম আৰ্থিক অভাৱৰ মাজৰে দিন যাপন কৰি আহিছে। কিন্তু অলপতে কে'বামাহ পুৰণি এক ভিডিঅ' ছায়েলীক সুৰেশ ৱাডকাৰৰ দৰে বিখ্যাত শিল্পীৰ স'তে একে মঞ্চত গীত পৰিৱেশন কৰা প্ৰত্যক্ষ হৈছিল। এই ভিডিঅ' ভাইৰেল হোৱাত ছায়েলীৰ জৰিয়তে 'ইণ্ডিয়ান আইডল'ত ভুৱা দাৰিদ্ৰ্য প্ৰদৰ্শনৰ অভিযোগ উত্থাপিত হয়। সুৰেশ ৱাডকাৰৰ দৰে বিখ্যাত শিল্পীৰ স'তে বঁটা প্ৰদান অনুষ্ঠানত গীত গোৱা ছায়েলীৰ আৰ্থিক অভাৱৰ কথা সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই।

## জাপানত ৭.২ প্ৰাৱল্যৰ ভূমিকম্প, ছুনামিৰ আতংক



**নিউজ ব্যুৰ', টকিঅ', ২১ মাৰ্চ** ঃ পুনৰ শক্তিশালী ভূমিকম্পই ছুনামিৰ আতংকৰ সৃষ্টি কৰিলে জাপানৰ মিয়াগি অঞ্চলত। কালি দেশখনৰ উত্তৰ-পূব উপকূলৱৰ্তী অঞ্চলত প্ৰৱল ভূকম্পন হৈছিল। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাৱল্য আছিল ৭.২। অৱশ্যে মিয়াগিত ভূমিকম্পত কোনো ক্ষয়-ক্ষতি হোৱাৰ বাতৰি এতিয়ালৈকে লাভ কৰা হোৱা নাই। জাপানৰ স্থানীয় সময় অনুসৰি বিয়লি ৬-০৯ বজাত মিয়াগি অঞ্চলৰ প্ৰশান্ত মহাসাগৰৰ বুকুত প্ৰৱল ভূকম্পন অনুভূত হৈছিল। ভূমিকম্পৰ পাছত এই অঞ্চলত প্ৰায় এক মিটাৰলৈকে ছুনামিৰ ঢৌৰ সৃষ্টি হ'ব পাৰে বুলি সতৰ্কতা জাৰি কৰা হৈছিল।

## সুৰামুক্ত বিহাৰত আছে ১০ লাখ সুৰাপায়ী, ৫৫ হেজাৰ মহিলাই কৰে সুৰাপান



**নিউজ ব্যুৰ', পাটনা, ২১ মাৰ্চ** ঃ বিহাৰত ২০২০ৰ এপ্ৰিলৰ পৰা সুৰা নিষিদ্ধ হোৱাৰ পাছতো ৰাজ্যখনত সুৰাপায়ীৰ সংখ্যা হ্ৰাস পোৱা নাই। এক সমীক্ষাৰ তথ্য অনুসৰি ৰাজ্যখনৰ ১০ লাখ লোকে সুৰা নিষিদ্ধ কৰাৰ পাছতো সুৰাপান কৰি আহিছে। এইসকল সুৰাপায়ীৰ মাজত আছে ৫৫ হেজাৰ মহিলা। সামাজিক ন্যায় আৰু অধিকাৰ মন্ত্ৰণালয়ে চলোৱা এক ৰাষ্ট্ৰীয় সমীক্ষাত এই তথ্য পোহৰলৈ আহিল। বিহাৰত ১১ লাখ লোকে নিচা হিচাপে ভাং সেৱন কৰে। আনহাতে, ১.৩ লাখ লোকে বিভিন্ন ধৰণৰ ড্ৰাগছ গ্ৰহণ কৰে। নীতিশ কুমাৰৰ চৰকাৰে বিহাৰক নিচামুক্ত ৰাজ্য হিচাপে গঢ় দিবলৈ সুৰা নিষিদ্ধ কৰিছিল যদিও এতিয়াও ৰাজ্যখনত গোপনে সুৰা তৈয়াৰ আৰু বিক্ৰী হৈ আহিছে।

## এছ ৪০০ ৰাছিয়াৰ পৰা ক্ৰয়ক লৈ ভাৰতক সকীয়নি আমেৰিকাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ ভাৰতে ৰাছিয়াৰ পৰা এছ ৪০০ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থা ক্ৰয় কৰিবলৈ লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিলে আমেৰিকাই। মাৰ্কিন প্ৰতিৰক্ষা সচিব লয়েড অষ্টিন ভ্ৰমণাৰ্থে ভাৰতলৈ আহিছে আৰু ইতিমধ্যে অষ্টিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিলে। ভাৰতৰ বিদেশ মন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীৰ স'তেও তেওঁ বৈঠকত অংশ লয়। এই আলোচনাত অষ্টিনে ভাৰতক ৰাছিয়াৰ পৰা এছ ৪০০ প্ৰতিৰক্ষা ব্যৱস্থা ক্ৰয় নকৰিবলৈ অনুৰোধ জনায়। মাৰ্কিন প্ৰশাসনে সামৰিক ক্ষেত্ৰত ভাৰতক সকলো ধৰণৰে সহায় কৰিবলৈ সাজু আছে বুলি প্ৰতিশ্ৰুতি দি অষ্টিনে কয় যে এছ ৪০০ ভাৰতে ক্ৰয় কৰিব বিচাৰিলে এই ক্ষেত্ৰত মাৰ্কিন প্ৰশাসনৰ আপত্তি আছে। আমেৰিকাৰ অনুৰোধ উপেক্ষা কৰি ভাৰতে এই যুদ্ধাস্ত্ৰ ৰাছিয়াৰ পৰা ক্ৰয় কৰিলে ভাৰত-আমেৰিকাৰ সম্পৰ্কত সংঘাত সৃষ্টি হ'ব পাৰে বুলিও অষ্টিনে সকীয়াই দিয়ে।

## পুত্ৰৰ পাছত বিজেপিত যোগদান শিশিৰ অধিকাৰীৰ



**নিউজ ব্যুৰ', কলকাতা, ২১ মাৰ্চ** ঃ সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই অৱশেষত তৃণমূল কংগ্ৰেছ ত্যাগ কৰি আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰিলে বৰ্ষীয়ান সাংসদ শিশিৰ অধিকাৰীয়ে। পূব মেদিনীপুৰৰ এগৰাত বিজেপিৰ সভাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অধিকাৰীয়ে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিলে। বিজেপিত যোগদান কৰি অধিকাৰীয়ে কয়, 'এয়া আমাৰ আত্মসন্মানৰ যুঁজ, মেদিনীপুৰৰ সন্মান ৰক্ষাৰ যুঁজ। অন্যায়ৰ বিৰুদ্ধে সদায়ে যুঁজ দিছো। আগন্তুক দিনতো যুঁজ অব্যাহত থাকিব।' উল্লেখ্য যে অধিকাৰী হৈছে নন্দীগ্ৰামৰ বিজেপিৰ প্ৰাৰ্থী শুভেন্দু অধিকাৰীৰ পিতৃ। শুভেন্দুৱে অলপতে তৃণমূল কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। শুভেন্দুৱে বিজেপিত যোগদান কৰাৰ পাছৰে পৰা তেওঁৰ পিতৃয়েও দলটোত যোগদান কৰিব বুলি চৰ্চা চলি আহিছিল।

## তিনিমাহৰ পাছত দেশত কৰ'না ৰোগীৰ সংখ্যা তিনি লাখৰ অধিক হ'ল



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ ভাৰতত পুনৰ সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যাই তিনি লাখৰ সীমা অতিক্ৰম কৰিলে। দেশত কৰ'নাৰ সংক্ৰমণ ধৰা পৰাৰ পাছত যোৱা বছৰৰ ১৭ ছেপ্টেম্বৰত সক্ৰিয় ৰোগীৰ সংখ্যা আছিল সৰ্বকালৰ সৰ্বাধিক ১০ লাখ ১৭ হেজাৰ ৭৫৪ জন। ইয়াৰ পাছৰে পৰা সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস পাইছিল আৰু যোৱা ২১ ডিচেম্বৰত তিনি লাখ তিনি হেজাৰ ৬৩৯ জন হৈছিল। যোৱা ১৭ ফেব্ৰুৱাৰীত সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যা সৰ্বনিম্ন এক লাখ ৩৬ হেজাৰ ৫৪৯ জন হৈছিল। কিন্তু তিনি মাহৰ পাছত আজি দেশত সক্ৰিয় ক'ভিড আক্ৰান্তৰ সংখ্যা হ'ল তিনি লাখ ন হেজাৰ ৮৭ জন। বিগত কে'বা সপ্তাহ ধৰি দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা দেশত বৃদ্ধি পাইছে। দেওবাৰে দেশত বিগত চাৰি মাহৰ সৰ্বাধিক ৪৪ হেজাৰ ক'ভিড ৰোগী চিনাক্ত হয়। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত ১৯৭ জন লোকে প্ৰাণ হেৰুৱায়।

## পশ্চিমবংগৰ ভোটদাতা হ'ল মিঠুন, বিজেপিত গুৰুত্ব বৃদ্ধি অভিনেতাৰ



**নিউজ ব্যুৰ' কলকাতা, ২১ মাৰ্চ** ঃ নৰেন্দ্ৰ মোদীৰ ব্ৰিগেড সমাবেশত সকলোকে চমকিত কৰি অভিনেতা মিঠুন চক্ৰৱৰ্তীয়ে বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিছিল। এইবাৰ পশ্চিমবংগৰ ভোটদাতা হিচাপে নিজৰ নাম পঞ্জীয়ন কৰালে এসময়ৰ জনপ্ৰিয় অভিনেতাজনে। মিঠুনে ইমানদিনে মুম্বাইত ভোটদাতা হিচাপে নিজৰ নাম পঞ্জীয়ন কৰাইছিল। বাংলাৰ ভোটদাতা হিচাপে নতুন পৰিচয় গ্ৰহণ কৰাৰ পাছত মিঠুনৰ ৰাজনৈতিক ভৱিষ্যতকলৈ জল্পনা-কল্পনা অব্যাহত আছে। বিজেপিয়ে এতিয়ালৈকে ঘোষণা কৰা প্ৰাৰ্থীৰ তালিকাত কে'বাজনো অভিনেতা-অভিনেত্ৰী, সংগীত শিল্পী, খেলুৱৈক দলৰ টিকট প্ৰদান কৰিছে। কিন্তু এতিয়ালৈকে মিঠুনৰ নাম এনেবোৰ প্ৰাৰ্থীৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই। বিজেপিত যোগ দিয়াৰ সময়ত মিঠুনে কৈছিল যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি আকৃষ্ট হৈ তেওঁ দলটোৰ সদস্যপদ গ্ৰহণ কৰিছিল। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনা নুই নকৰিলেও মিঠুনে এই সন্দৰ্ভত বিশেষ মন্তব্য প্ৰকাশৰ পৰা বিৰত আছে। বাংলাৰ ৰাজনৈতিক মহলৰ ধাৰণা অনুসৰি নিৰ্বাচনত ভাল ফলাফল লাভ কৰিলে বিজেপিয়ে মিঠুনক মুখ্যমন্ত্ৰীৰ পদ অৰ্পণ কৰিব পাৰে। এই উদ্দেশ্যতে মিঠুনে পশ্চিমবংগৰ ভোটদাতা হ'ল বুলিও একাংশ লোকে মন্তব্য কৰিছে।

## তলাবন্ধ হ'ব পাৰে মহাৰাষ্ট্ৰত, সংক্ৰমণ বৃদ্ধি পঞ্জাৱ, কৰ্ণাটক, কেৰালাত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ দেশত কৰ'না আক্ৰান্তৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি অব্যাহত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত দেশত ৪৩ হেজাৰ ৮৪৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। বিগত ২৪ ঘণ্টাত ১৯৭ জন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছিল। সংক্ৰমণ আৰু মৃত্যুৰ ক্ষেত্ৰত সৰ্বাধিক ঘটনা মহাৰাষ্ট্ৰত সংঘটিত হৈছে। মহাৰাষ্ট্ৰত প্ৰতিদিনে কৰ'না আক্ৰান্ত সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে ইতিমধ্যে সকলোকে ক'ভিড বিধি কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনাইছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেয়ে ইতিমধ্যে প্ৰকাশ কৰা মতে, সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে পুনৰ তলাবন্ধ ঘোষণা কৰিবলৈ বাধ্য হ'ব পাৰে। 'আগন্তুক দিনত তলাবন্ধৰ বিকল্প পথ নাথাকিব। কিন্তু মোৰ বিশ্বাস ৰাজ্যবাসীয়ে ক'ভিড বিধি মানি চলিব আৰু এই ক্ষেত্ৰত চৰকাৰক সহযোগিতা আগবঢ়াব।' থাকৰেয়ে এইদৰে কয়। মহাৰাষ্ট্ৰৰ লগতে পঞ্জাৱ, কেৰালা আৰু কৰ্ণাটকতো প্ৰতিদিনে ক'ভিডত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। পঞ্জাৱত যোৱা ২৪ ঘণ্টাত দুহেজাৰো অধিক লোক এই ভাইৰাছত সংক্ৰমিত হৈছিল।

## তৃণমূলতকৈ বংগত সাংসদৰ সংখ্যা বৃদ্ধি বিজেপিৰ



**নিউজ ব্যুৰ', কলকাতা, ২১ মাৰ্চ** ঃ নতুনকৈ দুজন সাংসদে বিজেপিত যোগদান কৰাৰ ফলত পশ্চিমবংগত তৃণমূল কংগ্ৰেছৰ সাংসদৰ সংখ্যা ১৯ জনলৈ হ্ৰাস পালে। ইয়াৰ বিপৰীতে বিজেপিৰ সাংসদৰ সংখ্যা ৰাজ্যখনত ২১জনলৈ বাঢ়িল। উল্লেখ্য যে ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত পশ্চিমবংগত বিজেপিয়ে ১৮ সমষ্টিত জয়লাভ কৰিছিল আৰু তৃণমূল কংগ্ৰেছে লাভ কৰিছিল ২২ সমষ্টি। আনহাতে, কংগ্ৰেছে মাত্ৰ দুটা সমষ্টিহে লাভ কৰিছিল। যোৱা ডিচেম্বৰত বৰ্ধমান পূবৰ সাংসদ সুনীল কুমাৰ মণ্ডলে বিজেপিত যোগদান কৰিছিল। এইবাৰ বিজেপিত অন্তৰ্ভুক্ত হ'ল দুই সাংসদ শিশিৰ অধিকাৰী আৰু দিব্যেন্দু অধিকাৰী। ফলত বিজেপিৰ সাংসদৰ সংখ্যা ২২ জনলৈ বৃদ্ধি পালে।

## বিবাহ অনুষ্ঠানৰ ফলতে বৃদ্ধি কৰ'নাৰ ঃ কেন্দ্ৰীয় বিশেষজ্ঞৰ মত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মাৰ্চ** ঃ নতুনকৈ দেশত কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ বাবে বিবাহ অনুষ্ঠানৰ দৰে সামাজিক কৰ্মত দায়ী কৰিলে কেন্দ্ৰৰ বিশেষজ্ঞৰ দলে। বিবাহবাহৰ সমূহত ক'ভিড বিধি পালন কৰা নহয় আৰু অতিথিসকলে দূৰত্ব বিধি, মাস্ক পৰিধান পালন নকৰাকৈ বিবাহত অংশ লৈ আহিছে। এনে আওকণীয়া মনোভাৱৰ ফলতে দেশত কৰ'না ভাইৰাছৰ সংক্ৰমণ পুনৰ ঊৰ্ধ্বমুখী হৈছে বুলি নিটি আয়োগৰ স্বাস্থ্য বিষয়ক সদস্য ড° ভি কে পালে মন্তব্য কৰে। 'অমৃতসৰৰ এটি পৰিয়ালৰ দিল্লীত বিবাহ অনুষ্ঠান আছিল। এই বিবাহখনলৈ অহা লোকসকলৰ ৩৮ জন অসুস্থ হৈছিল আৰু ইয়াৰে ২০ জনৰ শৰীৰত কৰ'না ভাইৰাছ ধৰা পৰিছিল। কেৱল বিবাহৰ ক্ষেত্ৰতে নহয়, মৃতদেহৰ শেষকৃত্য, শ্ৰাদ্ধ আদিৰ জৰিয়তেও সম্প্ৰতি কৰ'না ভাইৰাছৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে।' নিটি আয়োগৰ বিশেষজ্ঞৰ সমিতিখনে এইদৰে জানিবলৈ দিয়ে। উল্লেখ্য যে যোৱা শুকুৰবাৰে দেশত ৪০ হেজাৰৰ অধিক নতুন কৰ'না ৰোগীক চিনাক্ত কৰা হৈছিল। চলিত বৰ্ষত এয়ে প্ৰথমবাৰ ইমান বৃহৎসংখ্যক লোক দেশত ক'ভিডত আক্ৰান্ত হ'ল।

# উত্তৰ অভয়াপুৰীত কংগ্ৰেছ নেতা-কৰ্মীৰ অগপত যোগদান

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২১ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনলৈ কেইটামান দিন থকা সময়তে উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ বিভিন্ন পঞ্চায়তত কংগ্ৰেছ, এআইইউডিএফৰ বহু নেতা-কৰ্মী অগপত যোগদান কৰাৰ পাছত সমষ্টিটোত দলটোৰ স্থিতি যথেষ্ট শক্তিশালী হোৱা বুলি দাবী কৰিছে বিধান পৰিষদৰ নেতৃত্বই। সমষ্টিটোত কংগ্ৰেছে প্ৰাৰ্থী প্ৰক্ষেপৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ৰ কৰ্মীসকল যথেষ্ট অসন্তুষ্ট হোৱাৰ লগতে বঙাইগাঁও জিলাত এআইইউডিএফে তিনিওটা সমষ্টি কংগ্ৰেছক এৰি দিয়াত দলটোৰ বহু কৰ্মী স্বাভাৱিকতে দল ত্যাগ কৰিবলৈ বাধ্য হৈছে। ইয়াৰে অংশ হিচাপে উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চক্ৰভৌম পঞ্চায়তৰ চাৰিপুণীয়া ডিংডিঙিগুৰী খেলপথাৰত সমষ্টিটোৰ প্ৰাক্তন বিধায়ক তথা মিত্ৰজোঁট অগপৰ প্ৰাৰ্থী ভূপেন ৰায়ৰ উপস্থিতিত কংগ্ৰেছৰ বহু নেতা-কৰ্মী অগপত যোগদান কৰিছে। স্থানীয় অগপ নেতা ৰজনী ৰায়ৰ সভাপতিত্বত বিধান পৰিষদৰ সভাপতি দিলীপ কুমাৰ ৰায়, ৰফিজুদ্দিনকে ধৰি বহু নেতা-কৰ্মীৰ উপস্থিতিত চক্ৰভৌম মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সভাপতি চিৰেন ৰায়, সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সক্ৰিয় সদস্য প্ৰফুল্ল কুমাৰ ৰায়ৰ নেতৃত্বত ৰঞ্জিত আৰ্য, পৱিত্ৰ ৰায়, লক্ষেশ্বৰ সূত্ৰধৰ, আদিত্য সূত্ৰধৰ, নবীন ৰায়, বিজয় ৰায়, অশ্বিনী ৰায়, জয়ন্ত ৰায়, চমেন ৰায়, কামাখ্যা সূত্ৰধৰ, অমৃত বসুমতাৰী, চিত্ৰলেখা ৰায়কে ধৰি কে'বাগৰাকী কংগ্ৰেছৰ নেতা-কৰ্মীয়ে অগপত যোগদান কৰে। প্ৰাক্তন বিধায়ক তথা সমষ্টিটোৰ অগপ প্ৰাৰ্থী ভূপেন ৰায়ে যোগদান কৰা সকলোকে দলটোলৈ আদৰণি জনোৱাৰ লগতে সাংগঠনিক কাম-কাজত জড়িত হ'বলৈ আহ্বান জনায়।

# কলাইগাঁৱৰ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীৰ বিজেপিত যোগদান

অগ্ৰদূত বাৰ্তা

**কলগাইগাঁও, ২১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন দলৰ নেতা-কৰ্মীয়ে দল সলনিত ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। সমীক্ষা অনুসৰি কলাইগাঁৱত কংগ্ৰেছ মহাজোঁটৰ বিপিএফৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ সপক্ষে ৰাজনৈতিক চিন্তা-চৰ্চা আৰম্ভ হৈছিল যদিও দলৰ নেতৃত্ব আৰু মহাজোঁটৰ দলীয় নেতাই দলটোৰ আন নেতা-কৰ্মী ধৰি ৰাখিব নোৱাৰাৰ বাবে কালি শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে কলাইগাঁও বিজেপিৰ মুখ্য কাৰ্যালয়ত যোগদান কৰে। বিজেপিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক প্ৰদূন্য দত্তই আঁত ধৰা যোগদান অনুষ্ঠানত লখিমপুৰ মণ্ডলৰ সভাপতি মহেশ্বৰ ডেকা, টেঙাবাৰী মণ্ডলৰ সভাপতি তপন শইকীয়াৰ নেতৃত্বত কংগ্ৰেছৰ পৰা বিজেপিত যোগদান কৰা শতাধিক নেতা-কৰ্মীক কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নিৰঞ্জন সিং আৰু কলাইগাঁও সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী মধুৰাম ডেকাই আদৰণি জনায়। আনহাতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কলাইগাঁও আঞ্চলিক সমিতিৰ বিষয়ববীয়া দিগন্ত কুমাৰ মেধিয়ে বিজেপিত যোগদান কৰাত দলৰ নেতা-কৰ্মীৰ লগতে প্ৰাৰ্থী মধুৰাম ডেকাই আদৰণি জনায়। আনহাতে কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক, সমউন্নয়ন আৰু সম অধিকাৰ কংগ্ৰেছত নোপোৱাৰ বাবে কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰা বুলি কংগ্ৰেছ নেতা মহেশ্বৰ ডেকা আৰু তপন শইকীয়াই জানিব দিয়ে। আনহাতে বিজেপিৰ প্ৰাৰ্থী মধুৰাম ডেকাই কয় যে বিজেপিৰ নীতি-আদৰ্শৰ বাবে আপ্লুত হৈ কংগ্ৰেছ আৰু বিপিএফে বিজেপিত যোগদান কৰিছে আৰু এই কেইদিনতে আন আন দলৰ বহু নেতাই বিজেপিত যোগদান কৰিব। সেয়ে কলাইগাঁও সমষ্টিত বিজেপি বিজয়ী হোৱাতো নিশ্চিত বুলি প্ৰাৰ্থী ডেকাই উল্লেখ কৰে।

# চিৰাঙত সমন্বয়ৰক্ষী সমিতিৰ শিক্ষা-আত্মনিৰ্ভৰশীলতাৰ সজাগতা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ মাৰ্চ ঃ** চিৰাঙত সকলো ছাত্ৰ সংগঠনৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত শিক্ষা আৰু আত্মনিৰ্ভৰশীলতাৰ ওপৰত কালি সজাগতা অনুষ্ঠান অনুষ্ঠিত হয়। জিলাখনৰ ছাপাগুৰীস্থিত হোটেল হিমালয়াৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত জিলাখনৰ আছা, এছু আমছু, এবিএমছু, আক্ৰাছু, ডিএমডিজেপিৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰে। বেচৰকাৰী সংস্থা আইজিএছএছএছৰ সহযোগত 'সমাজ গঢ়াত শিক্ষাৰ গুৰুত্ব আৰু আত্মনিৰ্ভৰশীল ভাৰত গঢ়াত যুৱকসকলৰ ভূমিকা' শীৰ্ষক সজাগতামূলক আলোচনাচক্ৰৰ আয়োজন কৰে। অনুষ্ঠানত আইজিএছএছএছৰ সমন্বয়ক মনিষা সিংহা, যুৱ প্ৰজন্মৰ সাহিত্যিক লেখিকা আছমা বেগম, ড° ৰাজু চুব্বাকে আদি কৰি কে'বাজনো সমল ব্যক্তিয়ে অনুষ্ঠানত উপস্থিত থকা জিলাখনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীক সজাগতামূলক বক্তব্যৰে উদ্বুদ্ধ কৰে। গোৰ্খা ছাত্ৰনেতা হেমন্ত শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মুখ্য আহ্বায়ক গুলজাৰ হুছেইন পৰামানিকে উদ্দেশ্য ব্যাখ্যাৰে অনুষ্ঠান আৰম্ভ কৰে। ছাত্ৰ সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মূল উদ্দেশ্য হিচাপে কয় যে আমি যিহেতু ছাত্ৰ সংগঠন সেয়ে শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি আগবাঢ়ি যোৱাৰ লগে লগে সকলো জাতি-জনগোষ্ঠীৰ লোকসকলে যাতে কোনো ভেদ-ভাব নোলৈ সমিল-মিলেৰে ভ্ৰাতৃবোধ লৈ আগুৱাই যাব পাৰে।



*আমিনগাঁৱত ষ্টেটিক ছাৰ্ভিলেন্স টীম-ফ্লাইং স্কোৱাৰ্ডৰ বিষয়াৰে নিৰ্বাচন পৰ্যবেক্ষকৰ সভা।*

# ছয়গাঁৱত অৰ্ধশতাধিকৰ অগপত যোগদান

**ছয়গাঁও, ২১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছৰে পৰা অন্যান্য সমষ্টিৰ লেখীয়াকৈ ছয়গাঁও সমষ্টিতো নিৰ্বাচনী বতাহ ক্ৰমান্বয়ে উত্তপ্ত হৈ উঠিছে। সমষ্টিটোত এইবাৰ পৰিলক্ষিত হৈছে একাংশ স্থানীয় নেতা-কৰ্মীৰ দল অদল-বদৰ পৰিৱেশ। সেইদৰে যোৱা১৯ ফেব্ৰুৱাৰীৰ নিশা একাংশ সক্ৰিয় কংগ্ৰেছ কৰ্মীয়ে অগপত যোগদান কৰে। এই উপলক্ষে নিশা অগপৰ ছয়গাঁও বিধান পৰিষদৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাখনত সমষ্টিটোৰ অগপ প্ৰাৰ্থী ডাঃ কমলাকান্ত কলিতাই দলত যোগদান কৰা ছয়গাঁও ব্লক কংগ্ৰেছৰ সম্পাদক ধীৰাজ মেধি, ছয়গাঁও ব্লক কংগ্ৰেছৰ আৰ টি আই চেলৰ সভাপতি তিলক নাথ, যোৱা পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ হৈ অৱতীৰ্ণ হোৱা তাপসী সাউদ আৰু কমল দাস, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা যুৱ কংগ্ৰেছ নেতা গোপাল দাসকে ধৰি সকলোকে গামোচাৰে সম্বৰ্ধনা জনাই আদৰণি জনায়।

# ভেৰুৱাত 'যুৱ সংসদ' কাৰ্যক্ৰম সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুনী, ২১ মাৰ্চ ঃ** যুৱ সকলৰ মাজত ৰাষ্ট্ৰীয় সংহতি অক্ষুণ্ণ ৰাখিবৰ বাবে কাম কৰি অহা অখিল ভাৰতীয় সংগঠন নেহৰু যুৱ কেন্দ্ৰ দৰঙৰ উদ্যোগত আৰু দুনীস্থ সামাজিক সংস্থা চি আৰ এছ ডি টিৰ সহযোগত যোৱা ১৮ মাৰ্চত 'যুৱ সংসদ' শীৰ্ষক এটি অনুপ্ৰেৰণামূলক অনুষ্ঠান অনুষ্ঠিত হয়। ছিপাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত দুনী সমীপৰ ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানৰ আঁত ধৰে চিআৰএছডিটিৰ সচিব ভাৰ্গৱ কলিতাই। অনুষ্ঠানত পাৰদৰ্শী ব্যক্তি হিচাপে উপস্থিত থাকে বিবেকানন্দ কেন্দ্ৰ দৰঙৰ জিলা সংযোগ দাদুল দাস আৰু বিশিষ্ট যোগবিদ গৌৰৱজ্যোতি হাজৰিকা। দাদুল দাসে গুৰুৰ মাহাত্ম্য, মনোযোগৰ গুৰুত্ব, ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতা, মহাপুৰুষসকলক অনুগমন, প্ৰকৃতি সুৰক্ষাৰ প্ৰয়োজনীয়তা আদি বিষয় সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। গৌৰৱজ্যোতি হাজৰিকাই গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব, সময় নিয়মানুৱৰ্তিতা, অনুশাসন, গ্ৰাম্য বিকাশ আদিৰ ওপৰত বক্তব্য ৰাখে। ভেৰুৱা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পবীন কলিতাই চিআৰএছডিটি আৰু নেহৰু যুৱ কেন্দ্ৰৰ এনে পদক্ষেপক শলাগ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ ই এক মাইলৰ খুঁটি বুলি উল্লেখ কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোৰঞ্জন শৰ্মাই বিদাৰ্থী কল্যাণৰ এনে প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰি সৰু অৱস্থাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত এনে শিক্ষাৰ জৰিয়তে আগবাঢ়ি গ'লে ছাত্ৰ-ছাত্ৰীৰ মনত কু-প্ৰভা বিয়পিব নোৱাৰে বুলি উল্লেখ কৰে। সমল কলা বিশেষজ্ঞ আব্দুল আজিজে অনুষ্ঠানৰ ব্যৱস্থাপনাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

# বাটৰ নাটৰ জৰিয়তে সৰভোগ সমষ্টিত নিৰ্বাচনী চমক বিজেপিৰ

## বাটৰ নাট প্ৰদৰ্শন সৰভোগৰ প্ৰাৰ্থী শংকৰ দাসৰ




অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ মাৰ্চ ঃ** সৰভোগ বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী শংকৰ দাসৰ হৈ আজি সমষ্টিৰ অঞ্চলে অঞ্চলে বাটৰ নাট প্ৰদৰ্শনেৰে নিৰ্বাচনী প্ৰচাৰ চলায় অসমীয়া জনপ্ৰিয় ৰং চেনেলৰ শিল্পী, কলা-কুশলীসকলে। সৰভোগ সমষ্টিৰ বিজেপিৰ বয়োজ্যেষ্ঠ প্ৰাৰ্থী শংকৰ দাসৰ হৈ ভোটাৰৰ মন জয়ৰ চেষ্টা কৰি সমষ্টিটোৰ অন্তৰ্গত তথা বাগ্সা জিলাৰ শালবাৰীৰ লাবদাংগুৰি, বাৰাপেটা, হটাপাৰা, গামাৰিগুৰি, উজান বাঁহবাৰী আদি বহুকেইটা অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলায় বহুকেইগৰাকী খ্যাতিসম্পন্ন শিল্পী, অভিনেতা-অভিনেত্ৰী কলা-কুশলীয়ে। জনপ্ৰিয় অসমীয়া ৰং চেনেলৰ শিল্পী পৰাগ শৰ্মা (ভোলা), কবিন্দ্ৰ দাস (কেৰ্পা), ৰাজপ্ৰতিম বৰুৱা (মাইকেল), দ্বীপজ্যোতি ওজা (দালি), গীতিমা জিমী মেধি (সুনীতা) আদিৰ জৰিয়তে বাটৰ নাট প্ৰদৰ্শন কৰি বিগত কাৰ্যকালত বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ বিষয়ে অৱগত কৰি বিজেপিৰ পক্ষে ভোটদান কৰিবলৈ আহ্বান জনায়। আনহাতে বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে গৃহ সমষ্টি সৰভোগ এৰি পাটাছাৰকুছি সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ পাছতেই ভিন্নজনে ভিন্ন ধৰণে সমালোচনা কৰি আহিছে। কালি বিজেপিৰ গোৱৰ্দ্ধনা মণ্ডলৰ সাধাৰণ সম্পাদক অজয় নাথে সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত বিৰোধীয়ে ভোটৰ স্বাৰ্থত আবোল-তাবোল কোৱা বুলি কৈ খণ্ডন কৰে আৰু সৰভোগ সমষ্টিত শংকৰ দাসে বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হ'ব বুলি নিশ্চিতি প্ৰদান কৰে।

# নলবাৰীত নৃত্যাংগনাৰ বিহু কৰ্মশালাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ মাৰ্চ ঃ** নৃত্যাংগনা নলবাৰীৰ উদ্যোগত আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত অহা সাতৰ পৰা ১৩ এপ্ৰিললৈ বিনামূলীয়া বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে। নলবাৰী ছহিদ ভৱন বাকৰিত বিয়লি ৩-৩০ বজাৰ পৰা চলিবলগীয়া কৰ্মশালাত ২০১০ৰ লতাশিল খেলপথাৰৰ বিহু কুঁৱৰী আৰু ২০১১ৰ ডি ৰাই বিহুৰাণী জোন দলেৰ উপৰি দ্বীপজ্যোতি শৰ্মা আৰু ধ্ৰুৱজ্যোতি দাসে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব। উদ্যোক্তাসকলে জনোৱা মতে বয়সৰ কোনো সীমাবদ্ধতা নথকা কৰ্মশালাত ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে ১০১ টকা ভৰ্তি মাচুল দিব লাগিব। তদুপৰি প্ৰশিক্ষাৰ্থীসকলে জাতীয় সাজপাৰ পৰিধান কৰিব লাগিব। হ ি চ ছু ক স ক ল ক ৯৭০৭৬৯৬৬৩৪/৬০০২৯৬১৩৪৪ নম্বৰত উদ্যোক্তাসকলে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# গোৱালপাৰাৰ গোবিন্দপুৰত বিনামূলীয়া চিলাই প্ৰশিক্ষণ দৰিদ্ৰ মহিলাক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ মাৰ্চ ঃ** মহিলাসকলে যাতে ঘৰত বহিয়েই উপাৰ্জন কৰি স্বাৱলম্বিতা অৰ্জন কৰিবলৈ সক্ষম হয় তাৰ প্ৰতি লক্ষ্য ৰাখি চিলাই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে স্বেচ্ছাসেৱী সংগঠন ছানি ৱেলফাৰ ফাউণ্ডেছনে। স্বেচ্ছাসেৱী সংগঠনটোৰ উদ্যোগত গোৱালপাৰা চহৰৰ উপকণ্ঠ অঞ্চল গোবিন্দপুৰৰ ৬০ গৰাকী মহিলাক তিনিমহীয়া চিলাই প্ৰশিক্ষণ দিয়ে আজমিৰা আহমেদে। এইদৰে তিনিমাহ প্ৰশিক্ষণ লোৱা মহিলাসকলে পুৰুষ-মহিলাৰ সকলো ধৰণৰ কপোৰ চিলোৱা শিকে। বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়াৰ অন্তত কেন্দ্ৰৰ দায়িত্বত থকা শ্বেক হাবিব ইকৰামৰ উপস্থিতিত যোৱা ২০ মাৰ্চত প্ৰশিক্ষাৰ্থী মহিলাসকলৰ মাজত প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ বিতৰণ কৰে হায়দৰাবাদৰ ছানি ৱেলফাৰ ফাইণ্ডেছনৰ ফাউণ্ডাৰ আজাহাৰ মাকবচীয়ে। লগতে মহিলাসকলক প্ৰমাণপত্ৰ বিতৰণ কৰি আগন্তুক সময়ত জিলাখনৰ বিভিন্ন ঠাইত এনে ধৰণৰ চিলাই প্ৰশিক্ষণ কেন্দ্ৰ খোলা হ'ব বুলি উল্লেখ কৰে ফাউণ্ডাৰজনে। কেৱল চিলাই প্ৰশিক্ষণেই নহয় ছানি ওৱেলফাৰ ফিউণ্ডেছনৰ উদ্যোগত প্ৰতি সপ্তাহতে দৰিদ্ৰ লোকৰ মাজত খাদ্য বিতৰণ কৰি থকা বুলিও জানিবলৈ দিয়ে শ্বেখ হাবিব ইকৰামে।

# ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত মহিলাৰ স্বাস্থ্য সজাগতা শিবিৰ সম্পন্ন

বিশেষ সংবাদদাতা

**ভৱানীপুৰ, ২১ মাৰ্চ ঃ** ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত যোৱা ২০ মাৰ্চত মহাবিদ্যালয়ৰ আলোচনা গৃহত মহিলাৰ স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ মহিলা কোষৰ সভানেত্ৰী ড° নিভা চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত মহিলা স্বাস্থ্য সজাগতা শিবিৰৰ সভাত নিৰ্দিষ্ট বিষয়ৰ ওপৰত সমল ব্যক্তিৰূপে বক্তৃতা প্ৰদান কৰে ক্ৰমে- গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন পঞ্জীয়ক ডাঃ স্বগতা বৈশ্য, নলবাৰীৰ সাৰথি নাৰ্ছিংহোমৰ চিকিৎসক ধ্ৰুৱজ্যোতি ডেকাই। সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° স্নিগ্ধা হাজৰিকা, নলবাৰীৰ সাৰথি নাৰ্ছিংহোমৰ সমন্বয়ক অঞ্জনজ্যোতি ডেকায়ো বক্তৃতা প্ৰদান কৰে। সজাগতা শিবিৰৰ সভাত বক্তাসকলে স্ত্ৰীৰোগ নিৰাকৰণ, মহিলাৰ শাৰীৰিক ব্যায়াম, মহিলাৰ শাৰীৰ চৰ্চা আদি মহিলাৰ স্বাস্থ্য সচেতনতাৰ ওপৰত ব্যাখ্যা কৰে। সজাগতা শিবিৰৰ সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে আৰু সভাখনৰ আঁত ধৰে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ মহিলা কোষৰ আহ্বায়ক ড° দুলুমণি দাসে।

# কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ৰশিদ মণ্ডলৰ মন্তব্যৰ প্ৰতিক্ৰিয়া মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ মাৰ্চ ঃ** আৰ এছ এছৰ ভ্ৰাতৃ সংগঠন মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ কৰ্মকৰ্তাই গোৱালপাৰা পশ্চিম সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ৰশিদ মণ্ডলক সমৰ্থন কৰা বুলি দাবী কৰাত জাঙুৰ খাই উঠিছে মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ কৰ্মকৰ্তাসকলে। এই সন্দৰ্ভত গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত যোৱা ২০ মাৰ্চত এক সংবাদমেল সম্বোধন কৰে আৰ এছ এছৰ মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ নামনি অসমৰ প্ৰভাৰী খাইৰুল ইছলামে। ইছলামে কয় যে কিছুদিন পূৰ্বে কংগ্ৰেছৰ প্ৰাৰ্থী মণ্ডলে এক ৰাজহুৱা সভাত মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ কৰ্মকৰ্তাসকলে তেওঁক সমৰ্থন কৰি আছে আৰু আৰ এছ এছৰ সকলো মানুহে তেওঁৰ লগত আছে বুলি যি মন্তব্য কৰিছিল সেয়া সম্পূৰ্ণৰূপে অসত্য। সংবাদমেলত তেওঁ আৰু কয় যে মুছমিল ৰাষ্ট্ৰীয় মঞ্চ তথা আৰ এছ এছৰ কৰ্মকৰ্তাসকলে তেওঁক সমৰ্থন দিয়াৰ প্ৰশ্নই নুঠে। মুছলিম ৰাষ্ট্ৰীয় মঞ্চ তথা আৰ এছ এছে হয় বিজেপি তথা বিজেপিৰ মিত্ৰদলৰ প্ৰাৰ্থীকহে সমৰ্থন জনাব। বিগত কাৰ্যকালত সমষ্টিৰ কোনো উন্নয়ন কৰিব নোৱাৰি এতিয়া নিৰ্বাচনী পাৰ হ'বলৈ কংগ্ৰেছৰ প্ৰাৰ্থীজনে আবোল-তাবোল বকিবলৈ ধৰা বুলি কটাক্ষ কৰে ইছলামে।

# প্ৰেম-স্বাভিমান মনুষ্যত্বৰ যাদুকৰী আহিলা ঃ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২১ মাৰ্চ ঃ** হোজাইৰ নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বছৰেকীয়া বঁটা বিতৰণী অনুষ্ঠানত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয়, 'প্ৰেম, ভালপোৱা আৰু স্বাভিমান মনুষ্যত্বৰ যাদুকৰী আহিলা বুলি উল্লেখ কৰি কয়, 'প্ৰেমেৰ স'তে আগবঢ়োৱা খাদ্য সুস্বাদু নহ'লেও বিনা প্ৰেমে আগবঢ়োৱা সুস্বাদু খাদ্যতকৈও তৃপ্তিদায়ক।' 'তেওঁ পুনৰ কয়, 'নিজৰ মাতৃভূমি, মাতৃভাষা আৰু পিতৃ-মাতৃক ভালপোৱাসকলেই প্ৰকৃত স্বাভিমানী আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক স্বাভিমানী কৰি গঢ় লৈ উঠোৱাই হৈছে প্ৰকৃত শিক্ষা।' উল্লেখ্য যে নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বছৰেকীয়া পৰীক্ষা সমাপ্ত কৰি যোৱা এপষেক ধৰি এটিএল কৰ্মশালা, বছৰেকীয়া বিদ্যালয় সপ্তাহ, নবাগত আদৰণি সভা, দশম আৰু দ্বাদশ শ্ৰেণীৰ বিদায় সভা, ভাৰত পুতলা মেলা আদি অনষ্ঠানৰ প্ৰায় ১৫ দিনীয়া এক দীঘলীয়া সহ-পাঠ্যক্ৰমভিত্তিক ক্ৰিয়াকলাপ অনুষ্ঠিত কৰি আজি এইসমূহ প্ৰতিযোগিতা তথা যোৱা তলাবন্ধৰ সময়ছোৱাত অনুষ্ঠিত বিভিন্ন অনলাইন প্ৰতিযোগিতাকে ধৰি প্ৰায় চাৰিশৰো অধিক পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীক বঁটা আৰু প্ৰশস্তিপত্ৰ প্ৰদান কৰা হয়। বিদ্যালয়ৰ ড° এ পি জে আব্দুল কালাম মেম'ৰিয়েল অডিট'ৰিয়াম হলত বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাৰ পৌৰোহিত্যত দিনজোৰা কাৰ্যসূচীৰে সভা অনুষ্ঠিত হয়। শিক্ষক মোস্তাফা আলআমিন বৰভূঞাই আঁত ধৰা এক অনুষ্ঠানত মুখ্য অতিথি হিতাপে হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী উপস্থিত থকাৰ উপৰি বিশিষ্ট কবি, সাহিত্যিক আৰু অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ মোস্তাফা আহমেদ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আলাউদ্দিন আহমেদ, নীলবাগান জাতীয় বিদ্যালয়ৰ অধ্যক্ষ আব্দুছ ছালাম তাফাদাৰ, ইছলাম নগৰ প্ৰতিভা বিকাশ বিদ্যাপীঠৰ অধ্যক্ষ খয়ৰুল বসৰ, সমাজসেৱক মচৰুৰ হক চৌধুৰী (ৰুনু), সাংবাদিক কফিন উদ্দিন বৰভূঞা আৰু বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী নিভাৰাণী বৰা, বদৰুজ্জামান, চিৰাজুল ইছলাম, খেল বিভাগৰ ভাৰপ্ৰাপ্ত শিক্ষক মেহবুব হুছেইন চৌধুৰী, বাহাৰুল ইছলাম চৌধুৰী, প্ৰমুখ্যে বহুকেইগৰাকীমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## নীলবাগান মডেল উচ্চতৰ মাধ্যমিকৰ বছৰেকীয়া বঁটা বিতৰণী অনুষ্ঠান

# বৰমাত জিলাভিত্তিক টেলেণ্ট চাৰ্চ প্ৰতিযোগিতা সম্পন্ন

**বৰমা, ২১ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ উদ্যোগত বাগ্সা জিলাৰ মাধ্যমিক শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা টেলেণ্টেড ছাত্ৰ-ছাত্ৰী বাছনি কৰাৰ উদ্দেশ্যে যোৱা ২০ মাৰ্চত বাগ্সা জিলাৰ বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। টেলেণ্ট চাৰ্চ প্ৰতিযোগিতা আৰম্ভ কৰি বাগ্সা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ জৰিয়তে তেওঁলোকৰ পাৰদৰ্শিতা দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলে নিজকে ভৱিষ্যতে আগবঢ়াই নিয়াত সফলতা আঁজুৰি আনিব পাৰিব বুলি মত প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৌৰ, ওজন দলিওৱা, জপিওৱা, বিজ্ঞান বিষয়ক প্ৰকল্প, ৰচনা প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, নাট্যাভিনয়, ফটোগ্ৰাফী আদি বিভিন্ন দিশৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহৰ পৰা জিলাখনৰ মাধ্যমিক বিদ্যালয়ৰ ৬০ গৰাকী টেলেণ্টেড ছাত্ৰ-ছাত্ৰী বাছনি কৰা হয়।

# টিহুত অগপ-বিজেপিৰ যৌথ সভা সম্পন্ন ঃ উৎফুল্লিত তৃণমূল নেতা-কৰ্মী

অগ্ৰদূত বাৰ্তা

**টিহু, ২১ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পোৱাৰ লগতে ভোটাৰৰ কাষ চপাও পৰিলক্ষিত হৈছে। কালি বিয়লি পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্গত টিহুত অগপ-বিজেপি মিত্ৰজোঁটৰ এখন যৌথ সভা অনুষ্ঠিত হয়। বিজেপিৰ টিহু মণ্ডল সমিতিৰ সভাপতি জ্যোতিষ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাত সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ বিজয় নিশ্চিত কৰাৰ বাবে কেতবোৰ উমৈহতীয়া ৰণকৌশল ৰচনা কৰা হয়। সভাত অংশগ্ৰহণ কৰি ভাৰতীয় যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি তথা পাটাছাৰকুছি সমষ্টিৰ দলীয় প্ৰভাৰী অনুপ বৰ্মনে অংশগ্ৰহণ কৰি ৰাজ্যত বিজেপি মিত্ৰজোঁটৰ চৰকাৰ নিশ্চিত বুলি দাবী কৰে। তেওঁ বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে বিপুল ভোটত জয়ী হ'ব বুলিও দাবী কৰে। বিজেপিৰ নেতাজনে দুয়ো দলৰ কৰ্মীসকলক ভোটাৰৰ ওচৰ চপাৰ বাবে আহ্বান জনায়। সভাত মিত্ৰজোঁটৰ প্ৰাৰ্থীক বিজয়ী কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱাৰ লগতে টিহুৰ সামগ্ৰিক উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰি কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত টিহু মণ্ডল বিজেপিৰ সম্পাদকদ্বয় দীপাংকৰ দত্ত আৰু জয়প্ৰকাশ বৈশ্য, নিৰেন কলিতা, দুলাল দাস, বনমালী বৰ্মন, টিহু নগৰ সমিতিৰ প্ৰাক্তন সভানেত্ৰী হিমানী মজুমদাৰ, গীতা ডেকাৰ লগতে টিহু নগৰ অগপৰ সভাপতি চাণক্যচৰণ কলিতা, সম্পাদক কৃপা দাস, শংকৰ কুমাৰ দাস, লোহিত কলিতা, হৰেকৃষ্ণ মেধি, মাধৱ শৰ্মা, পৱন হালৈ, বিমলা দাস আদি নেতাসকল উপস্থিত থাকে। উল্লেখ্য যে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত অগপ-বিজেপিৰ কালি অনুষ্ঠিত যৌথ সভাই অঞ্চলটোত দুয়োটা দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকল উৎফুল্লিত হৈ পৰা পৰিলক্ষিত হৈছে। সভাত দুয়োটা দলৰ নেতা-কৰ্মীক লৈ এখন ৪১ জনীয়া যৌথ নিৰ্বাচনী সমিতি গঠন কৰা হয়।

# কলিয়াবৰত খহনীয়া চলিছে কংগ্ৰেছত

## দলীয় সংঘাতৰ পৰিণতি ঃ লাভান্বিত হৈছে অগপ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২১ মাৰ্চ ঃ** দলীয় সংঘাতৰ চৰম পৰিণতিত কলিয়াবৰৰ কংগ্ৰেছত আৰম্ভ হৈছে ব্যাপক খহনীয়া। ইজনৰ পাছত সিজন কংগ্ৰেছৰ কলিয়াবৰৰ নেতা-পালিনেতাই দলেবলে যোগদান কৰিছে অগপত। বিগত বিধানসভা নিৰ্বাচনৰ কংগ্ৰেছৰ পৰাজিত প্ৰাৰ্থী চাহ জনগোষ্ঠীয় নেতা বিন্দু গঞ্জুৰ অগপ গমনৰ পাছতে আন আন নেতা-কৰ্মীৰ পাছত কালি অগপত চামিল হ'ল কলিয়াবৰ কংগ্ৰেছৰ পূৰ্বৰ পৰাজিত প্ৰাৰ্থী তপন বৰা। এনেদৰেই এতিয়া কলিয়াবৰত প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাতৰ চৰম পৰিণতিতে কংগ্ৰেছ শিবিৰ বিপাঙত পৰাৰ দিশে আগবাঢ়িছে কলিয়াবৰত। কলিয়াবৰত মহাজোঁটৰ কংগ্ৰেছৰ প্ৰশান্ত কুমাৰ শইকীয়াই প্ৰাৰ্থিত্ব লাভ কৰাৰ পাছতেই উমি-উমি জ্বলি থকা জুইকুৰাই এতিয়া সমগ্ৰ কলিয়াবৰ কংগ্ৰেছক আগুৰি ধৰিছে। কালি তাৰেই বহিঃপ্ৰকাশ ঘটিল। ২০১১ৰ বিধানসভা নিৰ্বাচনত কলিয়াবৰ সমষ্টিৰ পৰা কেশৱ মহন্তৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা পূৰ্বৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী তথা কলিয়াবৰ যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তপন বৰাই কালি দলেবলে এক বৃহৎ সমদলেৰে কেশৱ মহন্তৰ উপস্থিতিত অগপত যোগদান কৰে। ইতিপূৰ্বে, কংগ্ৰেছৰ অসমৰ কংগ্ৰেছ কিষাণ মৰ্চাৰ ৰাজ্যিক অধ্যক্ষ তথা কলিয়াবৰ সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰয়াসী সুৰেন্দ্ৰ কুমাৰ বৰঠাকুৰে দলীয় বিষয়বাব ত্যাগ কৰি মুকলিকৈ অগপ প্ৰাৰ্থীক সহায় কৰাৰ কথা ঘোষণা কৰিছিল। লগতে তপন বৰাৰ সমৰ্থকৰ এটা অংশই অগপত যোগদান কৰি কংগ্ৰেছৰ ভেটিত কঁপনি তুলিছিল। পূৰ্বৰ দৰেই এইবাৰো কলিয়াবৰ কংগ্ৰেছক চিপৰাং ৰাজনীতিৰ লগতে দল ত্যাগৰ জোৱাৰে দলটোক পুনৰবাৰ বিপাঙত পেলোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ইয়াৰ বিপৰীতে ৰাজনীতিৰ পথাৰত কলিয়াবৰৰ অসম গণ পৰিষদ দল লাভান্বিত হোৱাৰ লগতে নিৰ্বাচনত এক ইতিবাচক প্ৰভাৱ পেলাইছে।

# জালুকবাৰী সমষ্টিত দিয়া প্ৰতিশ্ৰুতি ৰক্ষাত ব্যৰ্থ লুৰীণজ্যোতি

## এজেপিয়ে দিব নোৱাৰিলে সিংহ পুৰুষ প্ৰাৰ্থী

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২১ মাৰ্চ ঃ** 'অসম বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া সমাপ্ত হ'ল। ৰাজ্যৰ আটাইতকৈ চৰ্চিত জালুকবাৰী সমষ্টিৰ ৰাইজক প্ৰতাৰণা কৰিলে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে।' এই মন্তব্য জালুকবাৰী সমষ্টিৰ জাতীয় পৰিষদৰ তৃণমূল কৰ্মীৰ। যোৱা তিনি ফেব্ৰুৱাৰীত জাতীয় পৰিষদৰ নেতৃত্বত বস্ত্ৰনগৰী শুৱালকুছিত অনুষ্ঠিত জনজাগৰণ সভাত জালুকবাৰী সমষ্টিত এগৰাকী সিংহ পুৰুষ তথা শক্তিশালী প্ৰাৰ্থী প্ৰদান কৰা হ'ব বুলি ৰাজহুৱা প্ৰতিশ্ৰুতি দি আগন্তুক বিধানসভা নিৰ্বাচনত জালুকবাৰী সমষ্টিত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে বৃহৎ প্ৰত্যাহ্বান জনাই পুনৰা সমষ্টিটোত উৰিব জাতীয়তাবাদৰ বিজয় ধ্বজা বুলি সদম্ভে ঘোষণা কৰিছিল সভাপতিজনে। কিন্তু নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ মনোনয়ন দাখিলৰ অন্তিম দিনা স্পষ্ট হৈ পৰিল জালুকবাৰীত সিংহপুৰুষটো বাদেই সমষ্টিটোত প্ৰতিদ্বন্দ্বী আগবঢ়াব নোৱাৰিলে অসম জাতীয় পৰিষদে। যাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ বস্ত্ৰনগৰী শুৱালকুছিত জাতীয়তাবাদী শিবিৰত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ক্ষুব্ধ একাংশ অজাপৰ সদস্যই সামাজিক মাধ্যমত 'জাতীয় পৰিষদ জালুকবাৰীত বিক্ৰী গ'ল, জাতীয় পৰিষদ শিয়ালৰ দল,' আদি বিভিন্ন মন্তব্য দি কেন্দ্ৰীয় নেতৃত্বৰ বিৰুদ্ধে উজাৰিছে। আনহাতে, দলীয় নেতৃত্বৰ বিৰুদ্ধে বিষেদগাৰ প্ৰকাশ কৰি কালি সমষ্টিটোৰ মধ্য শুৱালকুছি মণ্ডলৰ ছয় নম্বৰ ৱাৰ্ড কৰ্মীসকলে কংগ্ৰেছ প্ৰাৰ্থী ৰমেন বৰঠাকুৰৰ উপস্থিত কংগ্ৰেছত যোগদান কৰে। উল্লেখ্য যে জালুকবাৰী সমষ্টিত ৰাইজৰ দলে প্ৰাৰ্থিত্ব দিছে হেমন্ত সুতক। আঞ্চলিকতাবাদী লোক সকলে সমষ্টিটোত অসম জাতীয় পৰিষদৰ এই ভূমিকাত ক্ষুণ্ণ হৈ পৰিছে।






# গণ সুৰক্ষা পাৰ্টিৰ বিৰুদ্ধে সৰৱ অবড়ো সুৰক্ষা সমিতি

## বিজেপি মিত্ৰজোঁটৰ বিৰুদ্ধে ভোটদানৰ আহ্বান অবড়ো ৰাইজক

**বৰমা, ২১ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনক লৈ ইতিমধ্যে ৰাজনৈতিক দলসমূহে আৰম্ভ কৰিছে বোকা ছটিওৱা ৰাজনীতিৰ। কালি গণ সুৰক্ষা পাৰ্টিয়ে বৰমাত এখন সংবাদমেলৰ আয়োজন কৰি অবড়ো সুৰক্ষা সমিতি, অসমৰ সভাপতি ললিত হেমৰম আৰু সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীক সংগঠনটোৰ পৰা পদত্যাগ কৰা বুলি প্ৰচাৰ কৰিছিল। ইয়াৰ বিৰুদ্ধে আজি জাঙুৰ খাই উঠিছে মুছলপুৰ জিলা অবড়ো সুৰক্ষা সমিতিয়ে আজি এক প্ৰেছ বিবৃতিতযোগে গণ সুৰক্ষা সমিতিয়ে ব্যক্ত কৰা কথা সম্পূৰ্ণৰূপে নস্যাৎ কৰে। অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ললিত হেমৰম আৰু সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীয়ে সংগঠনটোৰ পৰা পদত্যাগ কৰা নাই বুলি দোহাৰি এয়া ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিহিত কৰে মুছলপুৰ জিলা সমিতিয়ে। অবড়ো সুৰক্ষা সমিতিৰ সভাপতি-সম্পাদকে পদত্যাগ পত্ৰ সাংসদ নব কুমাৰ শৰণীয়াৰ ওচৰত অৰ্পণ কৰা কথাটো সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন বুলি উল্লেখ কৰি সাংসদ শৰণীয়াই পদত্যাগপত্ৰ গ্ৰহণ কৰাৰ কোনো নৈতিক অধিকাৰ নাই বুলি কয়। সাংসদ শৰণীয়া অবড়ো সুৰক্ষা সমিতিৰ কোনো ধৰণৰ দায়িত্বত নাই বুলি উল্লেখ কৰে বিবৃতিটোত। অনাগত সময়ত অবড়ো সুৰক্ষা সমিতিক বদনাম কৰা নাইবা অপপ্ৰচাৰ কৰাৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিয়ে মুছলপুৰ জিলা অবড়ো সুৰক্ষা সমিতিৰ সভাপতি দেবেন ডেকা আৰু সম্পাদক নিৰঞ্জন বৰ্মনে। ইয়াৰ উপৰি আসন্ন বিধানসভা নিৰ্বাচনত মুছলপুৰ জিলা অবড়ো সুৰক্ষা সমিতিয়ে বিজেপি মিত্ৰজোঁটৰ বিৰুদ্ধে ভোটদান কৰিবলৈ আহ্বান জনাই অবড়ো ৰাইজক।

# ভৱানীপুৰত অগপৰ নিৰ্বাচনী তৎপৰতা

অগ্ৰদূত বাৰ্তা

**ভৱানীপুৰ, ২১ মাৰ্চ ঃ** ভৱানীপুৰ সমষ্টিৰ অগপৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ড° ৰণজিৎ ডেকাই সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে। বিগত ১০ বছৰে এআইইউডিএফৰ দখলত থকা সমষ্টিটো উদ্ধাৰৰ বাবে সমষ্টিটোত আজিও কে'বাখন গাঁৱত প্ৰচাৰ চলায়। গাঁৱৰ ৰাজহুৱা নামঘৰত ৰাইজৰ স'তে মত-বিনিময় কৰি তেওঁ কয় যে আনক সমালোচনা কৰি ভাল নাপাও যদিও সমষ্টিটো বিগত ১০ বছৰে উন্নয়নৰ পৰা বঞ্চিত হৈ আহিছে। ইয়াৰ বাবে নিৰ্বাচনত ৰাইজ ওলাই আহি ভোটদান কৰিব লাগিব। উন্নয়নৰ স্বাৰ্থত সকলোৱে ওলাই আহিব লাগিব।

# পূব কোকৰাঝাৰ জনজাতি সমষ্টিত একো উন্নতি হোৱা নাই ঃ লৰেঞ্চ ইছলাৰী

অগ্ৰদূত বাৰ্তা

**দোতমা, ২১ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তৎপৰ হৈছে বিভিন্ন ৰাজনৈতিক দলসমূহ। এই ক্ষেত্ৰত পিছ পৰি ৰোৱা নাই প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল দল। সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত পূব কোকৰাঝাৰ সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী লৰেঞ্চ ইছলাৰীয়ে আজি কয়, 'ইয়াত ৩০ বছৰ ধৰি প্ৰমীলাৰাণী ব্ৰহ্ম বিধায়িকা আৰু মন্ত্ৰী হৈ আছিল। ৰাইজে নিজেই দেখিছে তেওঁ কৃষি দপ্তৰৰ মন্ত্ৰী আছিল, কিন্তু পূব কোকৰাঝাৰ সমষ্টিত একো উন্নতি নকৰিলে। তেওঁ বনমন্ত্ৰী আছিল, কিন্তু তাত বসবাস কৰা মানুহখিনিক একো সুবিধা প্ৰদান নকৰিলে লগতে পিছ



পৰা জাতি-জনগোষ্ঠীৰ কাৰণেও একো কাম নকৰিলে যাৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাইজে পৰিৱৰ্তন বিচাৰিছে। ইউপিপিএলক পূব কোকৰাঝাৰ জনজাতি সমষ্টিত জয়যুক্ত কৰিব বুলিও কয় ইছলাৰীয়ে। 'আমাৰ বিটিআৰ অঞ্চলত বহুতো সমস্যা আছে। এতিয়া বহুতো স্কুল প্ৰাদেশিকীকৃত হোৱা নাই লগতে বহুতো মহাবিদ্যালয় চৰকাৰী হোৱা নাই। চৰকাৰী তথ্য মতে ১১ হেজাৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ প্ৰয়োজন আছে। কিছুমান স্কুলত এতিয়াও এজন শিক্ষকে পাঠদান কৰি আছে। বহু স্কুলত বিজ্ঞান আৰু গণিতৰ শিক্ষকৰ অভাৱ। মই বিধায়ক হৈ আহিলে এইবোৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিম যিহেতু মই এজন ছাত্ৰ নেতা আছিলো।' দৈমাৰীয়ে কয়। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কত তেওঁ কয়, 'মই যেতিয়া এবছুত আছিলো তেতিয়া কৈছিলো যে বৰ্তমানৰ জনজাতিকৰণ থকা জনগোষ্ঠীৰ ক্ষতি নোহোৱাকৈ ছয় জনগোষ্ঠীৰ তথা কোচ ৰাজবংশীৰ জনজাতিকৰণ কৰিলে আমাৰ একো আপত্তি নাই আৰু মই এতিয়াও এই স্থিতিতেই অটল আছো।'

# বালাগাঁৱত শতাধিকৰ ইউপিপিএলত যোগদান



অগ্ৰদূত বাৰ্তা

**দোতমা, ২১ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হোৱাৰ সময়তে দলবাগৰা ৰাজনীতি তীব্ৰতৰ হৈছে। ইয়াৰ মাজতে আজি ৩০ নম্বৰ পূব কোকৰাঝাৰ বিধানসভা সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী লৰেন্স ইছলাৰীৰ উপস্থিতিত আজি বালাগাঁৱত শতাধিক লোকে ইউপিপিএলত যোগদান কৰে। পূব কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বালাগাঁৱত অঞ্চলটোৰ শতাধিক পুৰুষ-মহিলাই ইউপিপিএলত যোগদান কৰে। প্ৰাৰ্থী ইছলাৰীয়ে অঞ্চলটোৰ বাট-পথ-দলঙৰ লগতে বিদ্যালয়ৰ উন্নয়নৰ বাবেও কাম কৰিব বুলি কয়।

# ইউপিপিএলৰ নিৰ্বাচিত বিধায়কে মন্ত্ৰিত্ব লাভ কৰিব ঃ ছাপাগুৰিৰ প্ৰাৰ্থী ইউ জি ব্ৰহ্ম

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ মাৰ্চ ঃ** 'অসমত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ হোৱাটো খাটাং। বিজেপিৰ লগতে মিত্ৰজোঁটৰ অংশীদাৰ ইউপিপিএলৰ এইবাৰৰ বিধানসভা নিৰ্বাচনত গৌৰৱময় বিজয় নিশ্চিত। বিজেপিৰ নেতৃত্বত গঠন হ'বলগীয়া মিত্ৰজোঁট চৰকাৰৰ মন্ত্ৰীসভাত ইউপিপিএলৰ নিৰ্বাচিত বিধায়কে মন্ত্ৰিত্ব পাব। লগে লগে অসমতে আৰম্ভ হ'ব উন্নয়নৰ এক যাত্ৰা। তেনেদৰে বিটিচিত ইউপিপিএলৰ নেতৃত্বত গঠিত চৰকাৰ আৰু ইউপিপিএলৰ মন্ত্ৰী-বিধায়কে সন্মিলিতভাৱে আৰম্ভ কৰিব উন্নয়নৰ অবিৰত যাত্ৰা।' এই ভাষ্য ইউপিপিএলৰ প্ৰতিষ্ঠাপক সভাপতি তথা ছাপাগুৰি



বিধানসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী ইউ জি ব্ৰহ্মৰ। সমষ্টিটোৰ জালাহত দলীয় নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি আজি তেওঁ কয়, 'বিটিচিত বিপিএফে এখনো আসন নাপায়। অসমতো মহাজোঁটে অতি ন্যূনতম আসন লাভ কৰিব। অসমত মহাজোঁট শক্তিহীন।' সমষ্টিটোৰ জালাহৰ মাইব্ৰা চ'কত অনুষ্ঠিত সভাত ১৫৬ গৰাকী বিপিএফৰ কৰ্মী-সমৰ্থকে দলত যোগদান কৰে। তেওঁলোকক গামোচাৰে আদৰণি জনায় ব্ৰহ্মই। সভাত ইউপিপিএলৰ নেতা দয়াল শৰণীয়া, মইনুল আলী, মণ্টু বড়ো, প্ৰাক্তন এম চি এল এ অনিপ বসুমতাৰীকে ধৰি কে'বাগৰাকীও দলীয় নেতা উপস্থিত থাকে। ইপিনে, আজি সমষ্টিটোত প্ৰাৰ্থী ব্ৰহ্মৰ বিজয়ৰ বাবে ছাপাগুৰিৰ ৰাবাং বড়ো বাজাৰস্থিত বাথৌ মন্দিৰত আৰু মুছলপুৰস্থিত ব্ৰহ্ম মন্দিৰত পৃথকে পৃথকে অগণন বাথৌ আৰু ব্ৰহ্মভক্তই পৰম্পৰাগত সমূহীয়া প্ৰাৰ্থনা কৰি উপস্থিত থকা ব্ৰহ্মক আশীৰ্বাদ দিয়ে। প্ৰাৰ্থী ব্ৰহ্মই তেওঁলোকৰ স'তে একেলগে প্ৰাৰ্থনা গায়।

# ইউপিপিএল নেতৃত্বাধীন বিটিআৰ পৰিষদ ভঙাৰ ক্ষমতা কাৰো নাই

## বিজনীত ইউপিপিএলৰ যোগদান সভাত উইলসন্ হাছদা

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ মাৰ্চ ঃ** ইউপিপিএলৰ নেতৃত্বাধীন বিটিআৰৰ পৰিষদীয় চৰকাৰ ভঙাৰ ক্ষমতা কাৰোৰে নাই বুলি দাবী কৰিছে ইউপিপিএলৰ নেতা তথা পৰিষদৰ মনোনীত সদস্য উইলসন্ হাছদাই। আজি বিজনী বিধানসভা সমষ্টিৰ বিজনী চহৰস্থিত ইউপিপিএলৰ কাৰ্যালয়ত অনুষ্ঠিত এক যোগদান সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে বহুতো ৰাজনৈতিক দল আছে। কিন্তু তাৰ মাজতে ইউপিপিএল ব্যতিক্ৰম। প্ৰমোদ বড়োৰ নেতৃত্বত ইউপিপিএলে সকলো জাতি-জনগোষ্ঠীৰ লোকক সমমৰ্যাদা প্ৰদান কৰিবলৈ সক্ষম হৈছে। এই দলত কাম কৰি সকলোৱে আনন্দ পাব। প্ৰাক্তন পাৰিষদ গুণেশ্বৰ গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত তেওঁ কয় যে নিৰ্বাচিত সদস্যৰে গঠিত হৈছে বিটিচিৰ পৰিষদ। বিপিএফে ৰাইজৰ মাজত কৈ আছে বিটিচি চৰকাৰ বিপিএফে বনাম। অৰ্ধ শতাধিক লোকে যোগদান কৰা এই সভাত সমষ্টিটোৰ প্ৰাৰ্থী ফনীন বড়োৱে ৰাইজক ভোট দি তেওঁক জয়যুক্ত কৰিবলৈ আহ্বান জনায়।

# নিৰ্বাচনক লৈ এবিএমছুৰ দুটা ফৈদৰ মাজত সংঘাত

## সাত সদস্যৰ বহিষ্কাৰক লৈ ক্ষোভ মহিদুল গোটৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২১ মাৰ্চ ঃ** নিৰ্বাচনত ৰাজনৈতিক দলক সমৰ্থন কৰা-নকৰাক লৈ পূৰ্বে দুটা ফৈদত বিভক্ত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ ভিতৰত চ'ৰাত পুনৰ আৰম্ভ হৈছে সংঘাত। উল্লেখ্য যে এবিএমছুত মহিদুল ইছলাম গোটৰ সমান্তৰালভাৱে আশ্ৰাফুল ইছলাম গোটেও কাম কৰি আহিছে। আশ্ৰাফুল গোটৰ কোকৰাঝাৰ জিলা সমিতিয়ে কালি এক বিবৃতিযোগে জিলা সমিতিৰ সাতজন সদস্যক তাৎক্ষণিক বহিষ্কাৰ কৰাৰ পাছত আজি মহিদুল গোটৰ জিলা সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত আজি মহিদুল গোটৰ জিলা সমিতিৰ সভাপতি-সম্পাদক ছহিদুল ইছলাম আৰু মনিৰুজ জামানে এক বিবৃতিত কয় যে এবিএমছুৰ নিজকে জিলা সমিতিৰ সভাপতি-সম্পাদকৰূপে জাহিৰ কৰা নজৰুল ইছলাম আৰু ছলেবৰ আলীয়ে একছত্ৰী কাৰ্যকলাপৰে সংগঠনটোৰ সাতজনকৈ সদস্যক বহিষ্কাৰ কৰা ঘটনা দুৰ্ভাগ্যজনক। তেওঁলোকে লোৱা এই সিদ্ধান্তক একেমুখে গৰিহণা দি বিবৃতিটোত কয় যে নজৰুল ইছলাম আৰু ছলেবৰ আলীৰ দৰে স্বাৰ্থলোভী নেতাৰ বাবে এবিএমছুত বিভাজন ঘটোৱাই নহয়, এবিএমছু মহিদুল ইছলাম গোটৰ নৱগঠিত কোকৰাঝাৰ জিলা সমিতিৰ বিষয়ববীয়াক বহিষ্কাৰ কৰাৰ অধিকাৰ ক'ত পালে আৰু কোনে কৰ্তৃত্ব দিলে বুলি প্ৰশ্ন কৰি কঠোৰভাষাৰে গৰিহণা দিয়ে। আনহাতে, যোৱা ১৯ মাৰ্চত জিলা সমিতিৰ এখন সাধাৰণ সভাত সমিতিৰ নৱনিযুক্ত সভাপতিৰূপে ছহিদুল ইছলাম আৰু সম্পাদকৰূপে মনিৰুজ জামানক লৈ ৩১ জনীয়া নতুন সমিতি গঠন কৰা বুলিও কয়।

# দুৰ্গা দাস বড়ো এগৰাকী ক্ষমতালোভী নেতা

## কলাইগাঁৱত ইউপিপিএলৰ সংবাদমেল

অগ্ৰদূত বাৰ্তা

**কলাইগাওঁ, ২১ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন দলৰ নেতা-প্ৰাৰ্থীৰ মাজত আৰম্ভ হৈছে তীব্ৰ বাকযুদ্ধ। আনহাতে নিৰ্বাচনী সভা। আজি কলাইগাঁৱত এক সংবাদমেলত কলাইগাঁও সমষ্টিৰ প্ৰাৰ্থী কামাল আজাদে কয় যে সদ্য কংগ্ৰেছ দল ত্যাগ কৰি ক্ষমতাৰ লোভত বিপিএফত যোগদান কৰা প্ৰাৰ্থী দুৰ্গাদাস বড়ো এগৰাকী কলংকিত ইতিহাস থকা নেতা। সাধাৰণ হোজা লোকে তেওঁৰ ইতিহাস নাজানে যদিও শিক্ষিত লোকে সকলো জানে। আজাদে কয় যে যিজন লোকে দুদিন আগতে হাগ্ৰামা মহিলাৰীক গালি পাৰিছিল সেইজন দুৰ্গাদাস বড়োৱে এতিয়া হাগ্ৰামাৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে আৰু বদৰুদ্দিনৰ কান্ধত বন্দুক থৈ কলাইগাঁও সমষ্টিত জয়ী হ'বলৈ আহিছে।

# বিজনীত ইউপিপিএলত শতাধিকৰ যোগদান

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২১ মাৰ্চ ঃ** আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজনৈতিক দলসমূহৰ মাজত দেখা গৈছে ব্যাপক তৎপৰতা। ইয়াৰ মাজতে দেওবাৰে চিৰাং জিলাৰ বিজনীত ইউনাইটেড পিপ'লছ পাৰ্টি লিবাৰেল চমুকৈ ইউপিপিএলৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। অহা ছয় এপ্ৰিলত তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচন উপলক্ষে বিজনী বিধানসভা সমষ্টিত ইউপিপিএলে তৎপৰতা বৃদ্ধি কৰিছে। আজি বিজনী বিধানসভা সমষ্টিৰ ইউপিপিএলৰ প্ৰাৰ্থী ফনীন বড়ো আৰু বিটিচিৰ পৰিষদীয় সদস্য উইলছন হাসদাৰ উপস্থিতিত বিভিন্ন দলৰ পৰা শতাধিক লোকে ইউপিপিএলত যোগদান কৰে। বিজনী জিলা ইউপিপিএলৰ সভাপতি গুণেশ্বৰ গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীত বিভিন্ন দলৰ পৰা শতাধিক লোকে ইউপিপিএলত যোগদান কৰে। উক্ত যোগদান কাৰ্যসূচীত ইউপিপিএলৰ কেন্দ্ৰীয় সদস্য সন্তোষ খাখলাৰী, দলৰ নিৰ্বাচনী সমিতিৰ মুখ্য আহ্বায়ক আবু ছায়েদ আনছাৰীসহ কে'বাগৰাকী নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# শ্ৰীৰামপুৰত বিজেপিত খহনীয়া ঃ দুই শতাধিক সদস্যৰ বিপিএফত যোগদান

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২১ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া ২৮ নম্বৰ গোসাঁইগাঁও বিধানসভা সমষ্টিত বিপিএফ আৰু ইউপিপিএলৰ মাজত মূল যুঁজ হোৱাল সম্ভাবনা আছে। বিটিচিত ইউপিপিএলৰ স'তে বিজেপিৰ মিত্ৰতা আছে যদিও বিজেপিৰ সাধাৰণ কৰ্মী-সমৰ্থকে যে সেই বিত্ৰতাক গুৰুত্ব দিয়া নাই তাৰ ছবিখন আজি শ্ৰীৰামপুৰত ফুটি উঠিল। শ্ৰীৰামপুৰ অঞ্চলৰ বহু পুৰণি শতাধিক বিজেপি কৰ্মী-সমৰ্থকসকলে আজি বিজেপিৰ পৰা সম্পৰ্ক ছিন্ন কৰি ৰাজহুৱাভাৱে বিপিএফত যোগদান কৰে। এই উপলক্ষে শ্ৰীৰামপুৰত আজি বিপিএফৰ এটি নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়। শ্ৰীৰামপুৰস্থিত কণিষ্ঠ মহাবিদ্যালয় প্ৰাংগণত শ্ৰীৰামপুৰ ব্লক বিপিএফৰ উদ্যোগত আয়োজিত সভাৰ সভাপতিত্ব কৰে ব্লক সভাপতি কৰ্ণেলিয়াছ মাৰাণ্ডীয়ে। শ্ৰীৰামপুৰ ভিচিডিচিৰ প্ৰাক্তন সভাপতি তথা ব্লক বিপিএফৰ নেতা দিলীপ কুমাৰ পোদ্দাৰে আঁত ধৰা উক্ত সভাত বিজেপিৰ শতাধিক পুৰুষ-মহিলাই বিপিএফত যোগদান কৰে। উক্ত সভাত প্ৰাক্তন বিধায়ক তথা বিপিএফৰ প্ৰাৰ্থী মাজেন্দ্ৰ নাৰ্জাৰীয়ে কয়, 'বিজেপিয়ে সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই সাতামপুৰুষীয়া ভাতৃত্বৰ এনাজৰি বিনষ্ট কৰি ৰাজনৈতিক মুনাফা আদায়ৰ চেষ্টা চলাইছে যদিও এইবেলি মহাজোঁটৰ অংশীদাৰ দলসমূহে বিজেপিৰ এনে চক্ৰান্তক মষিমূৰ কৰি অসমত ধৰ্মনিৰপেক্ষ আৰু গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ উপৰি এখন সুস্থিৰ চৰকাৰ গঠন কৰিব।' তেওঁ বিটিআৰৰ ১২টা সমষ্টিতে বিপিএফ জয়ী হ'ব বুলি কয়। উক্ত সমষ্টিটোৰ পৰা একেৰাহে তিনিবাৰ বিধায়ক হোৱা স্বত্বেও সমষ্টিৰ বহুতো কাম এতিয়াও কৰিবলৈ বাকী আছে বুলি স্বীকাৰ কৰি নাৰ্জাৰীয়ে পুনৰ কয় যে তেওঁ জয়ী হ'লে এইবেলি সমষ্টিটোৰ বাকী থকা কাম কৰাৰ লগতে সামগ্ৰিক উন্নয়নৰ প্ৰতি গুৰুত্ব দিব। তেওঁ মহাজোঁটৰ চৰকাৰ হোৱাটো খাটাং আৰু তেওঁ মন্ত্ৰী হোৱাটোও এক প্ৰকাৰ নিশ্চিত বুলি দাবী কৰে। উক্ত সমষ্টিটোৰ পৰা নিৰ্দলীয় ৰূপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সকলক তেওঁ দালাল বুলি কয়। বিশেষকৈ এআইইউডিএফে মহাজোঁটৰ অংশীদাৰ হোৱা স্বত্বেও দলটোৰ শীৰ্ষ নেতা খাইৰুল আনাম খন্দকাৰে নিৰ্দলীয় হিচাপে সমষ্টিটোৰ পৰা কাৰ স্বাৰ্থ পূৰণ কৰিবলৈ নিবাচনত অৱতীৰ্ণ হৈছে বুলি প্ৰশ্ন কৰি তেওঁ পুনৰ কয়, 'সংখ্যালঘু ভোট বিভাজনৰ বাবে কোনোবা দলৰ উচটনিত নাইবা বৃহৎ অংশৰ ধনৰ বিনিময়ত খাইৰুল আনাম খন্দকাৰে দলৰ নিৰ্দেশ অমান্য কৰি নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতাত নামিছে যদিও ভোটাৰ ৰাইজে সকলো গম পায়। মহাজোঁটৰ প্ৰাৰ্থী হিচাপে এইবেলি তেওঁ অভিলেখসংখ্যক ভোট লাভ কৰি চতুৰ্থবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হ'ব বুলি দৃঢ়তাৰে কয়। তেওঁৰ বাবে ইউপিপিএলৰ আৰু নিৰ্দলীয়সকল কোনো ফেক্টৰ নহয়।' উক্ত এই সভাত দীৰ্ঘদিন ধৰি বিজেপিৰ হৈ কাম কৰা দুই শতাধিক পুৰুষ-মহিলাই বিপিএফত যোগদান কৰে।

# আজি বিজেপিত যোগ দিব প্ৰাক্তন মন্ত্ৰী গৌতম বৰাই

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ২১ মাৰ্চ ঃ** কাইলৈ বিজেপিত যোগ দিব সদ্য কংগ্ৰেছ ত্যাগী প্ৰাক্তন মন্ত্ৰী গৌতম বৰাই। বটদ্ৰৱা সমষ্টিৰ দলংঘাটৰ বেলতলিত অনুষ্ঠিত হ'বলগীয়া সভাত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ সভাত যোগদান কৰিব বৰাই। ইয়াৰ বাবে আজি নিশা প্ৰায় ন বজাত উপস্থিত হয় বটদ্ৰৱাৰ বিধায়িকা তথা বিজেপি প্ৰাৰ্থী আঙুৰলতা ডেকা। আঙুৰলতা ডেকাই প্ৰাক্তন মন্ত্ৰীজনৰ ঘৰত উপস্থিত হোৱাৰ লগে লগে সমৰ্থকসকলে 'আঙুৰলতা জিন্দাবাদ, বিজেপি জিন্দাবাদ' ধ্বনি দিয়ে।

# এইবাৰ বিজেপিৰ সন্মুখত কোনো প্ৰতিদ্বন্দ্বী নাই

বিশেষ সংবাদদাতা

**নগাঁও, ২১ মাৰ্চ ঃ** নগাঁও সদৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। আজি সমষ্টিটোৰ অন্তৰ্গত দেওধাৰ, পাখিমৰীয়া, তুলসী দেউৰী, দক্ষিণ পাট, বেবেজীয়া, শেনছোৱা আদি গাঁও পঞ্চায়তত কে'বাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাই। নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি শৰ্মাই এইবাৰ বিজেপি চৰকাৰ হ'বই বুলি উল্লেখ কৰি কয় যে বিজেপিৰ সন্মুখত কোনো প্ৰতিদ্বন্দ্বী নাই। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত বিকাশ আৰু উন্নয়নে নতুন গতি লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে নগাঁও সদৰ সমষ্টিটো এতিয়া ৰাজ্যখনৰ ভিতৰতে অন্যতম সমষ্টি। বিগত পাঁচ বছৰত সমষ্টিটোত হোৱা উন্নয়নে এতিয়া নতুনত্ব দিছে। এই সভাসমূহৰ কে'বা শতাধিক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। পাছত ধৰ্মীয় সংখ্যালঘু অধ্যুষিত মূলাপট্টি আৰু লাওগাঁও পঞ্চায়তত ৰোড শ্ব উলিয়ায়।

# প্ৰতাৰক বিজেপিক নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিয়া হ'ব ঃ কৰমালী

## নাগ্ৰিজুলী চাহবাগিচাত আটছাৰ ৰাজনৈতিক সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ মাৰ্চ ঃ** বিজেপি চৰকাৰে ৰাজ্যৰ চাহ শ্ৰমিকসকলৰ প্ৰতি কৰা চৰম প্ৰতাৰণাৰ প্ৰতিবাদত আজি সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নাগ্ৰিজুলী আঞ্চলিক সমিতিৰ উদ্যোগত নাগ্ৰিজুলী চাহ বাগিচাত এখন সজাগতা সভা অনুষ্ঠিত হয়। আটছাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য অজয় কৰমালীৰ নেতৃত্বত বাগিচাখনত ভুতবাংলা লাইনত কৰ্মৰত শ্ৰমিকসকলৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰি নিৰ্বাচনত চাহ শ্ৰমিকসকলক প্ৰতাৰণা কৰা বিজেপিৰ প্ৰাৰ্থীক ভোট নিদি বিবেক ভোট দিবলৈ আহ্বান জনায়। উক্ত সভাখনত চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজয় কৰমালীয়ে কয়, 'বিগত নিৰ্বাচনত ৰাজ্যৰ লক্ষ লক্ষ চাহ জনগোষ্ঠীৰ ভোটেৰে নিৰ্বাচনত জয়ী হৈ চৰকাৰ গঠন কৰা বিজেপি চৰকাৰে চাহ জনগোষ্ঠীৰ ৰাইজক দিয়া এটাও প্ৰতিশ্ৰুতি পালন নকৰিলে।' আটছাৰ নেতাজনে পুনৰ কয়, 'কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া শাসনত চাহ জনগোষ্ঠীৰ লোকসকলৰ একো উন্নয়ন নোহোৱাত বিগত বিধানসভা নিৰ্বাচনত চাহ জনগোষ্ঠীৰ লোকসকলে জনগোষ্ঠীৰ লোকসকলক জনজাতি কৰণ কৰা, মাটিৰ পট্টা দিয়া আৰু চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ টকালৈ বৃদ্ধি কৰা এই তিনিটা দাবী পূৰণ কৰাৰ বাবে বিজেপিক অনুৰোধ কৰিছিলো। চৰকাৰ গঠন হোৱাৰ পাছত আমাৰ দাবীসমূহ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল; কিন্তু মিথ্যচাৰী বিজেপি চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকল চৰম প্ৰতাৰণা কৰি আজিলৈকে এটাও প্ৰতিশ্ৰুতি পূৰণ নকৰিলে। সমাগত বিধানসভা নিৰ্বাচনত পুনৰ মিছা প্ৰলোভনেৰে চাহ জনগোষ্ঠীৰ ভোটেৰে চৰকাৰ গঠনৰ সপোন দেখিছে বিজেপিয়ে।' বিজেপিক নিৰ্বাচনত উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি মন্তব্য কৰি আটছাৰ নেতাজনে কয়, 'ৰাজ্যৰ তিনিখন চাহ বাগিচাতে এইবাৰ ভোট বিচাৰি অহা বিজেপিৰ নেতা-কৰ্মীক নিৰ্বাচনী প্ৰচাৰত বাধা প্ৰদান কৰা হ'ব।' বিজেপিৰ নেতা-কৰ্মীক নিৰ্বাচনী প্ৰচাৰ চলাবলৈ বাগানত প্ৰৱেশ নকৰিবৈ সকিয়াই দি কৰমালীয়ে কয়, 'আমাৰ ধৰ্য্যৰ পৰীক্ষা ল'বলৈ চেষ্টা নকৰিব।' আনহাতে, চাহ জনগোষ্ঠীৰ পৰা বিজেপি দলৰ মন্ত্ৰী, বিধায়ক, সাংসদ হোৱা ৰামেশ্বৰ তেলী, পল্লৱ লোচন দাসকো তীব্ৰ সমালোচনা কৰি কৰমালীয়ে কয়, 'এইসকল চাহ জনগোষ্ঠীৰ হৈয়ো চৰকাৰৰ ওচৰত জনগোষ্ঠীটোৰ সমস্যাসমূহ সবলভাৱে দাঙি নধৰিলে। কেৱল নিজৰ উন্নতিৰ বাবেহে কাম কৰিলে। যি দলে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি, মাটিৰ পট্টা আৰু জনজাতিকৰণৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব সেই কৰিব সেই দলৰ প্ৰাৰ্থীয়ে এইবাৰ চাহ জনগোষ্ঠীৰ ভোট লাভ কৰিব।' তেওঁ কয় যে চাহ জনজাতিৰ ভোটেৰে চৰকাৰ গঠন কৰি চাহ জনগোষ্ঠীৰ লোকক চৰম প্ৰতাৰণা কৰা বিজেপিয়ে এইবাৰ নিবাচনত উচিত প্ৰত্যুত্তৰ লাভ কৰিব। ৰাজনৈতিক সজাগতা সভাত বাগ্সা জিলা আটছাৰ সহকাৰী সম্পাদক ৰোহীত ঘাটোৱাৰ, কাৰ্যনিৰ্বাহক সদস্য অশোক কমালী, নাগ্ৰিজুলী আঞ্চলিক আটছাৰ সভাপতি সুনীল কুমাৰ, সম্পাদক প্ৰতাপ মহানন্দ, উপদেষ্টা দুৰ্গ গুৰু মহানন্দ, ৰেমন্ত মহানন্দ উপস্থিত থাকে।

# মুছলপুৰত ৰাভা জাতীয় পৰিষদৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিবেশন সম্পন্ন

**মুছলপুৰ, ২১ মাৰ্চ ঃ** নিখিল ৰাভা জাতীয় পৰিষদৰ অন্তৰ্গত বাগ্সা আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিবেশনখন আজি এদিনীয়া কাৰ্যসূচীৰে মুছলপুৰৰ নিকটৱৰ্তী পশ্চিম বামুণপাৰাত অনুষ্ঠিত হয়। ৰাভা জনগোষ্ঠীৰ ভাষা, সংস্কৃতিৰ উন্নয়ন আৰু বিকাশৰ বাবে জন্মলাভ কৰা ৰাভা জাতীয় পৰিষদখনৰ পতাকা উত্তোলনৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হয়। পুৰা পৰিষদৰ পতাকা উত্তোলন কৰে বাগ্সা আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ সভাপতি হিতেশ ৰাভাই। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে লংকেশ্বৰ বৰ্মন



আৰু বৰুণ ৰাভাই। বৃক্ষৰোপণ কৰে বেলগুৰি পথাৰৰ গাঁওবুঢ়া নগেন ডেকাই. ইয়াৰ পাছতে অনুষ্ঠিত প্ৰতিনিধি সভাৰ দ্বাৰ উন্মোচন কৰে কবি গৌতম ৰাভাই। দ্বাৰ উন্মোচন কৰি গৌতম ৰাভাই ৰাভাসকলৰ ঐতিহ্যপূৰ্ণ সংস্কৃতি, ভাষা, লোকনৃত্য সকলো জীয়াই ৰখাৰ বাবে নতুন প্ৰজন্মক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ইয়াৰ বাবে প্ৰতিগৰাকী ব্যক্তিকে শৈক্ষিক দিশত অধিক মনোনিৱেশ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছতে হিতেশ ৰাভাৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হয়। সমাজকৰ্মী ডম্বৰুধৰ ৰাভাই উদ্বোধন কৰা সভাখনত ৰাভা জনগোষ্ঠীৰ কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি জনগোষ্ঠীটোৰ সমস্যা, ইয়াৰ সমাধান ইত্যাদি বিষয়ত আলোকপাত কৰে। ৰাভা জনগোষ্ঠীয় নৃত্য-গীতেৰে মুখৰিত অধিবেশনখনত বাগ্সা আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ সভাপতি হিতেশ ৰাভাই ভাষাৰ উন্নয়নৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই বুলি আক্ষেপ কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com





ৰ'ড ছেভটি ক্রিকেটৰ ফাইনেলত ৩০ ৰাণ কৰি বিদায় লৈছে শচীনে।

# টি-২০ বিশ্বকাপতো ভাৰতৰ হৈ বেটিং মুকলি কৰিব ৰোহিত-বিৰাটে



**আহমেদাবাদ, ২১ মার্চ ঃ** আসন্ন আই চি চি টি-২০ বিশ্বকাপত ভাৰতীয় দলৰ হৈ ইনিংছ মুকলি কৰিব ৰোহিত শৰ্মা আৰু বিৰাট কোহলিয়ে। ইংলণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলা দখল কৰাৰ পাছত মেন অব দ্য ছিৰিজ সন্মান লাভ কৰা বিৰাটে এনে এক ইংগিত দিছে নিজৰ বক্তব্যত। ইফালে, প্ৰাক্তন ক্রিকেটাৰেও ৰোহিত শৰ্মা আৰু বিৰাট কোহলিকে টি-২০ মেচত ভাৰতীয় দলৰ হৈ ইনিংছ মুকলি কৰিবলৈ নিজৰ প্ৰতিক্রিয়াত ব্যক্ত কৰিছে। উল্লেখ্য যে অধিনায়ক বিৰাট কোহলি আৰু সহঃ অধিনায়ক ৰোহিত শৰ্মাৰ বিস্ফোৰক অনবদ্য অৰ্ধশতকেৰে ভাৰতে পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচত ইংলণ্ডক ৩৬ ৰাণত পৰাস্ত কৰি ৩-২ ব্যৱধানেৰে শৃংখলা জয় কৰে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতে নতুন অপেনিং যুটিৰে আৰম্ভ কৰে ইনিংছ। উল্লেখ্য যে অধিনায়ক বিৰাট কোহলি আৰু সহঃ অধিনায়ক ৰোহিত শৰ্মাই মুকলি কৰে টীম ইণ্ডিয়াৰ বেটিং। উভয়ে আৰম্ভণিৰ পৰাই নিজৰ ছন্দত বেটিং কৰি দলৰ ইনিংছ বিস্ফোৰক ৰূপত আগুৱাই নিয়ে। অপেনিঙত ৯৫ ৰাণ কৰে অধিনায়ক বিৰাট কোহলি আৰু সহঃ অধিনায়ক ৰোহিত শৰ্মাই। ৩৪ বলত পাঁচটা ছিক্সাৰসহ ৬৪ ৰাণ কৰি ৰোহিত আউট হয় যদিও বিৰাটে দৃঢ়াৰে খেলি ভাৰতক দৃঢ় স্থিতিত উপনীত কৰায়। ৫৩ বলত সাতটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰসহ ৮০ ৰাণ কৰি অপৰাজিত থাকে বিৰাট। উল্লেখ্য যে ৰোহিতৰ বিদায়ৰ পাছতো বিৰাটে সূৰ্যকুমাৰ যাদব আৰু হাৰ্দিক পাণ্ডিয়াৰ স'তে অৰ্ধশতকীয় যুটী বান্ধে। দুই উইকেটত ২২৪ ৰাণত সমাপ্ত হয় ভাৰতৰ ইনিংছ। ইফালে, ভাৰতে দিয়া ২২৫ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে নিৰ্ধাৰিত অভাৰত আঠটা উইকেট হেৰুৱাই ১৮৮ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

### জে কে বৰুৱা আন্তঃজিলা ক্রিকেট

# আজি গুৱাহাটীৰ বিৰুদ্ধে শিলচৰ

**গুৱাহাটী, ২১ মার্চ ঃ** চলিত ১৯ বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্রিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ চতুৰ্থখন মেচত কাইলৈ গুৱাহাটীয়ে খেলিব শিলচৰৰ বিৰুদ্ধে। উল্লেখ্য যে গ্ৰুপ 'এ'ৰ এয়া দ্বিতীয় মেচ। প্ৰথম মেচত প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰিছিল। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা বেটিং কৰি গুৱাহাটীয়ে ২৮১ ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ ৰোহন হাজৰিকাই ১৫১ ৰাণ কৰে। ইফালে, ধেমাজিৰ যোছেফ বুঢ়াগোহায়ে ছটা উইকেট লাভ কৰে। প্ৰথমদিনাৰ খেলৰ অন্তত ধেমাজিয়ে প্ৰথম ইনিংছ আৰম্ভ কৰি দুটা উইকেটত ১২৯ ৰাণ কৰিছিল। দ্বিতীয় ধেমাজিয়ে ন উইকেটত ৩৮৪ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। দলৰ হৈ সৰ্বাধিক ৮০ ৰাণ কৰে অৰূপ কুম্বাঙে। ইফালে, গুৱাহাটীয়ে দ্বিতীয় ইনিংছ আৰম্ভ কৰি তিনি উইকেটত ৯০ ৰাণ কৰাৰ সময়তে দ্বিতীয় দিনাৰ খেল সমাপ্ত হয় আৰু মেচখন ড্ৰ বুলি ঘোষণা কৰে আম্পায়াৰে। কিন্তু প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ধেমাজিয়ে গুৱাহাটীৰ বিৰুদ্ধে জয়লাভ কৰে। ধেমাজিয়ে লাভ কৰে তিনি পইণ্ট। গুৱাহাটীয়ে লাভ কৰে এক পইণ্ট। উল্লেখ্য যে জে কে বৰুৱা আন্তঃজিলা ক্রিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডলৈ ছটা দল উন্নীত হৈছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচ দুদিনীয়া হোৱাৰ লগতে যি ছটা দলে ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে সেয়া দুটা গ্ৰুপত ভাগ কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষ দলে ফাইনেল খেলিব। অসম ক্রিকেট সন্থাই জনোৱা অনুসৰি অহা ২৯-৩০ মার্চত অনুষ্ঠিত হ'ব ফাইনেল। উল্লেখ্য যে গ্ৰুপ 'এ'ত আছে গুৱাহাটী, ধেমাজি আৰু শিলচৰ। আনহাতে, গ্ৰুপ 'বি'ত আছে গোলাঘাট, নলবাৰী আৰু তিনিচুকীয়া।



ৰ'ড ছেভটি ক্রিকেটৰ ফাইনেলত ইউছুফ-যুৱৰাজৰ অৰ্ধশতক

# আঘাতৰ বাবে এদিনীয়া শৃংখলাত নেখেলে ইংলণ্ডৰ পেচাৰ আৰ্চাৰে



**লণ্ডন, ২১ মার্চ ঃ** আঘাতৰ বাবে ইংলণ্ড ক্রিকেট দলৰ পেচ বলাৰ জ'ফ্ৰা আৰ্চাৰে আসন্ন তিনিখনীয়া এদিনীয়া শৃংখলাত অংশ ল'ব নোৱাৰে। আজি ইংলণ্ড ক্রিকেট ব'ৰ্ডে এই কথা আনুষ্ঠানিকভাৱে অৱগত কৰিছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ সমাপ্তি হোৱাৰ পাছত উভয় দলে খেলিব তিনিখনীয়া এদিনীয়া শৃংখলা। তিনিখনীয়া এদিনীয়া শৃংখলা আৰম্ভ হ'ব অহা ২৩ মার্চৰ পৰা। পুনেত হ'ব তিনিওখন মেচ। ২৬ মার্চত দ্বিতীয় এদিনীয়া আৰু ২৮ মার্চত হ'ব তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিম মেচ। উল্লেখ্য যে ইংলণ্ডে প্ৰথমে টেষ্ট শৃংখলা হেৰুওৱাৰ পাছত পাঁচখনীয়া টি-২০ শৃংখলাটো দুবাৰকৈ অগ্ৰগতি লোৱাৰ পাছত ব্যৰ্থ হয়। ভাৰতে পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচত ইংলণ্ডক ৩৬ ৰাণত পৰাস্ত কৰি ৩-২ ব্যৱধানেৰে শৃংখলা জয় কৰিছে। উল্লেখ্য যে ভাৰতে দিয়া ২২৫ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে নিৰ্ধাৰিত অভাৰত আঠটা উইকেট হেৰুৱাই ১৮৮ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইংলণ্ডে জয়েৰে চলিত পাঁচখনীয়া টি-২০ শৃংখলাত অভিযান আৰম্ভ কৰিছিল। কিন্তু দ্বিতীয় মেচত ভাৰতে জয়েৰে প্ৰত্যাৱৰ্তন কৰে। তৃতীয় মেচত ইংলণ্ডে পুনৰ শক্তি প্ৰদৰ্শন কৰি জয়ী হয় যদিও ভাৰতে চতুৰ্থত টি-২০ ত কঠিন পৰিস্থিতিতো বিজয় অৰ্জন কৰি সফল প্ৰত্যাৱৰ্তন কৰে আৰু আজি শৃংখলা লাভ কৰিলে।

### ২৩ মার্চৰ পৰা তিনিখনীয়া এদিনীয়া শৃংখলা

# কৰ'নাৰ নিয়মেৰে পুনেত উপস্থিত ইংলণ্ড-টীম ইণ্ডিয়া



ডিব্ৰুগড় ক্রিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ ক্লাব হাউচ মুকলি অনুষ্ঠানত নাছিৰ গুল খান।

**পুনে, ২১ মার্চ ঃ** প্ৰথমে চাৰিখনীয়া টেষ্ট শৃংখলা লাভ কৰাৰ পাছত ভাৰতে ইংলণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাও লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়া দলৰ লক্ষ্য আসন্ন তিনিখনীয়া এদিনীয়া শৃংখলা দখল কৰা। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ সমাপ্তি হোৱাৰ পাছত উভয় দলে খেলিব তিনিখনীয়া এদিনীয়া শৃংখলা। তিনিখনীয়া এদিনীয়া শৃংখলা আৰম্ভ হ'ব অহা ২৩ মার্চৰ পৰা। পুনেত হ'ব তিনিওখন মেচ। ২৬ মার্চত দ্বিতীয় এদিনীয়া আৰু ২৮ মার্চত হ'ব তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিম মেচ। আজি পুনেত উপস্থিত হয় ভাৰতীয় দল। উল্লেখ্য যে বি চি চি আয়ে ইতিমধ্যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে। ঘোষিত দলটো হ'ল ঃ বিৰাট কোহলি (অধিনায়ক), ৰোহিত শৰ্মা (সহঃ অধিনায়ক), শিখৰ ধৱন, শুভমন গিল, শ্ৰেয়াছ আয়াৰ, সূৰ্যকুমাৰ যাদব, হাৰ্দিক পান্দিয়া, ঋষভ পণ্ট, লোকেছ ৰাহুল, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, ক্ৰনাল পান্দিয়া, ৱাশ্বিংটন সুন্দৰ, টি নাটৰাজন, ভূৱনেশ্বৰ কুমাৰ, মহম্মদ ছিৰাজ, প্ৰসিদ্ধ কৃষ্ণ আৰু ছাৰ্দুল ঠাকুৰ।



# জিম্বাব'ৱেৰ বিৰুদ্ধে ৩-০ ত শৃংখলা দখল আফগানিস্তানৰ



**আবুঢাবি, ২১ মার্চ ঃ** আফগানিস্তানে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ৩-০ ত দখল কৰিছে। শৃংখলাৰ তৃতীয় তথা অন্তিম মেচত আফগানিস্তানে ৪৭ ৰাণত পৰাস্ত কৰে জিম্বাব'ৱেক। পোনতে বেটিং কৰি আফগানিস্তানে কৰে সাত উইকেটত ১৮৩ ৰাণ। জাডৰাণে ৭২ ৰাণ কৰাৰ বিপৰীতে উস্মানে কৰে ৩৯ ৰাণ। প্ৰত্যুত্তৰত, জিম্বাব'ৱে পাঁচ উইকেটত ১৩৬ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ছিকন্দৰ ৰাজাই ৪১ আৰু ৰিয়ানে ৩৯ ৰাণ কৰে। উল্লেখ্য যে দ্বিতীয়খন মেচত আফগানিস্তানে ৪৫ ৰাণত পৰাস্ত কৰিছিল জিম্বাব'ৱেক। টেষ্ট শৃংখলাৰ সমাপ্তিৰ পাছত আৰম্ভ হৈছে জিম্বাব'ৱে আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলা। প্ৰথম মেচত আফগানিস্তানে ৪৮ ৰাণত পৰাস্ত কৰে জিম্বাব'ৱেক। পোনতে বেটিং কৰি আফগানিস্তানে পাঁচ উইকেট হেৰুৱাই ১৯৮ ৰাণ কৰে। দলৰ হৈ গুৰবাজে ৮৭ আৰু আফগানে ৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত জিম্বাৱ'ৱে সাত উইকেটত ১৫০ ৰাণ কৰি ইনিংছ সামৰে। দলৰ হৈ টিনাছাই কৰে ৪৪ ৰাণ। উল্লেখ্য যে জিম্বাব'ৱে আৰু আফগানিস্তানৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাটো ১-১ ব্যৱধানেৰে ড্ৰ হৈছিল। দ্বিতীয় টেষ্টত আফগানিস্তানে ছয় উইকেটত পৰাস্ত কৰে জিম্বাব'ৱেক। আনহাতে, শৃংখলাৰ প্ৰথম টেষ্টত জিম্বাব'ৱে দহ উইকেটত জয়ী হৈছিল।

# এদিনীয়াত বাংলাদেশৰ বিৰুদ্ধে জয়ী নিউজিলেণ্ড

**ডুনেডিন, ২১ মার্চ ঃ** নিউজিলেণ্ডে প্ৰথমখন এদিনীয়া মেচত বাংলাদেশৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰিছে। এই জয়েৰে নিউজিলেণ্ডে তিনিখনীয়া এদিনীয়া শৃংখলাটোত বাংলাদেশৰ বিৰুদ্ধে ১-০ ব্যৱধানেৰে অগ্ৰগতি লৈছে। পোনতে বেটিং কৰা বাংলাদেশে ৪১.৫ অভাৰতে ১৩১ ৰাণত ইনিংছ সামৰে। নিউজিলেণ্ডৰ বৌল্টে চাৰিটা উইকেট পায়। বাংলাদেশৰ মেহমুদুল্লাহে ২৭ আৰু মুছফিকুৰে ২৩ ৰাণ কৰে। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে ২১.২ অভাৰতে দুই উইকেট হেৰুৱাই ১৩২ ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। নিকোলাছে কৰে ৪৯ ৰাণ আৰু মাৰ্টিন গুপটীলে ৩৮ ৰাণ কৰে।



# প্ৰথম ইনিংছৰ অগ্ৰগতিৰে তিনিচুকীয়াৰ বিৰুদ্ধে তিনি পইণ্ট অৰ্জন গোলাঘাটৰ

**গুৱাহাটী, ২১ মার্চ ঃ** অসম ক্রিকেট সন্থাই আয়োজন কৰা ১৯ বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্রিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ তৃতীয়খন মেচ ড্ৰ হয় যদিও তিনিচুকীয়াৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লোৱাৰ বাবে গোলাঘাটে লাভ কৰিছে তিনি পইণ্ট। আনহাতে, এক পইণ্ট পায় তিনিচুকীয়াই। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা বেটিং কৰা গোলাঘাটে প্ৰথম ইনিংছত ২০৩ ৰাণ কৰিছিল। বিক্ৰম ৰাৱটে ৬৮ ৰাণ কৰাৰ বিপৰীতে তিনিচুকীয়াৰ শুভম শৰ্মাই পাঁচটা উইকেট লাভ কৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত তিনিচুকীয়াই প্ৰথম ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত ৭৬ ৰাণ কৰিছিল। আজি দলে ১৮২ ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত গোলাঘাটে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰে। ইফালে, দ্বিতীয় ইনিংছত গোলাঘাটে ১৩৪ ৰাণ কৰে। বিপৰীতে সময় সমাপ্তিৰ বাবে বেটিং নকৰিলে তিনিচুকীয়াই। উল্লেখ্য যে গোলাঘাটে প্ৰথম মেচত ব্যৰ্থতাৰ সন্মুখীন হৈছিল। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচত নলবাৰীয়ে আঠ উইকেটত পৰাস্ত কৰে গোলাঘাটক। জয়েৰে ছয় পইণ্ট লাভ কৰে নলবাৰীয়ে। কিন্তু পইণ্ট অৰ্জনত ব্যৰ্থ হয় গোলাঘাট। আজি গোলাঘাতে প্ৰথম পইণ্ট অৰ্জন কৰিলে।

# ওদালগুৰিত জুনিয়ৰ আন্তঃজিলা বক্সিং

**গুৱাহাটী, ২১ মার্চ ঃ** অসম বক্সিং সন্থাই অহা ২৩-২৬ মার্চলৈ ওদালগুৰীত আয়োজন কৰিব ল'ৰা-ছোৱালীৰ জুনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা। উল্লেখ্য যে উক্ত জুনিয়ৰ আন্তঃজিলা প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে খেলুৱৈসকলে ২২ মার্চত ওদালগুৰীত উপস্থিত হ'ব লাগিব। আন্তঃজিলা বক্সিং প্ৰতিযোগিতা অংশ লোৱা খেলুৱৈৰ কৰ'না পৰীক্ষা কৰাটো বাধ্যতামূলক কৰা হৈছে বুলি জনাইছে অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই। স্মৰ্তব্য যে অসম বক্সিং সন্থাই যোৱা সপ্তাহত গুৱাহাটীৰ সৰুসজাই ক্রীড়া প্ৰকল্পত সফলতাৰে আয়োজন কৰিছিল ছাব জুনিয়ৰ (ল'ৰা-ছোৱালী) আৰু যুৱ (পুৰুষ-মহিলা) শাখাৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা। উল্লেখ্য যে উক্ত প্ৰতিযোগিতাত ছাব জুনিয়ৰ ছোৱালী শাখাত ওদালগুৰী চেম্পিয়ন হোৱাৰ বিপৰীতে দ্বিতীয় হয় তিনিচুকীয়া। ছাব জুনিয়ৰ ল'ৰাৰ শাখাত তিনিচুকীয়া চেম্পিয়ন হোৱাৰ বিপৰীতে দেৰগাঁও দ্বিতীয় হয়। ইফালে, যুৱ শাখাত পুৰুষৰ চেম্পিয়ন হয় ৰাজ্যিক বক্সিং একাডেমী। দ্বিতীয় গোলাঘাট। যুৱ শাখাৰ মহিলাত ৰাজ্যিক বক্সিং একাডেমী চেম্পিয়ন হোৱাৰ বিপৰীতে কামৰূপ দ্বিতীয় হয়। উল্লেখ্য যে ৰাজ্যৰ ২৭ খন জিলা-প্ৰতিষ্ঠানৰ মুঠ ২১৯ বক্সাৰে উক্ত ছাব জুনিয়ৰ (ল'ৰা-ছোৱালী) আৰু যুৱ (পুৰুষ-মহিলা) শাখাৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতাত অংশ লৈছিল। ইয়াৰে ১২৯ জন পুৰুষ আৰু ৯০ গৰাকী মহিলা বক্সাৰ।

# দুতিৰাম হাজৰিকা ক্রিকেট প্ৰতিযোগিতাৰ সফল সামৰণি

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২১ মার্চ ঃ** নৱসুৰুজ ক্লাৱৰ উদ্যোগত আৰু বৰঙাবাৰী আঞ্চলিক ক্রীড়া সন্থাৰ সহযোগত চলি থকা দুতিৰাম হাজৰিকা সোঁৱৰণী ক্রিকেট প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। আজি অনুষ্ঠিত হোৱা ফাইনেল মেচখনত পাঁচ উইকেটত জয়েৰে চেম্পিয়ন হয় জে এণ্ড এন ক্রিকেট ক্লাব। উল্লেখ্য যে ফাইনেলত জে এণ্ড এন ক্রিকেট ক্লাবৰ প্ৰতিদ্বন্দ্বী আছিল গেৰুৱা ক্রিকেট ক্লাব। পোনতে বেটিং কৰা গেৰুৱা ক্রিকেট ক্লাবে ১০১ ৰাণ কৰে। প্ৰত্যুত্তৰত, জে এণ্ড এন ক্রিকেট ক্লাবে পাঁচ উইকেটত ১০৪ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনিত হয়। উল্লেখ্য যে প্ৰাইজমানি উক্ত ক্রিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দল জে এণ্ড এন ক্রিকেট ক্লাবে লাভ কৰিছে ৪০ হেজাৰ টকা। আনহাতে, ৰাণাৰ্ছ আপ গেৰুৱা ক্রিকেট ক্লাবে লাভ কৰিছে ২০ হেজাৰ টকা। স্মৰ্তব্য যে প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত জে এণ্ড এন ক্রিকেট ক্লাবে সাত উইকেটত ময়নগুৰি ক্রিকেট ক্লাবক হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, প্ৰথম ছেমিফাইনেলত গেৰুৱা ক্রিকেট ক্লাবে ৮৫ ৰাণত পৰাস্ত কৰে মৈৰাবাৰী ইলেভেন ষ্টাৰ ক্রিকেট ক্লাবক।



### চিকিৎসালয়ত মৃত্যু শ্যামপ্ৰসাদ শৰ্মাৰ, অসম বক্সিং সন্থাৰ শ্ৰদ্ধাঞ্জলি

# খেলি থকা সময়তে ৰিঙত ঢলি পৰিল অসমৰ বক্সাৰ

**গুৱাহাটী, ২১ মার্চ ঃ** অসম বক্সিং সন্থাই গুৱাহাটীত আয়োজন কৰা ছাব জুনিয়ৰ (ল'ৰা-ছোৱালী) আৰু যুৱ (পুৰুষ-মহিলা) শাখাৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতাত অংশ লোৱা ৰাজ্যৰ এক নৱাগত বক্সাৰে খেলি থকাৰ সময়তে আঘাত পোৱাৰ পাছত যোৱানিশা মহানগৰীৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে লিডুৰ ১৭ বছৰীয়া যুৱ বক্সাৰ শ্যাম প্ৰসাদ শৰ্মাই সৰুসজাই ক্রীড়া প্ৰকল্পত অসম



বক্সিং সন্থাই আয়োজন কৰা আন্তঃজিলা বক্সিং প্ৰতিযোগিতাত ৪৬-৪৯ ওজন শাখাত শিৱসাগৰ জিলাক প্ৰতিনিধিত্ব কৰিছিল। স্মৰ্তব্য যে শ্যাম লিডুৰ পৰা আহিছিল গুৱাহাটীৰ ছাই কেন্দ্ৰলৈ। কিন্তু প্ৰদৰ্শনৰ মানদণ্ডৰ বাবে পাছত ছায়ে তেওঁক শিবিৰৰ পৰা আঁতৰাইছিল। মহানগৰীতে থকা শ্যামে বক্সিঙৰ অনুশীলন কিন্তু অব্যাহত ৰাখিছিল। এইবাৰ তেওঁ শিৱসাগৰ জিলাৰ হৈ অংশ লয় সদ্য সমাপ্ত আন্তঃজিলা বক্সিং প্ৰতিযোগিতাত। যোৱা ১৬ মার্চত সৰুসজাই ক্রীড়া প্ৰকল্পৰ বক্সিং ৰিঙত প্ৰতিদ্বন্দ্বীৰ লগত মেচ খেলি থকাৰ সময়তে তাৎক্ষনিকভাৱে ৰিঙত ঢলি পৰে। ততালিকে তেওঁক কাষৰ চিকিৎসালয়ক ভৰ্তী কৰোৱা হৈছিল। কিন্তু পিছদিনা অসম বক্সিং সন্থাই যুৱ খেলুৱৈজনক উন্নত চিকিৎসাৰ বাবে মহানগৰীৰ এপল' চিকিৎসালয়ত ভৰ্তী কৰায়। চিকিৎসা চলি থকাৰ সময়তে যোৱানিশা মৃত্যু হয় শ্যামৰ। আজি অসম বক্সিং সন্থাই যুৱ বক্সাৰজনৰ নশ্বৰ দেহ ঘৰলৈ প্ৰেৰণৰ ব্যৱস্থা কৰাৰ লগতে অকালতে মৃত্যু হোৱা প্ৰতিভাবান খেলুৱৈগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায় ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতা, অসম বক্সিং সন্থাৰ সভাপতি কালিকান্ত বড়ো আদিয়ে।



## বিধানসভা নির্বাচনসমূহত সর্বাধিক সংখ্যক আসন লাভ কৰা দল

| ৰাজ্য | নির্বাচন বর্ষ আৰু দল |
|---|---|
| অন্ধ্র প্রদেশ | 2004 আইএনচি, 2009 আইএনচি, 2014 টিডিপি, 2019 ৱাইএছআৰচিপি |
| মেঘালয় | 2008 আইএনচি, 2013 আইএনচি, 2018 আইএনচি |
| অৰুণাচল প্রদেশ | 2004 আইএনচি, 2009 আইএনচি, 2014 আইএনচি, 2019 বিজেপি |
| মিজোৰাম | 2008 আইএনচি, 2013 আইএনচি, 2018 এমএনএফ |
| অসম | 2006 আইএনচি, 2011 আইএনচি, 2016 বিজেপি |
| নাগালেণ্ড | 2008 এনপিএফ, 2013 এনপিএফ, 2018 এনপিএফ |
| বিহাৰ | 2005 আৰজেডি, 2010 জেডি(ইউ), 2015 জেডি(ইউ), 2020 আৰজেডি |
| উৰিষ্যা | 2004 বিজেডি, 2009 বিজেডি, 2014 বিজেডি, 2019 বিজেডি |
| চত্তীশগড় | 2008 বিজেপি, 2013 বিজেপি, 2018 আইএনচি |
| পঞ্জাৱ | 2007 এছএডি, 2012 এছএডি, 2017 আইএনচি |
| গোৱা | 2007 আইএনচি, 2012 বিজেপি, 2017 আইএনচি |
| ৰাজস্থান | 2008 আইএনচি, 2013 বিজেপি, 2018 আইএনচি |
| গুজৰাট | 2007 বিজেপি, 2012 বিজেপি, 2017 বিজেপি |
| ছিকিম | 2004 এছডিএফ, 2009 এছডিএফ, 2014 এছডিএফ, 2019 এছকেএম |
| হাৰিয়ানা | 2005 আইএনচি, 2009 আইএনচি, 2014 বিজেপি, 2019 বিজেপি |
| তামিল নাডু | 2006 ডিএমকে, 2011 এআইএডিএমকে, 2016 এআইএডিএমকে |
| হিমাচল প্রদেশ | 2007 বিজেপি, 2012 আইএনচি, 2017 বিজেপি |
| তেলেংগানা | 2014 টিআৰএছ, 2018 টিআৰএছ |
| জম্মু-কাশ্মীৰ | 2008 জেকেএনচি, 2014 জেকেপিডিপি |
| ত্রিপুৰা | 2008 চিপিআই(এম), 2013 চিপিআই(এম), 2018 বিজেপি |
| ঝাৰখণ্ড | 2005 বিজেপি, 2009 বিজেপি আৰু জেএমএম, 2014 বিজেপি, 2019 জেএমএম |
| উত্তৰাখণ্ড | 2007 বিজেপি, 2012 আইএনচি, 2017 বিজেপি |
| কর্ণাটক | 2004 বিজেপি, 2008 বিজেপি, 2013 আইএনচি, 2018 বিজেপি |
| উত্তৰ প্রদেশ | 2007 বিএছপি, 2012 এছপি, 2017 বিজেপি |
| কেৰালা | 2006 চিপিআই(এম), 2011 চিপিআই(এম), 2016 চিপিআই(এম) |
| পশ্চিম বংগ | 2006 চিপিআই(এম), 2011 এআইটিচি, 2016 এআইটিচি |
| মধ্য প্রদেশ | 2008 বিজেপি, 2013 বিজেপি, 2018 আইএনচি |
| এনচিটি দিল্লী | 2008 আইএনচি, 2013 বিজেপি, 2015 আপ, 2020 আপ |
| মহাৰাষ্ট্ৰ | 2004 এনচিপি, 2009 আইএনচি, 2014 বিজেপি, 2019 বিজেপি |
| পুডুচেৰী | 2006 আইএনচি, 2011 এআইএনআৰচি, 2016 আইএনচি |
| মণিপুৰ | 2007 আইএনচি, 2012 আইএনচি, 2017 আইএনচি |

## লোকসভা নির্বাচনসমূহত সর্বাধিক সংখ্যক আসন লাভ কৰা দল*

| | 2004 | 2009 | 2014 | 2019 |
|---|---|---|---|---|
| শর্বাধিক আসনসমূহ | আইএনচি 145 | আইএনচি 206 | বিজেপি 282 | বিজেপি 303 |
| ২য় সর্বাধিক আসনসমূহ | বিজেপি 138 | বিজেপি 116 | আইএনচি 44 | আইএনচি 52 |

* ~ এতিয়া সমগ্র দেশত ১০ লাখৰো অধিক ভোটদান কেন্দ্র আছে

# ৩২৫ কোটি ভোটাৰ

১২৭ বিধানসভা নির্বাচন | ৪ লোকসভা নির্বাচন

(২০০৪ ৰ পৰা ইভিএমৰ ব্যৱহাৰ)

# ৯৮ কোটি ভোটাৰ

২১ বিধানসভা নির্বাচন | ১ লোকসভা নির্বাচন

(২০১৭ৰ ডিচেম্বৰৰ পৰা ইভিএম আৰু ভিভিপেটৰ ব্যৱহাৰ)




© The Common Man: BCCL. Used under license

# ভাৰতীয় গণতন্ত্ৰৰ গৌৰৱ

ভাৰতৰ নির্বাচন আয়োগ
www.eci.gov.in

## ইভিএম আৰু ভিভিপেট




বেলট ইউনিট ভিভিপেট কন্ট্ৰ'ল ইউনিট

davp 52101/13/0017/2021